# নৱজ্যোতি মহাবিদ্যালয়

# আলোচনী

NABAJYOTI COLLEGE, KALGACHIA
LEARN, LABOUR & SERVE
ESTD- 1971

পঞ্চবিংশতিতম সংখ্যা

বৰ্ষ - ২০১০-১১



তত্বাৱধায়কদ্বয়

অধ্যাপক মির্জা আব্দুল হামিদ

অধ্যাপক সাহাব উদ্দিন খান

ভাৰপ্ৰাপ্ত সম্পাদক

আশান আলী

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

পঞ্চবিংতিতম সংখ্যা

বৰ্ষ- ২০১০-১১ ইং

# Nabajyoti College Magazine

25th Issue * 2010-11

তত্বাৱধায়কদ্বয়
**মির্জা আব্দুল হামিদ**
**সাহাব উদ্দিন খান**
ভাৰপ্ৰাপ্ত সম্পাদক
**আশান আলী**

Prof. In-charge
**Mirza Abdul Hamid**
**Shahabuddin Khan**
I/c. Editor
**Ashan Ali**

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## পঞ্চবিংশতিতম সংখ্যা

বৰ্ষ- ২০১০-১১ ইং


### সম্পাদনা সমিতি

সভাপতি : খন্দকাৰ আব্দুল গফুৰ
ভাৰপ্ৰাপ্ত অধ্যক্ষ

ভাঃ সম্পাদক : আশান আলী

তত্বাধয়কদ্বয় : অধ্যাপক মিৰ্জা আব্দুল হামিদ
অধ্যাপক সাহাব উদ্দিন খান

সদস্যবৃন্দ : অধ্যাপক ড° এম, এছ, শ্বেইখ
: অধ্যাপক যোগেন্দ্ৰ ঝা
: অধ্যাপক আব্দুল ওৱাহাব সৰকাৰ
: অধ্যাপক আব্দুল কুদ্দুছ
: ৰুলিয়া পাৰবীন ( ভাৰপ্ৰাপ্ত সাঃ সম্পাদিকা)
ছাত্ৰ একতা সভা।

বেটুপাত পৰিকল্পনা-
অধ্যাপক ড° এম, এছ, শ্বেইখ
অধ্যাপক ঘনশ্যাম ভৰালী

ডি, টি, পি-
নুৰুল ইছলাম

অফ্‌ছেট অপাৰেটৰ-
জছিম উদ্দিন আজাদ
আনোৱাৰ হুছেইন

মুদ্ৰণ- প্ৰগতি অফ্‌ছেট, কলগাছিয়া।
Ph : 9954896945






# MESSAGE

*I am glad to learn that Nabajyoti College, Kalgachia, the pride of greater Kalgachia area is going to publish its 25th issue of College Magazine. In this auspicious occasion, it is likely to expect that, this type of publication shall shift the paradigm of student towards quality education and creative activities.*

*The need of the hours is to develop skills and employability. report to the UNESCO of International Commission (1996) on education to 21st century, identified four pillars of education i.e. learning to know, learning to do, learning to live together and learning to be, which reflect the general employability skills required to deal effectively with job situation of 21st century. Every individual needs to acquire self-learning and self- orienting skills to utilize every learning opportunity, through out life. It may be towards broadening his knowledge, skills, attitudes and capacity to adjust in complex, rapidly changing and interdependent world of Global economy.*

*Learning to do is more closely associated with practical exercise and it's utility i n life stand assured. Requiring the students in different field of activities to function, abilities to communicate appropriately, working in groups and conflict resolution become increasingly important.*

*The present tendencies, violence, disintegration, ethnic rivalries and others that are markedly affecting the social life and work places, focus on the third pillar of education. "Learning to live together" the fourth pillar of education stands upon learning to be with the assumption that education should perceive to enable persons to have the abilities to solve his own problems, make his own decisions and shoulder his own responsibilities. All these abilities and skills upon four pillars of education are based, represent the basic higher-order and effective employment skills. Higher education provided by an institution upon these pillars would certainly lead the development of not only quality but also employability skills as a whole.*

*At the end I hope, that this institution of higher education viz Nabajyoti College, Kalgachia shall strive to become a centre of Excellency, obeying the guidelines enumerated above.*

## MESSAGE

Date- 12/03/2012

*It gives me immense pleasure to learn that the Nabajyoti College Magazine for the Session 2010-2011 is going to publish with writings of teachers and students of this college. The College Magazine reflects the quality of the leaners and through literal and scientific pioneer thinking and ideas the institution will reach the peak of excellence in National and International levels.*

(Delwar Hussain)
12/03/2012
President
Governing Body of the College.







## শুভেচ্ছা বাণী

আন আন বছৰৰ দৰে এই বেলিও নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১০-১১ ইং বৰ্ষৰ নৱজ্যোতি মহাবিদ্যালয় আলোচনীখন প্ৰকাশ পাব বুলি অতিকৈ সুখী আৰু গৰ্ববোধ কৰিছোঁ। মোৰ বিগত অভিজ্ঞতাৰ পৰা কব পাৰো যে বৰ্ত্তমান যুগত যুৱচামৰ মাজত দেখা দিয়া শিক্ষাৰ প্ৰতি অনীহা, কৰ্মসংস্থানহীনতা লগতে শিক্ষাৰ ব্যক্তিগতকৰণ আৰু বিশ্বায়ন প্ৰক্ৰিয়াৰ তুমুল প্ৰতিদ্বন্দ্বিতাৰ সময়ত নৱজ্যোতি মহাবিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠানৰ জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ এই সকল প্ৰচেষ্টাই ভৱিষ্যত প্ৰজন্মক সঠিক জ্ঞানৰ পথ দেখুৱাবলৈ সমৰ্থ হব বুলি মই আশাবাদী।

আলোচনী প্ৰকাশৰ এই প্ৰক্ৰিয়া অব্যাহত থাকক— । ইতি

খন্দকাৰ আব্দুল গফুৰ
ভাৰপ্ৰাপ্ত অধ্যক্ষ,
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।



## সম্পাদকীয়

প্ৰতিবেদনৰ পাতনিতে যিসকল মহান ব্যক্তিৰ অশেষ চেষ্টা, ত্যাগ আৰু পৰিশ্ৰমৰ ফলশ্ৰুতিত সংখ্যালঘু অধ্যুষিত অঞ্চলত এইখন মহাবিদ্যালয় গঢ়লৈ উঠিছে সেই সকল মহান ব্যক্তিৰ ভিতৰত আমাৰ মাজত থকা সকলৰ দীৰ্ঘায়ু কামনা কৰো আৰু লগতে আমাৰ মাজৰ পৰা চিৰ বিদায় লৈছে তেখেত সকলৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছো।

অতি দুখেৰে লিখিবলগীয়া হৈছে যে নৱজ্যোতি মহাবিদ্যালয়খনৰ বিগত দুটা বছৰৰ ২০০৯-১০ আৰু ২০১০-১১ ইং বৰ্ষৰ মহাবিদ্যালয় আলোচনী প্ৰকাশ নোপোৱাৰ কাৰণ এটাই বিভাগীয় সম্পাদক সকলৰ ব্যক্তিগত সমস্যা থকাৰ বাবে। নৱজ্যোতি মহাবিদ্যালয়ৰ ২০১১-১২ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত হোৱাৰ পাছত বিগত বছৰৰ অৰ্থাৎ ২০১০-১১ ইং বৰ্ষৰ আলোচনী বিভাগৰ তত্ত্বাৱধায়কদ্বয় মাননীয় মিৰ্জা আব্দুল হামিদ আৰু সাহাবুদ্দিন খান ছাৰে ২০১০-১১ ইং বৰ্ষৰ ভাৰপ্ৰাপ্ত আলোচনী সম্পাদক হিচাবে মোৰ ওপৰত দায়িত্ব অৰ্পন কৰে।

সকলো বাধা-বিঘিনি নেওচি নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰাৰ ওপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ সাৰথি মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ পথলৈ আগবঢ়াই নিয়াৰ প্ৰতিটো মুহূৰ্ত্তত সজ পৰামৰ্শ আৰু সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু মি আব্দুল হামিদ আৰু সাহাব উদ্দিন খান, আলো সম্পাদনা সমিতিৰ সভাপতি, সমূহ সদস্য লেখক-লেখিকা সকল, ছাত্ৰ একতা সভাৰ স সদস্য-সদস্যাৰ ওপৰিও বন্ধু-বান্ধৱী সকল ত্ৰ ৰুহুল আমিন, জাকিৰ হুছেইন, নুৰমোহাম্মদ আ জাহাংগীৰ আলম, ৰহিমা খাতুন, নাজিয়া হা ৰেজিয়া সৰকাৰ, খন্দকাৰ মকিবুৰ ৰহমান, লুত ৰহমান, জামাল উদ্দিন শিকদাৰ, ছাইদুল ইছ ৰাশিদা খাতুন, শ্বাহানাজ পাৰবিন, জোনমণি কলেজৰ দাদ, বাইদেউৰ লগতে সহপাঠী বন্ধু-বা সকলোকে আন্তৰিক শুভেচ্ছা আৰু কৃত যাচিলোঁ।

সদৌ শেষত এই মহাবিদ্যালয়লৈ বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সক ভৱিষ্যত জীৱন ও মহাবিদ্যালয়খনৰ ভৱি উজ্জল কামনা কৰি প্ৰতিবেদনৰ ভুল ত্ৰুটিৰ আটাইৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি

জয়তু নৱজ্যোতি মহাবিদ্যালয়
জয়তু নৱজ্যোতি মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

ধন্যবাদেৰে-
আশোন আলী
ভাৰপ্ৰাপ্ত আলোচনী সম্প
**নৱজ্যোতি মহাবিদ্যা**
ছাত্ৰ একতা সভা।





## সূচী-পত্ৰ


| বিষয় | | লিখক | পৃষ্ঠা |
|---|---|---|---|
| শিক্ষকৰ সন্তীয়া জনপ্ৰিয়তা আৰু ছাত্ৰৰ সহজলভ্য শিক্ষা লাভৰ দিন উকলিল | ঃ | শামচুল আলম | ১ |
| শিক্ষক, ছাত্ৰ, অভিভাৱক আৰু আমাৰ শিক্ষা ব্যৱস্থা | ঃ | এ, বি, ছিদ্দিক | ৪ |
| বিদ্যালয় পাঠ্যক্ৰমত যৌন শিক্ষাৰ অন্তৰ্ভুক্তিৰ প্ৰাসঙ্গিকতা আৰু গ্ৰহণযোগ্যতা | ঃ | ড° এম, এছ, শ্বেইখ | ৭ |
| নৱজ্যোতি মহাবিদ্যালয়ৰ চমু ইতিবৃত্তি | ঃ | খন্দকাৰ আব্দুল গফুৰ | ১১ |
| আলু | ঃ | হানিফ মোস্তাক আহমেদ | ১৪ |
| মৃত্যুদূত এইডছ আৰু ইয়াৰ প্ৰতিষেধক ছিটাৰ আবিস্কাৰ | ঃ | ড° মইনুল হক চৌধুৰী | ১৯ |
| যুক্তি-অপযুক্তি | ঃ | ওৱাহাব সৰকাৰ | ২১ |
| জীৱ বৈচিত্ৰ আৰু ইয়াৰ সংৰক্ষণ | ঃ | মোঃ আব্দুল খালেক | ২৩ |
| একক প্ৰেমৰ যন্ত্ৰণা | ঃ | ৰকিবুল ইছলাম (ৰকি) | ২৬ |
| পূৰ্ণিমাৰ ৰাতিৰ অমাবস্যা | ঃ | ৰফিকুল ইছলাম | ২৮ |
| প্ৰেম আৰু বিষন্নতাৰ আলাপ | ঃ | ৰাবিয়া বসৰী | ৩০ |
| ভালপোৱাৰ উপহাৰ গঙ্গা যমুনা | ঃ | মকিবুল ইছলাম | ৩১ |
| প্ৰেমিক-প্ৰেমিকাৰ বাবে দু-এষাৰ | ঃ | মোঃ নাজিমূল হক (ৰহিত) | ৩২ |
| প্ৰতি কথাত হাঁহি | ঃ | খুৰশেদ আলম | ৩৩ |


### কবিতা


| | | | |
|---|---|---|---|
| শান্তিৰ কপৌজাক বিচাৰি | ঃ | হাছিনা খাতুন | ৩৪ |
| বৰষা তোমাৰ অপেক্ষাত | ঃ | ৰিজৱানুজ জামান চৌধুৰী | ৩৪ |
| জীৱনটো দুখৰ বাবেই সুখৰ বাবেও | ঃ | ৰুহুল আমিন | ৩৫ |
| মৌচুমী | ঃ | ৰফিকুল ইছলাম | ৩৫ |
| মৰম | ঃ | পিয়াৰা বেগম | ৩৬ |
| সকলো দোষ এই ভালপোৱা | ঃ | মাহমুদা খাতুন | ৩৬ |
| শেৱালী | ঃ | ফাৰহান ছছাইন | ৩৭ |
| তুমি ফুলি থকা এপাহি ফুল | ঃ | গোলাম মোস্তফা কামাল | ৩৭ |
| কিদৰে ৰচো এক নতুন কাহিনী | ঃ | ছবনম ফিৰদাউচী | ৩৮ |

| বিষয় | | লিখক | পৃষ্ঠা |
|---|---|---|---|
| পাহৰি গ'লা নেকি তুমি মোক | ঃ | ৰাশিদুল আহমেদ | ৩৯ |
| মানৱী জনম নাহিব দুনাই | ঃ | মাহমুদা খাতুন | ৩৯ |
| ভাল পোৱাৰ আন নাম যন্ত্ৰণা | ঃ | মকিবুল ইছলাম | ৪০ |
| জীৱন | ঃ | আশান আলী | ৪১ |
| এপাহি ফুল | ঃ | আজাদুল ইছলাম | ৪১ |
| নিষ্ঠুৰ তুমি | ঃ | সঞ্জীবুল হক চৌধুৰী | ৪২ |
| এডাল ৰচি থকা হ'লে | ঃ | ছাইদুৰ ৰহমান | ৪২ |
| ফুল আৰু পখিলা | ঃ | নুৰী শামছুদ্দিন আহমেদ | ৪৩ |
| মোবাইলত তোমাৰ মাত | ঃ | ৰহিমা খাতুন | ৪৩ |
| ভুল নুবুজিবা | ঃ | আব্দুল কায়ুম | ৪৪ |
| আশা | ঃ | সফিকুল ইছলাম (সফিক) | ৪৪ |

**English Section**

| | | | |
|---|---|---|---|
| Redefining Administration in Institution of Higher Education in the Digital Era | : | B. K. Samal | 46 |
| A College Magazine is a Mirror of the College life | : | Dr. M. H. Choudhury | 49 |
| The Apprehensive Travalis of Modern Medicines | : | Aminul Islam Khan | 52 |
| Contribution of Indian Scholars to Arabic Literature | : | Dr. Md. Raizuddin Alom | 57 |
| New Seven Wonders of the world | : | Rabiya Bashri | 61 |
| What I Love | : | Rabiya Bashri | 63 |
| Value of Time | : | Md. Inamul Selim | 64 |
| ছাত্ৰ একতা সভাৰ প্ৰতিবেদনৰ শিতান | | | ৬৬-৭১ |






# শিক্ষকৰ সস্তীয়া জনপ্ৰিয়তা আৰু ছাত্ৰৰ সহজলভ্য শিক্ষা লাভৰ দিন উকলিল


শামচুল আলম
সহকাৰী অধ্যাপক, প্ৰাণী বিদ্যা বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।


২০০৫ চনৰ আগষ্ট মাহৰ ৫ তাৰিখত ভাৰতীয় সংসদৰ " Right to Free and Compulsory Education Bill-8" ৰ অনুমোদনে ভাৰতবৰ্ষত সম-অধিকাৰ আৰু প্ৰগতিশীল দেশৰ প্ৰতিশ্ৰুতিক বহুযোজন আগুৱাই নিলে বুলি বহুতো জীৱিয়ে মত-পোষণ কৰে। এইবেলি ভাৰতীয় সংবিধানত ৮৬ তম সংশোধনীৰ জৰিয়তে সংবিধানত এক নতুন দফা '২১ ংযোজন কৰি ৬-১৪ বছৰ বয়সলৈকে সকলো শিশুৰ বাবেই প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ বুলি মান্যতা প্ৰদান কৰা হ। তাৰোপৰি সংবিধানৰ চতুৰ্থ অনুচ্ছেদত দফা ৫১ এ সংযোজন কৰি পিতৃ-মাতৃ সকলক নিজৰ সন্তানবোৰে বিনা বাধাই মিক শিক্ষা গ্ৰহণ কৰিব পৰাৰ সুযোগ সুবিধা প্ৰদান কৰা হৈছে। এই সুযোগ গ্ৰহণ কৰি ল'ৰা-ছোৱালীবোৰক শিক্ষা প্ৰদানৰ গ্য কৰাটো অভিভাৱক সকলৰ মৌলিক কৰ্তব্য বুলি কোৱা হৈছে। ২০০৯ চনৰ আগষ্টত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এই বিলত ৰ কৰিছে আৰু পৰৱৰ্তী চেপ্টেম্বৰৰ ২ তাৰিখত ভাৰত চৰকাৰে এই সম্পৰ্কে গেজেট-ন'টিছ জাৰি কৰিছে। ভাৰত চৰকাৰে জট-ন'টিছ জাৰি কৰাৰ পিছৰ পৰা বিলখন বাস্তৱায়ণৰ বাবে ৰাজ্য চৰকাৰ সমূহে তিনি বছৰ সময় পাইছে। এই সময় ৰ ভিতৰতে ৰাজ্য চৰকাৰ সমূহে বিলখন বাস্তৱায়ণৰ উদ্দেশ্যে যাৱতীয় কাম-কাজ, আন্ত-গাথনি, শিক্ষক নিযুক্তি, শিক্ষকৰ ক্ষণ আদি সম্পূৰ্ণ কৰিবলগীয়া আছিল। উল্লেখনীয় যে, দেশৰ প্ৰাথমিক খণ্ডত নিয়োজিত সৰ্বমুঠ শিক্ষকৰ শতকৰা দহ গীৰ কোনো ধৰণৰ প্ৰশিক্ষণেই নাই যদিও তেওঁলোকে শিক্ষাদানৰ কাম কৰি আছে। এই সকল শিক্ষককো শিক্ষাৰ অধিকাৰ ন ২০০৯ বাস্তৱায়ণৰ পূৰ্বেই প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰিব লাগিব।

অসমত শিক্ষাৰ অধিকাৰ আইন ২০০৯ বাস্তৱায়ণৰ প্ৰথম পদক্ষেপ হিচাবে ১৩ জুন'২০১১ তাৰিখত অসমৰ শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক বিবৃতি প্ৰকাশ কৰিছে। মাননীয় মন্ত্ৰীৰ বিবৃতিৰ মুখ্য বক্তব্যসমূহত কোৱা হৈছে যে,

মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দৰে মাধ্যমিক শিক্ষানুষ্ঠানতো পৰিচালনা সমিতিলৈ ৩১ জুলাইৰ পূৰ্বে ক্ষমতা হস্তান্তৰ প্ৰক্ৰিয়া সমাপ্ত হ'ব।

চলিত মাহৰ ভিতৰতে প্ৰণয়ন হ'ব শিক্ষাৰ অধিকাৰ আইনৰ বিধি।

বিধি প্ৰণয়নৰ লগে লগে এম, ই, আৰু এল, পি,ত ২৫,৭৫১ জন শিক্ষকে নিযুক্তি পাব ।

স্বাস্থ্য, শিক্ষা, কৰ্ম অভিজ্ঞতা, চিত্ৰকলা শিক্ষাৰ বাবে এম, ই, স্কুলত হ'ব ৬,০৮১ জন অংশকালীন শিক্ষকৰ নিযুক্তি।

প্ৰতিখন স্কুলত কমেও দুজন শিক্ষক থকাটো বাধ্যতামূলক হ'ব।

অক্টোবৰত টি ই টেষ্ট।

নৱেম্বৰত প্ৰকাশ হ'ব নিযুক্তিৰ বিজ্ঞাপন।

* শিক্ষকৰ অৱসৰৰ বাবে নিযুক্তিৰ সংখ্যা ৫০ হাজাৰলৈ বৃদ্ধি হ'ব।
* ব্যক্তিগত শিক্ষানুষ্ঠানেও টি ই-ত উত্তীৰ্ণকহে শিক্ষক নিযুক্তি দিব পাৰিব।
* বৰ্তমানে শিক্ষক সকলেও পৰ্যায়ক্ৰমে প্ৰশিক্ষণ ল'ব লাগিব।
* শিক্ষকে ৰাজনীতি আৰু সাংবাদিকতা কৰিব নোৱাৰিব।

বিবৃতিৰ ওপৰোক্ত বক্তব্যসমূহ বাস্তৱায়ণ হ'ব লাগিলে আমাৰ ৰাজ্যৰ গৰিষ্ঠ সংখ্যক শিক্ষকৰেই অৱস্থা নাজল-ন হ'ব। ৰাজনীতিবিদ, বিধায়ক আৰু সাংসদৰ পাছে পাছে দৌৰিফুৰা ঠিকাদাৰ-শিক্ষক সকলৰ অৱস্থা পানীত হাঁহ নচলা হ'ব। শিক্ষামন্ত্ৰীৰ বিবৃতিত শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া সবিস্তাৰ ব্যাখ্যাত এই বুলি কোৱা হৈছে যে- শিক্ষক হিচাপে নি পোৱাৰ বাবে প্ৰাৰ্থীজন * উচ্চতৰ মাধ্যমিক কলা, বিজ্ঞান শাখাত ৫০% নম্বৰ লাভ কৰা হ'ব লাগিব। * প্ৰাৰ্থী শিক্ষক নিযুক্তিত অৰ্হতা মাপক পৰীক্ষা " টিছাৰ ইলিজিবিলিটি টেষ্ট" (টেট)ত ৬০% নম্বৰ সহ উত্তীৰ্ণ হ'ব লা * টেট'ত ৬০% নম্বৰ সহ উত্তীৰ্ণ হোৱা সকলেহে শিক্ষক পদৰ বাবে আবেদন কৰিব পাৰিব। কথা হ'ল শিক্ষক নিযু বাবে উচ্চতৰ মাধ্যমিক কলা বা বিজ্ঞান শাখাত ৫০% নম্বৰ লাগে কথাষাৰ ঠিকেই আছিল- কাৰণ বৰ্তমান উচ্চতৰ মাধ পৰীক্ষাত ৫০% নম্বৰ পোৱাটো মুঠেই জটিল কাম নহয়।

আমাৰ সমাজত এনে বহুতো শিক্ষক আছে যিসকলক টিউছন শিক্ষক হিচাপে নিযুক্ত কৰিলে নাইবা পৰীক্ষাৰ স অভিভাৱকে ঘৰলৈ গৈ লগ ধৰি কিছু আৰ্থিক উপঢৌকন আগবঢ়ালে বা পৰীক্ষা চলি থকা দিন কেইটাত তেনে শিক্ষ নিয়মিত চাহ-মিঠাই খুৱালে হোৱা-হোৰে প্ৰশ্নকাকত ফাদিল কৰে, পাইকাৰী হাৰত নকলৰ যোগান ধৰে। পৰীক্ষা-নি কিছু কঠোৰ হলে এনে শিক্ষকে মোবাইলযোগে প্ৰশ্নকাকতৰ ফটো তুলি আনি উত্তৰ সমূহ সুলভ মূল্যত ১০০-১২০ বিক্ৰী কৰে। ঠিকা ভিত্তিত প্ৰথম বিভাগত উত্তীৰ্ণ কৰাই দিয়া জনপ্ৰিয় শিক্ষকৰ অভাৱ আমাৰ সমাজত মুঠেই নাই। গ তেনে স্থলত ৫০% নম্বৰ পোৱাটো একো টান কাম বা চিন্তাৰ বিষয় নহয়। কিন্তু চিন্তাৰ বিষয় হ'ল টিছাৰ ইলিজিবিলিটি এই জনপ্ৰিয় শিক্ষক সকল নবহিব, তেওঁলোকৰ তাত কোনো প্ৰভাৱ নাথাকিব, বহিব লাগিব বিনাকষ্টে, অতিসহজে কিছু বিনিময়ত প্ৰথম বিভাগ বা ৫০% নম্বৰৰ প্ৰমাণ পত্ৰধাৰী শিক্ষিত প্ৰাৰ্থীসকলৰ কেনা তাতেই। এতিয়া কি কৰা যাব, সেই ভাবিবৰ সময় হ'ল। হয়তো নিজ সন্তানৰ কৃতকাৰ্যতাৰ ভেমত ওফন্দি থকা বহু অভিভাৱকে নিজৰ ভুল বুজিব পাৰি উজ নিশা কটাব, জনপ্ৰিয় শিক্ষক সকলৰ চৈধ্য পুৰুষ উজাৰি শাও দিব।

উচ্চ আদৰ্শ, উচ্চ চিন্তা, আত্ম উচৰ্গা গুণৰ বাবেই শিক্ষক সকলক আমাৰ সমাজে সন্মানৰ আসন দিয়ে, সমীহ চলে। কিন্তু শিক্ষক নামধাৰী এক শ্ৰেণীৰ দালাল ঠিকাদাৰৰ বাবে আজি গোটেই শিক্ষক সমাজে দুৰ্নামৰ ভাগী হ'ব লগা অৱশ্যে এই ক্ষেত্ৰত আমাৰ সমাজৰ এক শ্ৰেণীৰ অভিভাৱক, যিসকলে দুৰ্নীতি মাৰফৎ ধন ঘটি ৰাতিটোৰ ভিতৰতে লাখ কৌটিপতি হ'বলৈ সক্ষম হৈছে, শিক্ষকক দালাল-ঠিকাদাৰ সজোৱাত তেওঁলোকৰো অৱদান কম নহয়। বিনা বেতনে বিদ্যালয়ত কাম কৰা কিছুসংখ্যক দুৰ্বল ব্যক্তিত্বৰ শিক্ষকক এই শ্ৰেণীৰ লোকে অতি সহজতে বশীকৰণ কৰিব পাৰে। বিনিময়ত শিক্ষাৰ প্ৰমান পত্ৰ কিনাৰ চেষ্টাত কোনো ত্ৰুটি নকৰে। আনহাতে চৰকাৰী বিদ্যালয় সমূহৰ ক্ষেত্ৰত দেখা যায় কিছুসংখ্যক শিক্ষকে নিজৰ ল'ৰা-ছোৱালী পৰীক্ষাৰ্থী হোৱা বছৰটোত নকল যোগান ধৰাৰ ঠিকা লয়। নিজৰ ল'ৰা-ছোৱ প্ৰথম বিভাগত উত্তীৰ্ণ কৰোৱাৰ লগতে আন দহজনৰ পৰম উপকাৰ সাধে। অৱশ্যে তাৰ বিনিময়ত কিছু উপৰঞ্চি আয়ো আৰ্থিক দিশৰ পৰা চালে ব্যৱসায়টো বেয়া নহয়। পৰৱৰ্তী বছৰত টিউছন ক্লাছত ছাত্ৰ-ছাত্ৰীয়ো পোৱা যায় যথেষ্ট।





ছুমানে আকৌ নিজৰ আৰ্থিক লাভ, মানে টিউছনত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী পাবলৈহে নকল যোগান ধৰাৰ ব্যৱসায় কৰে। ীক্ষাৰ ছিট-প্লেনৰ সময়ত পৰীক্ষা নিয়ন্ত্ৰকক মেনেজ কৰে। শিক্ষানুষ্ঠানৰ সুনাম অৰ্জনৰ উদ্দেশ্যে উচ্চ গণিত পৰীক্ষাত টাইবোৰ পৰীক্ষাৰ্থীকে লেটাৰ পোৱাই দিয়াৰ ব্যৱস্থা (?) কৰে। পৰীক্ষা নিয়ন্ত্ৰক গৰাকী দুৰ্বল ব্যক্তিত্বৰ হ'লে কিছু আৰ্থিক কোচলৈ সন্তুষ্ট থাকে।

বলিষ্ঠ ব্যক্তিত্বৰ যিসকল আদৰ্শ শিক্ষক-শিক্ষয়েত্ৰী কুচক্ৰী সকলৰ প্ৰলোভনত ভোল নাযায় সেই সকলৰ নেগুৰ তি হয়। ৰাস্তা-ঘাটত আক্ৰান্ত হয়। কিছুমান অভিভাৱকে ব্যৱহাৰিক পৰীক্ষাত নিলিখাকৈয়ে নম্বৰ বিচাৰি যায়। বিচৰা মতে ৰ নিদিলে শিক্ষক হৈ পৰে সমাজ বিৰোধী (?)। চকীদাৰ, বিয়েৰাৰৰ হতুৱাই ব্যৱহাৰিক পৰীক্ষা চলোৱা অনুষ্ঠান আৰু ক্ষকসকলে আদৰ্শ অনুষ্ঠান আৰু আদৰ্শ শিক্ষকৰ সুনাম পায়। হায় আমাৰ সমাজ! - কালৰো কাল, বিপৰীত কাল, হৰিণাই লকে বাঘৰ গাল।

শিক্ষকসকল সমাজৰ খনিকৰ, আদৰ্শ শিক্ষকসকলে সমাজ পৰিৱৰ্তনত অগ্ৰণী ভূমিকা পালন কৰে। কিন্তু পৰিতাপৰ য় হ'ল আমাৰ সমাজত এক শ্ৰেণীৰ শিক্ষকে নিজৰ বিবেক বিবেচনা আৰু আদৰ্শক বাদ দি কেৱল তথাকথিত জনপ্ৰিয়তা ায়ৰ মানসেৰে প্ৰজন্মৰ পিছত প্ৰজন্মক ভুল পথত পৰিচালিত কৰি আহিছে। বিনষ্ট কৰিছে মূল্যবোধ, প্ৰদূষিত কৰিছে জ ব্যৱস্থাক। কিন্তু সেই শ্ৰেণীৰ শিক্ষকৰ ধৃষ্টতাক নাকী লগাবলৈ ইমান দিনে তেনে কোনো ফলপ্ৰসূ ব্যৱস্থা নাছিল। যোৱা মে'ত অসমৰ মাননীয় শিক্ষামন্ত্ৰীয়ে কৰা ঘোষণাই এই সকল ফাকিবাজ শিক্ষকৰ আৰু অতি সহজতে ধনৰ বিনিময়ত হৰণ কৰা অৰ্হতাধাৰী প্ৰাৰ্থীসকলৰ স্বৰূপ উদঙাব বুলি আশা কৰিব পাৰি। কথাবোৰ কেটেৰা বেজেৰা লাগিলেও অনাগত বোৰত কথাবোৰ ফলিবলৈ বাধ্য। জনপ্ৰিয় শিক্ষক আৰু মেধাৰ ভেমত ওফন্দি থকা সহজ শিক্ষাৰে শিক্ষিত প্ৰাৰ্থীসকলৰ ৰ শিক্ষকৰ চাকৰি সহজলভ্য নহ'ব আৰু নোহোৱাটোৱেই সমাজৰ সৰ্বসাধাৰণ লোকৰ বাবে কল্যাণকাৰী।

---

প্ৰকৃত ছাত্ৰই কেতিয়াও ক্ষমতা নিবিচাৰে, তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য।
সত্য আৱিষ্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু।

—ছাৰ জগদীশ চন্দ্ৰ বসু।

# শিক্ষক, ছাত্ৰ, অভিভাৱক আৰু আমাৰ শিক্ষা ব্যৱস্থা

এ, বি, ছিদ্দিক,
সহযোগী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ,
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

শিক্ষাই জ্ঞানৰ পথ প্ৰদৰ্শক, ই জাতিৰ মানদণ্ডৰ নিৰ্ণায়ক। মানৱ সম্পদ গঠনৰ প্ৰধান আহিলাই হৈছে গুণগত শিক্ষা। দেশৰ অৰ্থনৈতিক, সামাজিক, নৈতিক, ইত্যাদি সামগ্ৰিক উন্নতি সাধন কৰিবলৈ হ'লে, যুৱক-যুৱতীসকলক গুণগত শিক্ষাৰ দ্বাৰা উন্নীত কৰি তোলাটো অতি প্ৰয়োজন। বিকশিত মানৱ সম্পদৰ ওপৰত নিৰ্ভৰ কৰে দেশ এখনৰ সামগ্ৰিক উন্নয়ন আৰু প্ৰগতি। ইয়াৰ বাবে প্ৰয়োজন হয় উপযুক্ত শিক্ষা ব্যৱস্থা, শিক্ষক, শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি আৰু শৈক্ষিক পৰিৱেশ। জ্ঞানৰ বিস্ফোৰণৰ এই যুগত বিষয় বস্তুৰ ওপৰত গভীৰ জ্ঞান থকা গতিশীল চিন্তাধাৰাৰ শিক্ষকৰ অতিকৈ প্ৰয়োজন। সেই বাবে কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে শেহতীয়াকৈ শিক্ষাৰ আমূল পৰিবৰ্তন ও সমগ্ৰ দেশতে সমান মানদণ্ড বিশিষ্ট শিক্ষা ব্যৱস্থা প্ৰচলন কৰাৰ পোষকতা কৰিছে। অসম চৰকাৰেও শিক্ষা ব্যৱস্থা সৰ্বভাৰতীয় স্তৰলৈ উন্নীত কৰিবলৈ ৰাজ্যৰ শিক্ষাখণ্ডত সংশোধনৰ আৰু সংযোজনৰ আঁচনি গ্ৰহন কৰিছে। তাৰ ফলশ্ৰুতিত যোৱা শিক্ষাবৰ্ষৰ পৰাই ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) ৰ আধাৰত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ পাঠ্যক্ৰমৰ ব্যাপক পৰিৱৰ্তন সাধন কৰিছে। স্নাতক পৰ্যায়ত চলিত বৰ্ষৰ পৰা ছেমিষ্টাৰ পদ্ধতি কাৰ্য্যকৰী কৰা পৰিলক্ষিত হৈছে। কিন্তু নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা শিক্ষা বৰ্ষত সঠিক সময়ত কৰ্তৃপক্ষই কিতাপৰ যোগান ধৰিব নোৱাৰাটো এক অঘোষিত নিয়মত পৰিণত হৈছে। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত যথেষ্ট ব্যাঘাত জন্মে। এই বেলিও যি দেখা গৈছে নতুন শিক্ষা বৰ্ষ আৰম্ভ হৈছে যদিও এতিয়ালৈকে কিছুমান বিভাগৰ অসমীয়া মাধ্যমৰ পাঠ্যপুথি উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা প্ৰকাশ নোহোৱাকৈ আছে। তাৰোপৰি এনে পৰিস্থিতিত খৰখেদাকৈ প্ৰকাশিত হোৱা কিতাপ সমূহত ভুলৰ মাত্ৰা অধিক দেখা যায়। উল্লেখনীয় যে নতুনকৈ গঠন হোৱা অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱে নতুন কিতাপ শিক্ষাবৰ্ষৰ আৰম্ভ হোৱাৰ দুই মাহ আগতে প্ৰকাশ কৰা হ'ব বুলি কৰা ঘোষণাই শিক্ষা ব্যৱস্থাত এই আসোঁৱা দূৰীকৰণ হ'ব বুলি সচেতন মহল আশাবাদী।

অলপতে পৰিকল্পনা আয়োগৰ তথ্যত প্ৰকাশ পাইছে যে, আমাৰ দেশৰ ৭৫% শিক্ষকক নিৰ্বাচনী কাম কাজ, লোক পিয়ল, মধ্যাহ্ন ভোজন ইত্যাদি অতিৰিক্ত কাম-কাজত নিয়োগ কৰা হয়। তাৰ ফলত শিক্ষানুষ্ঠান সমূহত পাঠদানত যথেষ্ট বাধাৰ সৃষ্টি হয়। অসমত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ অনুত্তীৰ্ণৰ হাৰ ১৩.৬% যিসময়ত সৰ্বভাৰতীয় পৰ্যায়ত ইয়াৰ গড় মান ৫.৪৯% কিছুমান ৰাজ্যত হেনো এই মান শূণ্য।

বৰ্ত্তমান তথ্য প্ৰযুক্তিৰ বিস্ফোৰণ ঘটা মূহুৰ্তত অৰ্হতাসম্পন্ন আৰু প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক অবিহনে ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান সম্ভৱ নহয়। যোৱা দিনবোৰত আমাৰ দেশৰ নিয়োগ ব্যৱস্থা পৰ্য্যবেক্ষণ কৰিলে দেখা যায়, ই সম্পূৰ্ণ নিকা নহয়। এই ব্যৱস্থাত থকা সুৰুঙাৰে বহুতো যোগ্যতাহীন ব্যক্তিয়ে বিশেষকৈ প্ৰাইমাৰী, মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক পদত নিযুক্তি লাভ কৰিছে। ৰাজনীতিকৰ হস্তক্ষেপ, অনিয়ম, দূৰ্নীতি (টকাৰ বিনিময়) আদিৰ বাবে নিযুক্তি লাভ কৰা শিক্ষকে শ্ৰেণীত মানদণ্ড বিশিষ্ট শিক্ষাদান কৰা দূৰৰ কথা কিছুমান পাঠদানৰ বাবে উপযুক্তই নহয়। আমাৰ সমাজ ব্যৱস্থা আৰু





মানসিকতা এনে পৰিস্থিতিৰ বাবে বহু পৰিমাণে দায়ী। প্ৰকৃততে যোগ্য শিক্ষক নিযুক্তি হৈছে নে নাই, এই বিষয়ে বেছি ভাগেই উদাসীন। তাৰ বিপৰীতে বহুতো অভিভাৱকে নিজৰ অযোগ্য সন্তানক শিক্ষকৰ চাকৰি এটাত যেনে তেনে নিয়োগ কৰিবলৈ দূৰ্নীতিৰ আশ্ৰয় লয়, আনকি টকা-পইচাৰ লেন-দেন কৰিবলৈ লজ্জাবোধ নকৰে। যেতিয়ালৈকে শিক্ষক নিযুক্তি দূৰ্নীতিমুক্ত নহয় তেতিয়ালৈকে অযোগ্য শিক্ষকৰ প্ৰয়োভৱ বন্ধ নহয়। অযোগ্য, দুৰ্বল ব্যক্তিত্ব, জ্ঞান-বুদ্ধিহীন ব্যক্তিসকলক শিক্ষক হিচাপে নিযুক্তি দি তেনে শিক্ষকৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কোনো পথ্যেই সম্ভৱ নহয়। শিক্ষক বাছনিত হোৱা দূৰ্নীতিৰ বাবে শিক্ষা বিভাগেই দায়ী। বাছনি কমিটি সমূহ ৰাজনীতিমুক্ত, দক্ষ, কৰ্তব্যনিষ্ঠ আৰু দেশৰ প্ৰতি, জনগণৰ প্ৰতি দায়বদ্ধ ব্যক্তিৰ দ্বাৰা গঠিত হ'লে আৰু যদিহে উচ্চ মানৰ বাছনি পৰীক্ষাৰ দ্বাৰা নিযুক্তি দিয়া হয়, তেন্তে নিযুক্তি প্ৰক্ৰিয়া নিশ্চিত ভাবে নিকা হ'ব। অৱশ্যে এই ক্ষেত্ৰত এইবেলি এক আশাৰ ৰেঙণি দেখা যায়, যদিহে আমাৰ বৰ্তমানৰ শিক্ষামন্ত্ৰী দেৱে ঘোষণা কৰা মতে নিযুক্তি প্ৰক্ৰিয়া সমূহ হয়। আনহাতে শিক্ষক সকলৰ পদোন্নতিৰ ব্যৱস্থা ৰাখি তাৰ বাবে ৰাজ্যিক স্তৰত পৰীক্ষা পতাৰ নিয়ম প্ৰৱৰ্তন কৰিলে জোলোঙাৰ মেকুৰী নিজেই ওলাই পৰিব। শিক্ষক এজনৰ ডিগ্ৰীটোৱেই মূল অৰ্হতা নহয়, মানসিক, চাৰিত্ৰীক, বৌদ্ধিক আদি দিশত উচ্চ মানদণ্ড বিশিষ্ট হ'ব লাগে। পুথিগত বিদ্যাই একমাত্ৰ মাপকাঠি নহয়। মানসিক আৰু নৈতিক দিশত নুন্যতম যোগ্যতা থকা উচিত। গুণগত শিক্ষা প্ৰদানৰ বাবে উপযুক্ত শিক্ষকৰ অভাৱ ই দেশৰ শিক্ষাৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বান। আদৰ্শ শিক্ষক নহলে ছাত্ৰ-ছাত্ৰীক প্ৰকৃত শিক্ষা দি সুনাগৰিক হিচাপে গঢ় দিয়া সম্ভৱ নহয়। সমাজৰ সৰ্ব স্তৰতে সম্প্ৰতি ভ্ৰষ্টাচাৰ আৰু দূৰ্নীতিয়ে ব্যাপক প্ৰসাৰ লাভ কৰিছে। বৰ্ত্তমান আমাৰ সমাজৰ গৰিষ্ঠ সংখ্যক লোকেই সহজলভ্য ধনৰ প্ৰতি লালায়িত। মানৱতা, আধ্যাত্মিকতা আটাইয়েকে কাতি কৰি থৈ কেৱল ধন ঘটাৰ মানসিকতা সমাজত গা কৰি উঠাত আজি বহুতো শিক্ষকে শিক্ষাদানক ব্যৱসায় হিচাপে বাছি লৈছে। বহুতো শিক্ষকে শিক্ষাদানলৈ পিঠি দি ৰাজনীতি, বিভিন্ন ব্যৱসায়, মাটিৰ দালালি, ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান খোলা, কমিছ'ন ভোগী ঠিকা, নেটৱাৰ্কিং ব্যৱসায় আদিত নিজকে নিয়োজিত ৰাখে। এই বেপাৰী শিক্ষক সকল শ্ৰেণী কোঠালৈ আহি ছাত্ৰ-ছাত্ৰীক পাঠদান কৰাৰ সময় উলিয়াব নোৱাৰে। কেতিয়াবা শ্ৰেণী কোঠালৈ আহিলেও পাঠ্য বিষয়ৰ সলনি প্ৰসংগ বিহীন আলোচনাৰে পাঠদানৰ সময় পাৰ কৰে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা শিক্ষকৰ মূল্যায়ণ আৰু কৰ্তৃপক্ষৰ দ্বাৰা তাৰ ওপৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিলে শিক্ষক সকল অধিক গতিশীল আৰু অধ্যয়নশীল হ'বলৈ বাধ্য হ'ব। এই মূল্যায়ন, ব্যৱস্থা বাধ্যতামূলক হ'লে শিক্ষা প্ৰদানৰ মানদণ্ড নিশ্চিত ভাবে কিছু উন্নত হ'ব।

পৰীক্ষাৰ বতৰত অসমৰ দৈনিক কাকত সমূহত সঘনাই পঢ়িবলৈ পোৱা যায় বিশেষকৈ মহাবিদ্যালয় সমূহত নকলক কেন্দ্ৰ কৰি শিক্ষক আৰু ছাত্ৰ- ছাত্ৰীৰ মাজত হোৱা সম্বন্ধৰ তিক্ততাৰ কথা। শিক্ষক ছাত্ৰৰ মাজত মাৰপিট, আমাৰ শিক্ষাজগতৰ বাবে এয়া নিশ্চই শুভলক্ষণ নহয়। মূলতঃ শিক্ষক ছাত্ৰৰ মাজত থকা মানৱীয় সম্পৰ্কৰ অৱনতি ঘটাৰ ফলতেই এনে ঘটনা ঘটিবলৈ পাইছে। ছাত্ৰই শিক্ষকক অপমান কৰা, ৰাজহুৱা বাবে অপদস্থ কৰা, প্ৰহাৰ কৰা আদি ছাত্ৰ শিক্ষকৰ মাজত সুমধুৰ সম্পৰ্কৰ যি স্খলন ঘটিব ধৰিছে তাৰ বাবে কেৱল ছাত্ৰ সমাজেই দায়ী নহয়। এচাম শিক্ষক আৰু কিছু সংখ্যক অভিভাৱকো সমানেই জগৰীয়া। গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক আৰু বৰ্ত্তমান সমাজ ব্যৱস্থাৰো লক্ষ্য একেটাই, যেনেতেনে পৰীক্ষাত অধিক নম্বৰ পাব লাগে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ সমূহত এপাক মাৰিলেই এই কথাৰ প্ৰমান পোৱা যায়। বহুতো অভিভাৱক বিশেষকৈ দূৰ্নীতিৰে ধনী হোৱা সকলে নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰি বিলাসী দুচকীয়া বাহন, দামী ম'বাইল

ছেট আদি আধুনিক সামগ্ৰীৰ যোগান ধৰি নিজে গৌৰৱান্বিত হয়। ফলস্বৰূপে তেনেকুৱা ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নতকৈ ভোগবাদৰ প্ৰতি অধিক আকৃষ্ট হয়। এনে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক অপমান কৰা, অপদস্থ কৰা, অসামাজিক আৰু অসাধু কাম কৰিবলৈ কুণ্ঠাবোধ নকৰা হয়। এইখিনিতে বৰ্তমান সমাজ ব্যৱস্থাৰ কথা মনত পৰাত কেইটিমান কথা উল্লেখ কৰিব বিচাৰিছো। নীতিৰ ফালৰ পৰা ইফাল সিফাল নোহোৱা লোকক আজিৰ সমাজে ধৰ্ম যুধিষ্ঠিৰ বুলি ইতিকিং কৰে। মহা প্ৰতাপেৰে জীৱন নিৰ্বাহ কৰিব পৰাটোই ধৰ্ম বুলি বিবেচিত হৈছে। ধৰ্ম-অধৰ্মৰ ধাৰণাৰ আমূল পৰিবৰ্তন হৈছে। ইয়াৰ সজ্ঞা সলনি হৈ যোৱা বুলি কলেও অত্যুক্তি কৰা নহ'ব। দূৰ্নীতি ভ্ৰষ্টাচাৰ এনেকৈ শিপাই গৈছে যে, নৱ প্ৰজন্মই এতিয়া ধৰ্মক অধৰ্ম আৰু দূৰ্নীতিক নীতি বুলি মানি লবলৈ বাধ্য হৈছে। শিক্ষকক ছাত্ৰই সন্মান নকৰাৰ আন এটা কাৰণ হ'ল বৰ্ত্তমান পাঠ্যক্ৰমত নীতি শিক্ষা, ভূগোল, বুৰঞ্জী আদি অৰ্ন্তভূক্তি নথকাটোও। এইবোৰ বিষয় বস্তু পাঠ্যক্ৰমত নথকা বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত জাতীয় চেতনা আৰু নৈতিকতা গঢ়ি নুঠে। কিছু বছৰ আগলৈকে শিক্ষক-ছাত্ৰৰ সম্পৰ্ক আছিল মধুৰ। শিক্ষক সকলে ছাত্ৰক শাসন কৰিছিল, শাস্তিও বিহিছিল আৰু মৰমো কৰিছিল। শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যাৰাজিৰ ওপৰত মনোনিৱেশ কৰিছিল আৰু একাগ্ৰতাৰে শ্ৰেণীত পাঠদান কৰিছিল।

এটা সময়ত শিক্ষক আছিল সমাজৰ আদৰ্শ আৰু নমস্য ব্যক্তি। আদৰ্শ শিক্ষক এজন ছাত্ৰ-ছাত্ৰীৰ তথা অভিভাৱকৰ অতি পূজ্য ব্যক্তি। আদৰ্শ শিক্ষক এজনে শিক্ষাদানক ব্যৱসায় সদৃশ বুলি গণ্য কৰিব নোৱাৰে। আগৰ দিনৰ শিক্ষক সকলে টিউচনৰ নামত শ্ৰেণীত পাঠদানত হেমাহি কৰা নাছিল। ছাত্ৰ-ছাত্ৰীয়েও শিক্ষকক শ্ৰদ্ধা আৰু সন্মান কৰিছিল। শিক্ষক সকলে অনুশাসন বা শাস্তি বিহিলে সেয়া ছাত্ৰ-ছাত্ৰীৰ ভালৰ বাবেই কৰা হৈছিল বুলি উপলব্ধি কৰিছিল। অভিভাৱক সকলে তাকলৈ কোনো ধৰণৰ হৈ-চৈ কৰা নাছিল, বৰঞ্চ শিক্ষকৰ কৰণীয় বুলিহে ভাৱিছিল। এতিয়া শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীক অনুশাসন কৰিবলৈ ভয় কৰে, কিয়নো এইলৈ গৰিষ্ঠ সংখ্যক অভিভাৱক অনাহকতে হৈ-চৈ লগাই অনুষ্ঠানৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰো চেষ্টা কৰা দেখা যায়।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাত শৈক্ষিক পৰিৱেশ উন্নত কৰি গুণগত শিক্ষাৰ দ্বাৰা মানৱ সম্পদ সৃষ্টি কৰি দেশৰ উন্নতি তথা শান্তি সম্প্ৰীতি আৰু ঐক্য সাধিবলৈ হলে শিক্ষক, ছাত্ৰ আৰু অভিভাৱকৰ মাজত সমন্বয়ৰ অতি প্ৰয়োজন। গতিকে অংক-শাস্ত্ৰ মতে এটা ত্ৰিভুজৰ বাবে যেনেকৈ তিনিটা বাহুৰ প্ৰয়োজন, ঠিক তেনেদৰে গুণগত শিক্ষাৰ বাবে শিক্ষক, ছাত্ৰ আৰু অভিভাৱকৰ মাজত সমন্বয়ৰ অতি প্ৰয়োজন।

আটাইতকৈ সুখী মানুহ হ'ল সেইজন- যিজনে অতি কম বস্তুকলৈয়ে সন্তুষ্ট হৈ থাকিব পাৰে।

—ছক্ৰেটিছ।





# বিদ্যালয় পাঠ্যক্ৰমত যৌন শিক্ষাৰ অন্তৰ্ভূক্তিৰ প্ৰাসঙ্গিকতা আৰু গ্ৰহণযোগ্যতা

ড° এম, এছ, শ্বেইখ
সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।
ফোন- ৯৯৫৭৫৮৮৬৫৬

বহল অৰ্থত যৌন শিক্ষা হ'ল- মানৱৰ যৌন অংগৰ গঠন, প্ৰজনন প্ৰক্ৰিয়া, প্ৰজনন ধৰণ, মিলন প্ৰক্ৰিয়া, মিলন ধৰণ, প্ৰজনন স্বাস্থ্য, আৱেগিক আৰু অনুভূতিময় সম্পৰ্ক (বিবাহ, ভালপোৱা, বন্ধুত্ব আদি) প্ৰজনন অধিকাৰ, প্ৰজনন দায়ৱদ্ধতা, যৌন প্ৰক্ৰিয়া, যৌন বিধি, প্ৰজনন অক্ষমতা, সন্তানহীনতা, জন্মনিৰোধক ব্যৱস্থাৱলী, জনসংখ্যা নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা আদিৰ সম্যক জ্ঞানৰ লগতে পিতৃ-মাতৃ, অভিভাৱক, সমাজ, চৰকাৰ, প্ৰশাসন, তদাৰককাৰী ব্যক্তি আৰু সন্থা, জনস্বাস্থ্য আৰু কৰিকৰী বিভাগ, বিদ্যালয় কৰ্ত্তৃপক আৰু কৰ্মকৰ্ত্তা, পৰিচালন দায়ৱদ্ধতা আদিৰ বিষয়ে শুদ্ধ আৰু সঠিক জ্ঞান অৰ্জন কৰাৰ বাবে গ্ৰহণ কৰা শিক্ষা আৰু শিক্ষা প্ৰণালীৰ বিতং অধ্যয়ন।

পুৰুষ আৰু স্ত্ৰীৰ আংগীক গঠনৰ পাৰ্থক্য আৰু বিকাশ, বয়সৰ পৰিসীমাৰ লগত প্ৰজনন ক্ষমতাৰ বিকাশ, বৃদ্ধি অথবা হ্ৰাস, বাহ্যিক আৰু আভ্যন্তৰীণ ৰাসায়নিক আৰু কায়িক পৰিৱৰ্ত্তন আদিয়ে দেহা, মন, মগজু, মানসিকতা, যৌৱনৰ বৰ্দ্ধিত আহ্বান, প্ৰয়োজন আৰু জীৱন শৈলীয়ে কেনেকৈ যৌনতাৰ মাধ্যমেৰে ব্যক্তিৰ জীৱন সুখময় নাইবা কন্টকময় কৰে। তাৰ প্ৰকৃত, বিজ্ঞান সন্মত আৰু মানৱীয় তথা ধৰ্মীয় প্ৰক্ৰিয়াৰে শিক্ষা প্ৰদান কৰাৰ উপযুক্ত মাধ্যমৰ ভিতৰত পিতৃ-মাতৃ, বন্ধু-বান্ধৱ, ধৰ্মীয় নেতা, জনসংযোগ আৰু প্ৰচাৰ মাধ্যম (দূৰদৰ্শন, দূৰভাষ, অনাতাঁৰ, আলোচনী, পত্ৰিকা, বাতৰি কাকত, তথ্যচিত্ৰ, চিত্ৰাংকন আদি) আৰু শিক্ষা গুৰুৱেই প্ৰধান।

জীৱ কুলৰ প্ৰজনন হ'ল- প্ৰকৃতি আৰু সৃষ্টিকৰ্তাৰ সাৱলীল লীলা আৰু মহত্বৰ বহিঃপ্ৰকাশ। যাৰ ফলস্বৰূপে সৃষ্টিকৰ্তাৰ ভক্তৰ সোঁত বোৱাই ৰখাৰ বাবে জীৱই প্ৰজননত লিপ্ত হয়। অৰ্থাৎ জৈৱ প্ৰয়োজন এটা বাস্তৱ আৰু চিৰন্তন সত্য। বেক্টেৰীয়া, ভাইৰাছ, ভেঁকুৰ, শেলুৱৈ, আদ্যপ্ৰাণীৰ পৰা আৰম্ভ কৰি জীৱ শ্ৰেষ্ঠ মানৱ আৰু সকলো প্ৰকাৰ উদ্ভিদে স্বধৰণ আৰু প্ৰক্ৰিয়াৰে যৌনতাৰ মাধ্যমেৰে জীৱনৰ বিশেষ স্তৰত প্ৰজননৰ দ্বাৰা বংশ বিস্তাৰ কৰে। অৱশ্যে অযৌনজনন (দ্বি বিভাজন, বহু বিভাজন) আৰু অংগজ জনন প্ৰক্ৰিয়াৰেও বহু জীৱই বংশ বিস্তাৰ কৰাটো প্ৰায়ে দেখিবলৈ পোৱা যায়। মানৱীয় আধাৰৰ এনে প্ৰজনন জীৱকুলৰ বাবে মঙ্গলজনক। কিন্তু যৌন নিৰ্যাতন, যৌন শোষণ, পুং আৰু স্ত্ৰী লিংগৰ সামাজিক অধিকাৰৰ বিসংগতি, কন্যা ভ্ৰূণ হত্যা, অপৈনত বয়সত গৰ্ভধাৰণ, কন্যা শিশুৰ প্ৰতি সামাজিক অসমতা, অবৈধ গৰ্ভধাৰণ, মুক্ত যৌনতা, যৌন ব্যৱসায়ী চক্ৰ, দেহা ব্যৱসায় বা বেশ্যাবৃত্তি, সংসাৰ ভঙা ব্যক্তিৰ যৌনক্ষুধা, বিবাহ বিচ্ছেদ আৰু যৌনতা, জীৱন সংগীৰ যৌন অসন্তুষ্টতা, পৃথক বৈবাহিক জীৱন ধাৰণ আৰু যৌনক্ষুধা, দৰিদ্ৰতা আৰু যৌনতা, সহজ অৰ্থ উপাৰ্জন পন্থা, অপৈণত আৱেগিক সম্পৰ্ক, নগৰীকৰণ আৰু যৌন উন্মুক্ততা, উদ্যোগীকৰণ আৰু যৌন শোষণ, নগ্নতা বাণিজ্যিকিকৰণ আৰু যৌনতা, ঘৰুৱা যুদ্ধ, গোষ্ঠী সংঘৰ্ষ, যুদ্ধ বিগ্ৰহ, প্ৰাকৃতিক দূৰ্যোগ আৰু অস্থায়ী শিবিৰ, সূচল যাতায়ত ব্যৱস্থা আৰু দেশী তথা বিদেশী পৰ্যটন সমাহাৰ, সামাজিক ভয় আৰু লাজকুৰীয়া স্বভাৱৰ বাবে কৰা গোপনীয়তা, নিচাসক্ততা (মদ্যপান, ড্ৰাগছ সেৱন

আৰু অনুবিদ্ধন (ভাং, আফিম, চৰছ, হিৰোইন, কোকেইন), ধঁপাত সেৱন (বিড়ি, চিগাৰেট, জৰ্দা, চাধা, গুটখা, শিখৰ আৰু ডেনড্ৰাইট আদি), কামোদ্দীপক ৰাসায়নিক দ্ৰৱৰ ব্যৱহাৰ (ভায়েগ্ৰা, ষ্টেৰয়ড হৰমন, ৰেপড্ৰাগছ বা ডিজাইনাৰ ড্ৰাগছ বা ধৰ্ষণ ড্ৰাগছ (একষ্টেছি, মিথামফিটামাইন ডি লাইছাৰজিক এছিড ডাই ইথাইল এমাইন, গামা হাইড্ৰঅক্সি বিউটাইৰেট আৰু ৰোহিপনল), চেতনা নাশক দ্ৰব্য, জন্তু মৈথুন, হস্তমৈথুন, লিভটুগেদাৰ সম্পৰ্ক, অনিয়ন্ত্ৰিত নিবনুৱা সমস্যা আৰু আভ্যন্তৰীণ ভাৱে স্থানান্তৰিত পৰিভ্ৰমী শ্ৰমিক, অভিভাৱকৰ অতিব্যস্তুতা আৰু সন্তানৰ প্ৰতি দায়বদ্ধতাহীনতা আদিয়ে কিদৰে যৌনব্যধি সমূহ মহামাৰী ৰূপে বিয়পাই সমাজখনক ঘূণীয়া কৰে তাৰ বিষয়ে জানিবলৈ আৰু মুক্তি লাভৰ শ্ৰেষ্ঠ মাধ্যম হ'ল বিদ্যালয়ৰ কিশোৰ-কিশোৰীক পাঠ্যক্ৰমৰ জড়িয়তে প্ৰকৃত যৌন শিক্ষা প্ৰদান কৰা।

অংগজ জনন বা অযৌন জনন, যৌন জনন, গৰ্ভধাৰণ প্ৰক্ৰিয়া, ভ্ৰূণৰ বিকাশ, বীৰ্যৰ বিকাশ আৰু নিঃসৰণ, ডিম্ব নিঃসৰণ আৰু ৰজৱতীকাল আদিৰ উপৰিও টেষ্টটিউব বেবি, ক্লনিং, সংকৰীকৰণ, বংশ বিস্তাৰত জৈৱ প্ৰযুক্তি আৰু মানৱৰ কল্যাণ আদিৰ উপৰিও আবেদনময়ী ৰ'বট পুতুলা যৌনতাৰ কুফলৰ বিষয়েও জ্ঞান থকা বৰ্ত্তমান প্ৰজন্মৰ বাবুকৈয়ে দৰকাৰ।

পৰিয়াল পৰিকল্পনা, জনবিস্ফোৰণ, বিশ্ব অৰ্থনীতি, দেশীয় অৰ্থনীতি, প্ৰদূষিত পৰিৱেশ আৰু বেমাৰ আজাৰৰ বৰ্দ্ধিত হেঁচা, মানসিক উত্তেজনা, বিকাৰগ্ৰস্থতা আদিও যৌন আচাৰ আৰু যৌনতাৰ লগত জড়িত সামাজিক উপকৰণ। স্মৰ্তব্য যে, যৌন ব্যধি সমূহে মানৱৰ প্ৰতিটো স্তৰ, দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ প্ৰতি ভাবুকি হৈ পৰিছে।

*অসাৱধান আৰু অবৈজ্ঞানিক যৌনতাৰ ফলত সৃষ্টি হোৱা প্ৰধান যৌন ৰোগৰ কাৰক, কাৰণ আৰু লক্ষণ সমূহ হ'লঃ-*

১। **ক্লেমাই ডিয়াছিছঃ** *(Chlamydia trachomatis)* বেক্টেৰীয়াৰ দ্বাৰা সংক্ৰমিত ৰোগবিধৰ লক্ষণ সমূহ হ'ল- স্ত্ৰীৰ পেচাবৰ সময়ত বিষ অনুভৱ, অতিমাত্ৰাত শ্বেতস্ৰাৱ, তলপেটত বিষ, সঙ্গমৰ সময়ত ৰক্তক্ষৰণ আৰু অন্তৰ্বৰ্তীকালীন ৰক্তক্ষৰণ। পুৰুষৰ লিঙ্গৰ মুৰৰ পৰা বগা এঠাযুক্ত জুলীয়া পদাৰ্থ ক্ষৰণ, অণ্ডোকোষত বিষ আৰু পেচাবৰ সময়ত বিষ আৰু জ্বলাপোৰা। অপৰিস্কাৰ আৰু অসুৰক্ষিত যোনী, মলদ্বাৰ আৰু মুখীয় যৌনতা, পুতলা ৰবট সম্ভোগৰ দ্বাৰা আক্ৰান্ত পুৰুষ আৰু স্ত্ৰীয়ে প্ৰজনন ক্ষমতা হেৰোৱাটো আটাইতকৈ বিপদজনক।

২। **গুপ্তাঙ্গৰ টেমুনাঃ** Human Papiloma Virus (HPV) ৰ দ্বাৰা সংক্ৰমিত যৌন ৰোগবিধে স্ত্ৰী-পুৰুষ উভয়ৰে গুপ্তাঙ্গ আৰু পায়ুছিদ্ৰৰ কেউকাষে অসংখ্য সৰু সৰু টান টেমুনাৰ সৃষ্টি কৰে। উপযুক্ত চিকিৎসাৰ অভাৱত এই টেমুনা সমূহে কৰ্কটলৈও ৰূপান্তৰিত হব পাৰে। বিশ্বব্যপী বছৰি ৩০ নিযুত মানুহে এই বিধ বেমাৰৰ দ্বাৰা আক্ৰান্ত হয়।

৩। **ইপিডাইডিমিটিটিছঃ** ক্লেমাইডিয়া বেক্টেৰীয়াৰ দ্বাৰা সংক্ৰমিত। বীৰ্য উৎপাদন স্থান আৰু শুক্ৰবাহী নলীত জ্বলন, শুক্ৰথলিত পানী আৰু পুঁজ জমাহোৱাৰ ফলত প্ৰজনন ক্ষমতা হেৰোৱাও পৰিলক্ষিত হয়।

৪। **ৰিয়েক্টিভ আৰ্থ্ৰিটিছঃ** ক্লেমাইডিয়া বেক্টেৰীয়াৰ দ্বাৰা সংক্ৰমিত ৰোগবিধ, গাঠিবিষ (আৰ্থ্ৰিটিছ) আৰু চকুৰ কনজাংটিভিটিছ লক্ষণে দেখা দিয়ে।

৫। **ইউৰিথ্ৰিটিছঃ** ক্লেমাইডিয়া বেক্টেৰীয়াৰ দ্বাৰা সংক্ৰমিত ৰোগবিধত মূত্ৰ নলীত জ্বলন হয়।

৬। **বাৰ্থলিনিটিছঃ** স্ত্ৰী জনন ৰন্ধ্ৰৰ দুইকাষে থকা শ্লেষ্মা ক্ষৰণকাৰী বাৰথলীন গ্ৰন্থিত ছিষ্টৰ সৃষ্টি কৰি পুঁজ জমা কৰাৰ মাধ্যমেৰে স্পৰ্শকাতৰ কৰি তোলে।

৭। **পেলভিক ইনফ্লেমেটৰি ডিজিজ ( PID)ঃ** ডিম্বাশয়, গৰ্ভাশয় আৰু জৰায়ুত ক্লেমাইডিয়াৰ সংক্ৰমণে জ্বলন বৃদ্ধিৰ লগতে প্ৰজনন অক্ষম কৰি তোলে।





৮। **গুপ্তাঙ্গ বা লিঙ্গীয় হাৰ্পেচঃ** স্ত্ৰী-পুৰুষ উভয়ৰে জনন নলীত হাৰ্পেচ ভাইৰাছ সংক্ৰমণৰ দ্বাৰা লিঙ্গ অত্যন্ত ৰঙা হোৱা, অতিমাত্ৰাত জ্বলনৰ লগতে ঘা হোৱাৰ উপৰিও ৰোগীক অতি সহজে এইডছৰ ভাইৰাছেও আক্ৰমণ কৰা দেখা যায়।

৯। **হেপাটাইটিছ-এঃ** সাধাৰণতে মলদ্বাৰৰ অবৈজ্ঞানিক যৌনতা নাইবা স্পৰ্শৰ ফলত গুহ্যৰ মাধ্যমেৰে সুস্থ ব্যক্তিৰ দেহত সংক্ৰমিত হয়। সমান্য জ্বৰ, চৰ্দী সদৃশ অসুস্থতা, ওজনৰ হ্ৰাস, পেটৰ বিষ, জণ্ডিছ আদি লক্ষণে দেখা দিয়ে।

১০। **চিফিলিচঃ** *Treponema pallidum* বেক্টেৰীয়াৰ দ্বাৰা সংক্ৰমিত ৰোগবিধ আক্ৰান্ত মাতৃৰ পৰা সন্তানৰ দেহলৈ বিয়পে নাইবা যৌনতাৰ জড়িয়তে সুস্থ ব্যক্তিৰ দেহলৈ বিয়পে। বিশ্বব্যপী প্ৰতি বছৰে প্ৰায় ২০ নিযুত নতুন মানৱ চিফিলিচৰ দ্বাৰা আক্ৰান্ত হয়। এই ৰোগৰ সাধাৰণ লক্ষণ সমূহ হ'ল- (ক) আদি স্তৰ- যোনী, পুৰুষাঙ্গ, পায়ুছিদ্ৰ, আৰু মুখৰ ভিতৰে বাহিৰে বেদনাহীন ঘা হয়। (খ) গৌণ স্তৰ- চৰ্দী সদৃশ অসুস্থতা, ভাগৰ লগা, বিভিন্ন গ্ৰন্থিৰ প্ৰবৰ্দ্ধন, ঠায়ে ঠায়ে খজুৱতী বিহীন চালফটা, যোনী আৰু পায়ুছিদ্ৰৰ কেউকাষে ক্ষুদ্ৰ চেপেটা টেমুনা, জিহ্বা আৰু মুখৰ ওপৰ পৃষ্ঠাত বগা দাগ আৰু চুলিত টাক লগা লক্ষণে দেখা দিয়ে। (গ) সুপ্ত তৃতীয় স্তৰ- হৃদযন্ত্ৰ আৰু স্নায়ুত আক্ৰমণ কৰে।

১১। **গণৰীয়াঃ** Neisseria gonorrheoae নামৰ বেক্টেৰীয়াই পুং আৰু স্ত্ৰী জনন ছিদ্ৰৰ ভিতৰ অংশ, মূত্ৰনলী, মলভাণ্ডৰ ভিতৰ, পায়ুছিদ্ৰ আৰু ডিঙিত সংক্ৰমণ কৰে। বিশ্বব্যপী প্ৰতি বছৰে প্ৰায় ৬২ নিযুত নতুন ও সুস্থ মানুহ গণৰীয়াৰ দ্বাৰা আক্ৰান্ত হয়। এই ৰোগৰ অতি গুৰুত্বপূৰ্ণ আৰু সাধাৰণ লক্ষণ সমূহ হ'ল- স্ত্ৰীব্যক্তিত অতিমাত্ৰাত উগ্ৰগোন্ধযুক্ত হালধীয়া নাইবা সেউজীয়া বৰণৰ স্ৰাৱ নিৰ্গমণৰ উপৰিও জৰায়ুৰ গৰ্ভধাৰণ ক্ষমতা হ্ৰাস হয়। পুৰুষৰ বেলিকা পুৰুষাঙ্গৰে বগা নাইবা হালধীয়া তৰল পদাৰ্থ নিঃসৰণ কৰে। তদুপৰি স্ত্ৰী-পুৰুষ উভয়তে পেচাবৰ সময়ত জ্বলন আৰু মল নিৰ্গমণৰ সময়ত অসহ্য পোৰণী এই ৰোগৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট। মুখীয়, পায়ুছিদ্ৰ আৰু যোনী যৌনতাৰ ফলত নাইবা পায়ুছিদ্ৰ আৰু যোনীৰ স্পৰ্শৰ মাধ্যমেৰে আক্ৰান্ত ব্যক্তিৰ পৰা সুস্থ ব্যক্তিলৈ এই ৰোগ বিয়পে। বিশ্বব্যপী বছৰি প্ৰায় ২০ নিযুত মানুহ এই ৰোগৰ দ্বাৰা আক্ৰান্ত হয়।

১২। **ট্ৰাইকমনিয়াছিছঃ** *Trcichomonas vaginals* নামৰ কশাযুক্ত আদ্যপ্ৰাণী বিধ যোনী আৰু স্ত্ৰী-পুৰুষ উভয়ৰে মূত্ৰ নলীত বসবাস কৰে। অতিমাত্ৰাত স্ৰাৱ ক্ষৰণ আৰু মূত্ৰনলীৰ জ্বলন এই ৰোগৰ মূল লক্ষণ। বিশ্বব্যপী বছৰি প্ৰায় ১৭০ নিযুত মানুহ এই ৰোগৰ দ্বাৰা সংক্ৰমিত হয়।

১৩। **গুপ্তাঙ্গৰ খজুৰতীঃ** গুপ্তাঙ্গৰ খজুৰতী এবিধ এৰাব নোৱাৰা সমস্যা। *Candida albicans* নামৰ ভেঁকুৰৰ পৰা ৰোগবিধ হয়। অপৰিস্কাৰ আৰু অস্বাস্থ্যকৰ অৱস্থাত বিশেষকৈ একাধিক যৌন সম্পৰ্কত এইবিধ ভেঁকুৰ উজ্জীৱিত হৈ খজুৱতীৰ লগতে ঘাৰো সৃষ্টি কৰে। যোনী, পুৰুষাঙ্গ আৰু মলদ্বাৰৰ কেউকাষে হোৱা খজুৰতী ৰ সময়ত চিকিৎসা নললে তেজৰ মাধ্যমেৰে দেহৰ আন অংশলৈও বিয়পিব পাৰে।

১৪। **এইডছ (AIDS- Acquired Immuno Deficiency Syndrome)ঃ** প্ৰধানত একাধিক যৌন সংস্পৰ্শ আৰু সমকামী যৌনতাৰ দ্বাৰা HIV (Human Immuno-deficiency Virus) ভাইৰাজ বিধ বীৰ্যৰস, যোনীৰস, স্তনৰ গাখীৰ আৰু চুম্বন তেজৰ মাধ্যমেৰে সুস্থ ব্যক্তিলৈ সংক্ৰামিত হয়। প্ৰাথমিক স্তৰত দুৰ্বল হোৱা, জ্বৰ উঠা, কাহ হোৱা, পেটৰ ৰোগ, পেশীৰ বিষ, ওজন হ্ৰাসৰ উপৰিও আন ৰোগজনকৰ দ্বাৰা (ভাইৰাছ, ভেঁকুৰ, বেক্টেৰীয়া, আদ্যপ্ৰাণী, এলাৰ্জেন্ট আদি) অতি সহজে আক্ৰান্ত হোৱা দেখা যায়। পৰৱৰ্তী স্তৰত ক্ৰনিক পেটৰ ৰোগ, যক্ষ্মা, কৰ্কট, নিউমনিয়া, ছালৰ ওপৰত ৰঙা চেকুৰা, মুখ আৰু ডিঙিৰ ৰোগ, হাড়ৰ মজ্জা ক্ষয়, ছালৰ খজুৱতী, ডিঙিৰ লসিকা নলী উখহী উঠা আদি লক্ষণে দেখা দিয়ে। বিশ্বত বৰ্তমান প্ৰায় ২০ নিযুত এইড্ছ ৰোগী আছে। ভাৰতবৰ্ষত এই সংখ্যা প্ৰায় ১.৭৫ নিযুত।

১৫। **এমিবীয় হাগনি** *(Entamoeba histolytica)* নামৰ আদ্য প্ৰাণীৰ দ্বাৰা সংক্ৰামিত হোৱা ৰোগবিধ পায়ু মৈথুনৰ পলত আক্ৰান্ত ব্যক্তিৰ পৰা সুস্থ ব্যক্তিলৈ বিয়পে। প্ৰথম অৱস্থাত পেট কামোৰণি আৰু পাছলৈ বগা শ্লেষ্মা বা তেজযুক্ত শ্লেষ্মা ক্ষৰণ এই ৰোগৰ প্ৰধান লক্ষণ। উপযুক্ত চিকিৎসাৰ অভাৱত মস্তিষ্ক, যকৃত, প্লিহা, বৃক্ক, হাওঁফাওঁ আদি গুৰুত্বপূৰ্ণ অংগত খোপনি পুতি ঘাঁ সৃষ্টি কৰে নাইবা পুঁজ জমা কৰি মৃত্যু মুখলৈ ঠেলি দিয়ে।

১৬। **তেজ হাগনি** *(Giardia lambila)* নামৰ কশাযুক্ত আদ্য প্ৰাণীৰ দ্বাৰা সংক্ৰামিত ৰোগবিধো পায়ু মৈথুনৰ ফলত আক্ৰান্ত ব্যক্তিৰ পৰা সুস্থ ব্যক্তিলৈ বিয়পে। তেজযুক্ত মল এইৰোগৰ মূল লক্ষণ।

১৭। **ড'ম'ভেনছিছ** প্ৰধানত বালিমাখিৰ দ্বাৰা সংক্ৰামিত হ'লেও যৌনতাৰ বাবেও Leishmania donovani নামৰ আদ্যপ্ৰাণী বিধ সুস্থ ব্যক্তিলৈ সংক্ৰামিত হয়। প্লীহা আৰু যকৃতৰ আকাৰ বৃদ্ধিৰ উপৰিও শুকান ছাল, হাগনী, নিউমনীয়া, যক্ষ্মা, আদিও দেখা দিব পাৰে।

১৮। **যৌনাঙ্গ কৰ্কট** বা *Cenital carcinoma* যোনী আৰু শিশ্নত ঘাঁ নাইবা টেমুনা সৃষ্টি কৰিব পৰা কাৰক সমূহৰ সংক্ৰামণৰ ফলত উপযুক্ত চিকিৎসাৰ অভাৱত দূৰাৰোগ্য কৰ্কট বেমাৰ লৈ ৰূপান্তৰিত হব পাৰে।একেদৰে জৰায়ু আৰু প্ৰষ্টেট গ্ৰন্থীৰো কৰ্কট হোৱাৰ উদাহৰণ আছে।

১৯। **গুপ্তাঙ্গৰ ওকণি**- *Phthirus pubis* আৰু *Sarcoptes scabiei* নামৰ বহিঃপৰজীৱি ওকণিয়ে স্ত্ৰী আৰু পুং গুপ্তাঙ্গৰ কেউকাষে থিতাপি লৈ তেজ শুহি খজুৱতি আৰু ঘা সৃষ্টি কৰে। অতিমাত্ৰা আক্ৰান্ত ৰোগীয়ে ৰক্তহীনতা আৰু নিদ্ৰাহীনতাত ভোগা দেখা যায়।

উপৰোক্তবোৰ উপৰিও কিছুমান বেক্টেৰীয়া- *Haemophilus ducreyi, Mycoplasms hominis, Ureaplasma urealyticum, Calymmatobacterium granulomatis, Campylobacter sp.,* বিবৰ্গৰ *Streptococcus* আদিয়ে নানান যৌন ৰোগ সংক্ৰামিত কৰে।

যৌনব্যধি বিয়পোৱাৰ ভয়াবহ আৰু অন্যতম কাৰক সমূহৰ ভিতৰত সৰ্বতো ঠন ধৰি উঠা নৈশক্লাব, ধাবা, মদৰ বাৰ, উৰন্ত ট্ৰাক ড্ৰাইভাৰ, পৰিভ্ৰমী শ্ৰমিক, সহজলভ্য কামোদ্দীপক ৰাসায়নিক পদাৰ্থ, ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়, নিচাসক্ত দ্ৰব্যৰ বহুল প্ৰচলন, কেঁচা তেজ-মঙহৰ ব্যৱসায়ীৰ বৰ্দ্ধিত হাৰ, আবেনময়ী যুৱক-যুৱতীৰ ভিৰ, ইন্টাৰনেটত সহজলভ্য নীলা ছবি, লিভটুগেদাৰ প্ৰথাৰ বৰ্দ্ধিত প্ৰচলন, বাণিজ্যিক প্ৰচাৰত যুৱক-যুৱতী নাইবা মডেলৰ নগ্নতা প্ৰদৰ্শন, ৰাজনৈতিক টোপস্বৰূপ যুৱতীৰ যৌন আবেদন, বৰ্দ্ধিত সমকামিতাৰ ন্যায়িক মান্যতা প্ৰদান আৰু কলা ধনৰ পাহাৰ আদিৰ বিষয়ে প্ৰকৃত জ্ঞান অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অতি প্ৰয়োজন । অন্যথা সমাজৰ চুকে-কোণে মকৰাৰ দৰে ঘাত পাতি সভ্য দানৱৰ কুটিল হাতোৰাত যিকোনো মুহূৰ্ত্তত বন্দিহৈ দেশৰ ভৱিষ্যত সম্পদ স্বৰূপ ছাত্ৰ-ছাত্ৰীসকলৰ সহজ সৰল জীৱনটো দূৰ্বিহ হোৱাটোত একো অস্বাভাৱিকতা নাই।

বিশ্ব স্বাস্থ্য সন্থা (WHO) ৰ মতে ২০০১ ত প্ৰকাশিত তথ্যনুযায়ী বিশ্বব্যপী ১৯৯৯ চনত ১৫-৪৯ বছৰ বয়সৰ নাৰী-পুৰুষৰ মাজত বছৰি ৩৪০ নিযুত নতুন ব্যক্তিয়ে চিফিলিচ, গণৰীয়া, ক্লেমাইডিয়া আৰু ট্ৰাইকমনিয়াছিছৰ দ্বাৰা আক্ৰান্ত হয়। ২০১০ চনৰ তথ্যনুযায়ী আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমকামী মানুহৰ প্ৰতি পাঁচজনৰ এজনকৈ HIV দ্বাৰা সংক্ৰামিত। তাতোকৈ ভয়াবহ দিশটো হ'ল প্ৰতি বছৰে যৌন ৰোগৰ দ্বাৰা আক্ৰান্ত ২৪০০০ মহিলাই প্ৰজনন ক্ষমতা হেৰোৱা। অৰ্থাৎ আধুনিক জীৱনশৈলীয়ে পাৰমাণৱিক বোমাতকৈও অধিক ক্ষতিকাৰক যৌনৰোগ মানৱ দেহাত বিয়পাই সমগ্ৰ মানৱ সমাজক তিলে তিলে পঙ্গু কৰি আছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ SIECUS *(Sexuality Information and Education Council)* ৰ অধ্যয়ন মতে নিম্ন আৰু মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ৮৮ শতাংশ পিতৃ-মাতৃ আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৮০ শতাংশ পিতৃ-মাতৃয়ে বিদ্যালয়ৰ পাঠ্যক্ৰমত যৌন শিক্ষাৰ অন্তৰ্ভূক্তিয়ে ল'ৰা-ছোৱালীক যৌৱন প্ৰাপ্ত হোৱাৰ জ্ঞান দিবলৈ বা যৌৱনৰ লগত জড়িত সমস্যা সমূহ বুজাবলৈ সুবিধা হব বুলি মত পোষণ কৰে। বৰ্দ্ধিত হাৰৰ যৌন অপৰাধ আৰু যৌনব্যধিৰ দ্ৰুত বৃদ্ধি আৰু ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি এই মহাব্যধিৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ উপায় হিচাবে আমাৰ দেশৰ বিদ্যালয় বা মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত যৌন শিক্ষাৰ অন্তৰ্ভূক্তি নিশ্চয় বিবেচনাযোগ্য।

*********





# নৱজ্যোতি মহাবিদ্যালয়খনৰ চমু ইতিবৃত্তি

*খন্দকাৰ আব্দুল গফুৰ*
ভাৰপ্ৰাপ্ত অধ্যক্ষ,
নৱজ্যোতি মহাবিদ্যালয়।

নৱজ্যোতি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ ভাৰতীয় গাৱঁলীয়া উচ্চ শিক্ষা পদ্ধতিৰ উন্নতি কল্পৰ এক নিদৰ্শন। কোনো বিশেষ প্ৰয়োজন সাপেক্ষে প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদ জনীয়া সমষ্টিৰ বিধায়ক হৈ থকা অৱস্থাত তেওঁৰ সহযোগী আব্দুল কাদেৰ বাবু, আলহাজ মোছলেম উদ্দিন আহমেদ, ইন্তাজ আলী চৌধুৰী, আব্দুল কদ্দুছ দেৱানী, মোজাফৰ আলী ভূঞা, ইমান আলী মাষ্টাৰ আদি স্থানীয় ব্যক্তি, সৰভোগৰ ৰোমেজ আলী আৰু প্ৰাক্তন মন্ত্ৰী আতাউৰ ৰহমান চাহাবৰ প্ৰচেষ্টাত ১৯৭১ চনত নৱজ্যোতি মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰে আৰু বাস্তৱত ৰূপায়িত কৰিবলৈও সক্ষম হয়। উচ্চ শিক্ষাৰ ডিগ্ৰীধাৰী ব্যক্তি সকলৰ স্থানীয় অধ্যক্ষ বছিৰ উদ্দিন আহমেদ পিছলৈ আব্দুছ ছাত্তাৰ আহমেদ, উপাধ্যক্ষ এম, মোজাম্মেইল হুছেইন, কাজী ওমৰ আলী, (অধ্যাপক, বুৰঞ্জী বিঃ), আঃ ছালাম (বড়বাবু) আব্দুল বাৰেকক চকীদাৰ হিচাপে লৈ কলেজখন আৰম্ভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক আঃ লতিফ চাহাবে কলেজখনৰ শুভ দ্বাৰ উন্মোচন কৰে। স্থানীয় উলামায়ে-কেৰাম ঝাৰাবাড়ী নিবাসী হুজুৰ প্ৰমুখ্যে ব্যক্তি সকলে কলেজখনৰ বাবে দোয়া কৰে আৰু ইয়াৰ স্থায়িত্ব কায়েম হোৱাৰ কাৰণে মোনাজাত কৰা হয়। ইয়াৰ মূল লক্ষ্য আছিল বৃহত্তৰ কলগাছিয়া অঞ্চলৰ সংখ্যালঘু শ্ৰেণীৰ মানুহৰ ন-পুৰণি সকলক উচ্চ শিক্ষাৰ পথত ধাউতি সৃষ্টি কৰা।

বৃহত্তৰ কলগাছিয়া অঞ্চলৰ ৰাইজৰ একনিষ্ঠা, একাগ্ৰতা আৰু উদ্দোমৰ ফলত আজি এক পূৰ্ণ পৰ্যায়ৰ শৈক্ষিক পৰিৱেশলৈ গঢ়লৈ উঠিছে একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়। সমাজৰ সৰ্ব্ব নিম্ন স্তৰৰ কামলা, মজুৰি খোৱা গৰীব দুখীয়া, খাব নোপোৱা জনৰো ল'ৰা-ছোৱালীয়ে বি, এ, পাছ কৰিবলৈ সক্ষম হৈছে। তাৰ বাবে অঞ্চলৰ ৰাইজৰ মনত উচ্চশিক্ষাৰ আশাৰ ৰেঙনি উথলি উঠিছে। নৱজ্যোতি মহাবিদ্যালয়খন এক সংহতিৰ বাহক হিচাপে পৰিলক্ষিত হৈছে। নানা বাদ বিসম্বাদ নেওচি কলেজখনৰ উন্নতি কৰাত বৃহত্তৰ কলগাছিয়াৰ ৰাইজ এক। কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকা কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকল নিজৰ জীৱনতকৈ সন্মান আৰু ত্যাগ স্বীকাৰ কৰে। জ্ঞান মন্দিৰ বুলি পূজনীয় সকলোৰে আঠুকাঢ়ি লয়। কেইবা হাজাৰো চাকৰিয়াল বিভিন্ন চাকৰিত নিয়োজিত এইখন মহা মন্দিৰৰ প্ৰমান পত্ৰৰ একমাত্ৰ ঠিক্নাতেই। উজলাই তুলিছে কলেজৰ গৌৰৱ অসমৰ বিভিন্ন বিভাগত মকৰল পাই। অভিভাৱক সকল ধন্য মানিলে কলেজৰ পাঠদান দিয়া প্ৰৱক্তা সকলৰ ওচৰত। চিৰঋণী বুলি নিজকে স্বীকৃতি দিলে তেওঁলোকৰ ঘৰত এজন চাকৰিয়াল পাই। বিভিন্ন প্ৰান্তৰ পৰা ক'লা, বিজ্ঞান বিভাগত এডমিচনৰ বাবে আহে অভিভাৱকসকল। ছাত্ৰ-ছাত্ৰী সকলৰ নৈতিক দায়িত্ব আৰু কৰ্ত্তব্য কলেজৰ ইজ্জত অক্ষুন্ন ৰাখিবলৈ যতপৰনাস্তি চেষ্টা কৰি আহিছে। প্ৰৱক্তা, কৰ্মচাৰী, চকীদাৰৰ পৰা দিনে নিশা কলেজৰ দ্বাৰতেই নিজকে কামত নিয়োজিত কৰিবলৈ আনন্দ পাইছে। কলেজৰ চৌপাশে ক্ৰমান্বয়ে অধ্যক্ষজনৰ প্ৰচেষ্টাত বিল্ডিং বিলাকৰ কাম দোপত দোপে আগবাঢ়ি গৈ এক জ্ঞানৰ অট্টালিকাত পৰিণত হৈছে। বিভিন্নজনৰ পৰা আয়োজিত আলোচনা চক্ৰ পাতি ইয়াৰ বৌদ্ধিক পৰিসৰৰ লগত বাহিৰৰ বৌদ্ধিক সংমিশ্ৰণ কৰি, ডাক্তৰ সকল, পৰিৱেশ, স্বাস্থ্য, চকু চিকিৎসা,

[illegible] সকল, আৰু অসম সাহিত্য সভাৰ সভাপতি আৰু বৌদ্ধিক চাম কলেজখনৰ সৈতে আকৃষ্ট আৰু একাত্মক হৈছে। অসম সাহিত্য সভাৰ প্ৰতিনিধি শিবিৰৰ প্ৰতিনিধি বৰ্গই মহাবিদ্যালয়খনৰ উচ্চাসনত উন্নীত আৰু প্ৰতিষ্ঠিত হোৱাত আনন্দ পাইছে। ইয়াৰ কৰ্মঠ মানুহৰ শ্ৰমৰ বলত ইয়াৰ চৌপাশৰ সভ্যতাৰ সংস্কৃতিয়ে সকলোৰে মনোগ্ৰাহী হৈছে। বছৰে বছৰে উন্নতমানৰ কলেজৰ ফলাফল আৰু ক'লা-কৃষ্টি, সংস্কৃতি, সাহিত্য বিস্তাৰ মুখী এক উন্নয়নমূলক পৰিৱেশ গঢ় লোৱাত সামগ্ৰীক ভাৱে সমাজখনক উন্নতিৰ পথলৈ আগুৱাই লৈ গৈছে। কলেজখনৰ ছাত্ৰী নিবাসত ৮০জনী ছোৱালীৰে বেষ্টিত আৰু ৯০ জন ল'ৰাৰে বেষ্টিত ছাত্ৰাবাস, জিৰণি চ'ৰা এক উল্লেখনীয় গাৱঁলীয়া শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰিছে। কলেজ কেম্পাচৰ সংলগ্ন দক্ষিণ ফালে ১০০ ফুট দীঘল আৰু ৫০ ফুট বহল মাছপোহা পুখুৰীলৈ উন্নীত কৰা হৈছে আৰু ইয়াৰ পাৰৰে দক্ষিণে বিৰাট খেলা-ধূলাৰ ফিল্ডখনত নানা ধৰণৰ খেলা-ধুলাৰ উপৰিও সাংস্কৃতিক অনুষ্ঠানে উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীৰ সৈতে খেল প্ৰতিযেগিতা, সঙ্গীত সন্ধিয়া, আঞ্চলিক ক্ৰিড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা এক সৌন্দৰ্যময় পৰিৱেশে আপ্লুত কৰিছে। কলেজ লাইব্ৰেৰীত শাৰী শাৰী কিতাপ, আলোচনী, বাতৰি কাকত, বিভিন্ন ধৰণৰ জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় জাৰ্নেল পঢ়ি শৈক্ষিক প্ৰগতি, সংস্কৃতি, সাম্প্ৰদায়িক সম্প্ৰীতি, চিন্তাধাৰা অনুধাৱন কৰাত সহায় কৰিছে। কলেজ কেণ্টিন, ছাত্ৰৰ ইউনিয়ন হল সুকীয়া অনুষ্ঠানে ছাত্ৰ-ছাত্ৰী প্ৰৱক্তাসকলৰ মাজত সম্প্ৰীতিৰ সজাগতা সৃষ্টি কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত হৈছে। সমপৰ্যায়ৰ NAAC (National Assesment & Accreditation Council) নামৰ আয়োগ এখনৰ স্বীকৃতি প্ৰাপ্তিৰ পথত অগ্ৰসৰ হৈছে। কলেজৰ অধ্যক্ষ, শিক্ষক, কৰ্মচাৰী,ছাত্ৰ-ছাত্ৰী,অভিভাৱক আৰু পুৰণি ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাৰে এখন আহ্বায়ক কমিটি আৰু কেইবাটাও উপ-সমিতি গঠন কৰি কলেজখনৰ কৃতিত্ব আৰু বিভিন্ন শিতানৰ উচ্চশিক্ষাৰ মানদণ্ড উন্নীত কৰাত অৰিহণা আগবঢ়াইছে।

কলেজখনৰ ৰাজনীতি বিজ্ঞান বিভাগত হায়াৰ ছেকেণ্ডাৰী পৰ্যায়ত কেইবাবছৰে প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰীয়ে লেটাৰসহ পাছ কৰি সুনাম অৰ্জ্জন কৰি কলেজৰ শ্ৰীবৃদ্ধি কৰিছে। এই কলেজৰ তেনে ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হৈ বিভিন্ন কলেজত অধ্যাপনা আৰু চৰকাৰৰ বিভন্ন বিভাগত চাকৰী জীৱন অতিবাহিত কৰিছে। অসম লোক সেৱা আয়োগৰ দ্বাৰা বাছনি প্ৰাপ্ত হৈ ভালেকেইজন এ, ছি, এছ, পৰ্যায়ৰ চাকৰীত মকৰল হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ আগশাৰীৰ ছাত্ৰ-ছাত্ৰীত পৰিগণিত হৈছে। ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক সকল যথাক্ৰমে এম, মোজাম্মেল হুছাইন, (উপাধ্যক্ষ), ড° ছোলেমান মণ্ডল, অধ্যাপিকা ৰৌশনাৰা আকতাৰ আৰু ড° ফখৰুল আলমৰ প্ৰচেষ্টাত আৰু অধ্যক্ষজনৰ বিভাগটোৰ প্ৰতি শুভদৃষ্টি থকাৰ বাবেই আশাতীত সফলতা দেখুৱাবলৈ আৰু কলেজখনৰ গোটা শৈক্ষিক পৰিৱেশ উন্নীত কৰাত সহায় কৰি আহিছে।

NAAC (National Assesment and Accrediation Council) ৰ পৰামৰ্শ মৰ্মে বিশ্ববিদ্যালয় অনুদান আয়োগে গাঁৱলীয়া উচ্চ শিক্ষাৰ অনুষ্ঠানটোক প্ৰয়োজনীয় আহিলাপাতি যোগান ধৰিলে নগৰ-চহৰৰ মহাবিদ্যালয়ৰ লগত ফেৰ মাৰিবলৈ কোনো গুণে তল নপৰিব। মহাত্মা গান্ধীৰ গাওঁৰ শিক্ষা নীতি বিস্তাৰ কৰাত নৱজ্যোতি এক আদৰ্শ অনুষ্ঠান হিচাপে ৰাষ্ট্ৰীয় সুনাম অৰ্জ্জন কৰিবলৈ সহায়ক হব। ক্ৰমাগত ভাৱে অসমৰ গাওঁ অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানে চহৰ-নগৰতকৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্যন্ত আশানুৰূপে ফলাফল দেখুৱাবলৈ সক্ষম হৈ ধৰিছে। অসমৰ সংখ্যালঘু এলেকাৰ প্ৰাণ কেন্দ্ৰস্থলৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়ৰ পৰা তেনে ফলাফল ৰাজ্যখনৰ শতকৰা ৫০ ভাগ মানুহে আশা পালি আছে। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সুদৃষ্টি থাকিলে





NAAC (National Assesment and Accrediation Council) আমাৰ মহাবিদ্যালয়খনলৈ ইয়াৰ শৈক্ষিকপৰিৱেশ চাই UGC লৈ অনুৰোধ কৰিব। UGC ৰ অনুদানলৈ মহাবিদ্যালয়খনৰ প্ৰয়োজনীয় সা-সঁজুলি উপযুক্ত দৃষ্টিৰে ইয়াৰ উন্নত্তিৰ পদক্ষেপ ললে আমাৰ মহাবিদ্যালয়খনে চহৰৰ উচ্চশিক্ষাৰ অনুষ্ঠানতকৈ ভাল ফলাফল দিব। ৰাজনীতি বিজ্ঞান বিভাগলৈ স্নাতকত্তোৰ পাঠ্যক্ৰম খুলিলে আমাৰ মহাবিদ্যালয়ৰ পৰা অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে এম, এ, ডিগ্ৰী লবলৈ সক্ষম হব। কিয়নো চহৰ-নগৰত অতিমাত্ৰা খৰচ নকৰি কম খৰচতে গৰীব মেধাবী ছাত্ৰ-ছাত্ৰীয়ে Master Degree লোৱাৰ সুযোগ পাব। কলেজখনৰ পৰীক্ষা সংক্ৰান্ত বিশ্ববিদ্যালয় স্তৰতকৈ অধিক কটকটীয়া। কেৱল গুণগত মানদণ্ডৰ ছাত্ৰ-ছাত্ৰী সৃষ্টি কৰাৰ কাৰণে ১৯৭৯ চনত অসম ছাত্ৰ সন্থাৰ আন্দোলনৰ সময়তো অধ্যাপক সকলে ছাত্ৰ-ছাত্ৰীয়ে কলেজৰ পৰীক্ষা Hall ত ডেগাৰ, হানা সংস্কৃতিকো ভয় কৰা নাছিল। তাৰো উদাহৰণ আমাৰ মহাবিদ্যালয়ত আছে আৰু ভৱিষতলৈ থাকিব। পুৰণি ছাত্ৰ-ছাত্ৰীৰ বাবে এইখন সেই নৱজ্যোতিৰ গৰ্ভত অতীতৰ নানা বৈচিত্ৰময় ঘটনা নিজৰ জীৱন কাহিনীবোৰৰ লগত ইয়াৰ বায়ু পানীৰে টেপ ৰেকৰ্ড কৰাৰ দৰে স্মৃতিৰ অদৃশ দৃশ্যত লুকাই ৰাখিছে। উচ্চ আসনত অধিষ্ঠিত বহুত চাকৰিয়ালৰ বাবে এতিয়া এই ঠাইখন আনন্দকৰ হলেও কৰ্মব্যস্ততাত আহিবলৈ সময়হে নুঠে। বহুত নতুন মুখ আজি বাৰ্দ্ধক্য, বহুত কলা চুলি আজি বগা, বহুত ঘূৰিফুৰা সকল আজি কৰ্মব্যস্তময়-চাকৰিয়াল, সমাজ সেৱক, পথ প্ৰদৰ্শক, সমাজ পৰিবৰ্ত্তক উল্লেখনীয় ব্যক্তিত্বত পৰিণত হৈছে সেয়া মহাবিদ্যালয়খনৰ এক গৌৰৱময় ইতিহাস। এইখন মহাবিদ্যালয়ৰ লগত অধ্যয়নৰ জড়িয়তে এক বৃহৎ নৱজ্যোতি মহাবিদ্যালয় সমাজত পৰিণত হৈছে। এই বিশাল সমাজখনে দেশৰ ৰাজনৈতিক শিপা পৰিকল্পনাত আত্মনিয়োগ কৰিছে। একেটা পৰিয়ালৰ বিভিন্ন Hall বোৰৰ পৰা ওলাই পৰিয়ালৰ মূৰব্বী সদৃশ অধ্যক্ষজনৰ পৰা অসম মাতৃৰ চৌপাশে উপযুক্ত সন্তান ৰূপে নৱজ্যোতিক পৰিচয় দিব পাৰিছে সেইটোৰেই নৱজ্যোতিৰ গৌৰৱ।।

*********

> অপ্ৰয়োজনীয় আৰু আড়ম্বৰপূৰ্ণ ঘৰে মানুহৰ মনলৈ অহংকাৰৰ ভাব আনে, যদিও তেওঁ সেইটো অনুভৱ কৰিব নোৱাৰে।
>
> —হজৰত মহম্মদ (ছঃ)



# আলু

**হানিফ মোস্তাক আহমেদ**
সহযোগী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ,
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

আলুৰ ইতিহাস বুলি কলে বহুতেই ঠাট্টা মস্কৰা বুলিব পাৰে, কিন্তু অলপ দকৈগমী চালে দেখা যায় যে, বৰ্ত্তমান বিশ্বত আলু এবিধ মূখ্য খাদ্য সামগ্ৰী আৰু বিশ্বৰ বিভিন্ন অংশত দেখা দিয়া ব্যাপক দুৰ্ভীক্ষ মোচনত আলুৰ ভূমিকা অপৰিসীম, সেয়ে ৰাষ্ট্ৰ সংঘৰ কৃষি আৰু খাদ্য সংস্থাই ২০০৮ চনৰ বছৰটো আন্তৰ্জাতিক আলুবৰ্ষ হিচাপে পালন কৰি উন্নয়নশীল আৰু দৰিদ্ৰ দেশৰ কৃষক সকলক আলু খেতিৰ জৰিয়তে খাদ্য ঘাটি পূৰণ কৰি দুৰ্ভীক্ষ মোচনৰ পৰামৰ্শ আগবঢ়াইছে।

ভাৰতীয় ৰন্ধন প্ৰক্ৰিয়াত আলু এবিধ মূখ্য আৰু অপৰিহাৰ্য উপকৰণ, আলু ভাজি, আলুৰ চ'প, আলুৰ তৰকাৰী, আলুপৰঠা, আলুৰ দাইল, আলুৰ চিপ, ইত্যাদি হ'ল ভাৰতীয় সকলৰ দৈনন্দিন আহাৰৰ উপকৰণ। যি আলু বৰ্ত্তমান ভাৰতবাসীৰ খাদ্য তালিকাৰ এক অপৰিহাৰ্য আৰু মূখ্য উপকৰণ আজিৰ পৰা পাঁচশ বছৰ আগতে ভাৰতবাসীৰ বাবে সেই আলু আছিল সম্পূৰ্ণ অপৰিচিত। ঐতিহাসিক সকলৰ মতে মোগল সম্ৰাট জাহাংগীৰৰ ৰাজত্ব কালত ইউৰোপৰ বণিক সকলে পোন প্ৰথম বাৰৰ বাবে ভাৰতবৰ্ষত আলুৰ প্ৰচলন কৰে আৰু এই ইউৰোপীয় ব্যৱসায়ী সকলেই প্ৰকৃততে বিশ্বৰ বিভিন্ন প্ৰান্তত আলুৰ প্ৰচলন কৰি আলুক বিশ্ব ব্যাপী খাদ্যৰ মৰ্যদা প্ৰদান কৰে।

ইউৰোপৰ বণিক সকলে গোটেই বিশ্বত আলুৰ প্ৰচলন কৰিলেও আলুৰ উৎপত্তিস্থল কিন্তু ইউৰোপ নহয়। আলুৰ উৎপত্তিস্থল হ'ল দক্ষিণ আফ্ৰিকাৰ ব'লিভিয়া আৰু পেৰুৰ মাজৰ সুউচ্চ এণ্ডিচ পৰ্বতমালাৰ ৩৮০০ মিটাৰ উচ্চতাত অৱস্থিত লেক্‌টিটিকাকা নামৰ ঠাই ডোখৰ। লেক্‌টিটিকাকা অঞ্চলৰ চিলিকা আৰু কেনিতন গুহাত পোৱা জীৱাশ্মৰ অধ্যয়নৰ পৰা ঐতিহাসিক সকলে অনুমান কৰিছে যে, এই অঞ্চলত বৰ্ত্তমানৰ পৰা প্ৰায় সাত হাজাৰ বছৰ আগতেই আলু উৎপাদন কৰা হৈছিল।

আজিৰ পৰা আঠ হাজাৰ বছৰ আগতে মানুহে যেতিয়া চিকাৰী আৰু সংগ্ৰহকাৰী আছিল, সেই সময়ত টিটিকাকা অঞ্চলত প্ৰাকৃতিক ভাবেই প্ৰচুৰ আলু উৎপন্ন হৈছিল। আলুক খাদ্য হিচাপে নিৰ্বাচন কৰি তাক পোহনীয়াকৰণ প্ৰক্ৰিয়া দীঘলীয়া আছিল, যদিও আলু পোহনীয়া হোৱাৰ পাছত টিটিকাকা হ্ৰদৰ কাষত বসবাস কৰা লোক সকলৰ ওচৰত প্ৰচুৰ পৰিমাণৰ খাদ্য সামগ্ৰী জমা হয়। এহাতে এণ্ডিছ উপত্যকাৰ জলবায়ুত প্ৰচুৰ পৰিমাণে আলু উৎপাদিত হৈছিল আনহাতে তাৰ স্থানীয় বাসিন্দা সকল আলুৰ প্ৰতি যথেষ্ট মোহিত হৈ পৰিছিল।

আলু খেতিক কেন্দ্ৰ কৰি সেই অঞ্চলত এক সভ্যতাই গঢ়লৈ উঠিছিল তাৰ পাছত মেইজ আৰু জলসিঞ্চন ব্যৱস্থাৰ উদ্ভাৱনে মেছ'আমেৰিকা হুৱাৰী সভ্যতা উদ্ভৱ হোৱাৰ সমান্তৰাল ভাবে টিয়াহুৱানাকু নামৰ এক নগৰ কেন্দ্ৰীক ৰাজ্য গঢ়ি উঠাৰ মূলতে আছিল, লেক্‌টিটিকাকাৰ উচ্চ ভূমিত প্ৰযুক্তিগতভাবে পানী যোগান ব্যৱস্থাৰ ফলত হেক্টৰ প্ৰতি দহ টনকৈ আলুৰ উৎপাদন। টিয়াহুৱানকু আৰু তাৰ ওচৰে-পাজৰে সেই সময়ত জনসংখ্যা প্ৰায় পাঁচ লাখ হোৱাৰ মূলতে আছিল খাদ্য হিচাপে আলুৰ প্ৰাচুৰ্য।

তাৰ পৰৱৰ্তী সময়ত এই অঞ্চলত ইনকা সভ্যতা গঢ়লৈ উঠে আৰু কলম্বাছে আমেৰিকা আৱিস্কাৰ কৰাৰ আগলৈকে





ইনক্া সকলে এক বিৰাট সাম্ৰাজ্য গঢ়ি তুলিছিল। ইন্‌কা সাম্ৰাজ্য বৰ্তমানৰ আৰ্জেনটিনাৰ পৰা কল'ম্বিয়ালৈকে বিস্তৃত আছিল। ইন্‌কা সকলে আগৰ উচ্চ ভূমিৰ সংস্কৃতি গ্ৰহণ কৰিছিল আৰু তাৰ উন্নয়ন সাধন কৰিছিল। মেইজ ইন্‌কা সকলৰ প্ৰধান খাদ্য আছিল যদিও সাম্ৰাজ্যৰ খাদ্যৰ নিশ্চয়তা আছিল আলু।

ইন্‌কা সাম্ৰাজ্যত চকলিওৱা শুকান আলু সংৰক্ষণৰ বাবে বিশেষ ভাবে বৃহৎ বৃহৎ শীতল গৃহ নিৰ্মাণ কৰা হৈছিল। হীম গৃহত সংৰক্ষিত আলু ইন্‌কা সকলে ছয়-সাত বছৰলৈ সংৰক্ষণ কৰি ৰাখিব পাৰিছিল। শীতল গৃহত সঞ্চয় কৰি ৰখা আলু চৰকাৰী বিষয়া, সামৰিক বাহিনী, শ্ৰমিক আৰু জৰুৰীকালীন অৱস্থাত সাধাৰণ জনগণৰ বাবে যোগান ধৰিছিল।

তাৰ পাছত ১৫৩২ চনৰ পৰা ১৫৭২ চনলৈ স্পেনিছ সকলৰ আক্ৰমণত ইন্‌কা সভ্যতাৰ বিস্তৰ ক্ষতি হয়, মুঠ জনসংখ্যাৰ অৰ্দ্ধেক মৃত্যু মুখত পৰে, ইন্‌কা সভ্যতা ধ্বংস হয়। ইউৰোপীয় অনুসন্ধানকাৰী সকল আচলতে সোণৰ সন্ধানত পেৰুলৈ গৈছিল যদিও তাৰ পৰা ঘূৰি আহিল আলুলৈ।

ইন্‌কা সকলৰ চৰম বিপৰ্যয়ৰ যোগেদি পেৰুৰ পৰা আলু গোটেই বিশ্বত বিয়পি পৰিছিল, যদিও বিশ্ববাসীৰ বাবে সেয়া আছিল এক সুদূৰ প্ৰসাৰী আশীৰ্বাদ। কলম্বাছে নতুন পৃথিৱীত পদাৰ্পন কৰাৰ সময়ত ইউৰোপীয় সকলৰ আলুৰ সৈতে কোনো প্ৰকাৰ চিনাকী নাছিল। সেই সময়ত ইউৰোপীয় সকলে বন্ধাকবিৰ চ'প, ঘেহু, ৰাই, বাৰ্লি, দাইল আৰু শুকান মটৰৰ লুথুৰি খাই সন্তুষ্ট থাকিব লগা হৈছিল।

স্পেনিছ সকলেই হ'ল প্ৰথম ইউৰোপীয় সম্প্ৰদায় যি সকলে হাজাৰ বছৰ আগতে ভাৰতীয়মূলৰ এণ্ডিছ সকলে পোহ মনোৱা কন্দ-আলু দেখিবলৈ পাইছিল। পেৰুৰ ইতিবৃত্তত 'পেড্ৰ'ডা চিজা ডা লিয়ন'এ এই বুলি লিখিছে যে, ইউৰোপীয় সকলৰ মতে কন্দবোৰ কণীৰ আকৃতিৰ, কিছুমান গোলাকাৰ, কিছুমান দীঘলীয়া হয়। বগা, বেঙুনীয়া আৰু হালধীয়া বৰণৰ কন্দবোৰ ভালগোন্ধ বিশিষ্ট, আটা জাতীয়, এই কন্দবোৰ স্পেনীয় আৰু ভাৰতীয় মূলৰ স্পেনীয় লোকসকলৰ খাদ্যৰ প্ৰধান উৎস। স্থানীয় ভাবে বিভিন্ন বৰণৰ আলু পোৱা যায়।

বিশ্বৰ সৰ্বত্ৰ আলুক সিঁচৰিত কৰা ইউৰোপত কিন্তু আৰম্ভণিতে আলুক স্বাগতম জনোৱাৰ সলনি আলুৰ প্ৰতি বৈষম্যহে প্ৰদৰ্শন কৰা হৈছিল। ইউৰোপীয় সকলে ১৫৬৫ চনত পোন প্ৰথম বাৰৰ বাবে স্পেইনৰ কেনেৰী দ্বীপত আলু খেতি কৰিছিল। তাৰ পাছত ১৫৭৩ চনত স্পেইনৰ মূল ভূ-খণ্ডত আলু খেতি কৰি ইউৰোপৰ বিভিন্ন প্ৰান্তলৈ আলু ৰপ্তানি কৰে। ইউৰোপৰ বাগিছা সমূহত আলু খেতি কৰা হৈছিল বাবে বহুলোকে এই বুলি যুক্তি দৰ্শাইছিল যে, আলু মানুহে খোৱাৰ উপযোগী নহয়। সোতৰ শতিকাত স্কটলেণ্ডৰ ধৰ্মযাজক সকলে স্কটলেণ্ডত আলু খেতি কৰা নিষিদ্ধ বুলি ঘোষণা কৰিছিল। এই ধৰ্মযাজক সকলৰ যুক্তি আছিল যে, আলুৰ বিষয়ে যিহেতু বাইবেলত কোনো উল্লেখ নাই, গতিকে আলু খোৱাৰ উপযোগী নহয়। ইমানতে শেষ হোৱা নাছিল আলুৰ প্ৰতি বৈৰীতা, ইউৰোপৰ চিকিৎসক সকলে যুক্তি দৰ্শাইছিল যে, আলু খোৱা লোক সকল কুষ্ঠ, ছিফিলিছ আৰু স্ক্ৰফুলা ৰোগত আক্ৰান্ত হয়। এনেকি কেৰ'লাছ লিনিয়াছৰ লেখিয়া প্ৰখ্যাত উদ্ভিদ বিজ্ঞানী সকলেও খাদ্য হিচাপে আলুক সন্দেহৰ চকুৰে চাইছিল। তথাপি আলুই ইউৰোপৰ সৰ্বত্ৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হয় আৰু বিশ্বৰ বিভিন্ন প্ৰান্তলৈ বিস্তাৰ লাভ কৰে।

ইউৰোপত আলুৰ সমাদৰ আৰু বিস্তাৰ মন্থৰ হোৱাৰ মূলকাৰণ আছিল ইউৰোপৰ জলবায়ু। ইউৰোপত জাৰকালি দিনতকৈ ৰাতি দীঘল, দিনৰ দীৰ্ঘতাই গছৰ পাতৰ গঠন, ফুল ফল উৎপাদনৰ লগতে আন কিছুমান জৈৱিক প্ৰক্ৰিয়াত বিশেষ ভূমিকা পালন কৰে। গতিকে এণ্ডিছৰ পৰা আলুৰ পুলি আনি ইউৰোপত আলু খেতি কৰাটো মুঠেই উজু নাছিল। প্ৰায় ডেৰশ বছৰৰ প্ৰচেষ্টাৰ ফলতহে ইউৰোপৰ খেতিয়ক সকলে ব্যাপক হাৰত আলু খেতি কৰিবলৈ সক্ষম হৈছিল।

১৭৭০ চনত গোটেই ইউৰোপত শস্য নষ্ট আৰু ব্যাপক দুৰ্ভীক্ষৰ সময়ত ইউৰোপত আৰ্বিভাৱ হৈছিল আলুৰ নতুন জাত। যি আছিল ইউৰোপবাসীৰ বাবে পৰম সৌভাগ্যৰ বিষয় আৰু সেই সময়তে প্ৰুচিয়াৰ সম্ৰাট 'ফেড্ৰিক দ্যা গ্ৰেট'এ তেওঁৰ প্ৰজাসকলক শস্য বীমা হিচাপে আলু খেতি কৰাবলৈ নিদেৰ্শ দিছিল। আলুক জনপ্ৰিয় কৰি তুলিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ তদনীন্তন ৰাষ্ট্ৰপতি থমাছ জেফাৰছনে হোৱাইট হাউচলৈ অহা অতিথি সকলক আলৰু ফ্ৰেন্স ফ্ৰাইৰে আপ্যায়িত কৰিছিল। সোতৰ শতিকাৰ শেষৰ ফালে ইউৰোপীয় সকল আলু খোৱাত পূৰ্ণাংগ ভাৱে অভ্যস্থ হৈ পৰে আৰু আলুৰ দ্বাৰা আন আন পাচলিক প্ৰতিষ্ঠাপিত কৰে।

এণ্ডিছত আলুৰ যুতি লগা উপকৰণ চুন' আছিল যদিও ইউৰোপত আলুৰ নতুন নতুন ৰন্ধন প্ৰক্ৰিয়া আৱিস্কাৰ হয়, ১৭৫০ ৰ দশকৰ শেষৰ ফালে ইউৰোপৰ কৃষক সকলে আলু পোৰা, আলু ভাজি, আলু সিজা আদিক দিনৰ সুস্বাদু আৰু মূখ্য খাদ্য হিচাপে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে।

সম্ৰান্ত শ্ৰেণীৰ লোক সকলে চকলিয়াই লোৱা আলু তেল বা ঘীত ভাজি খোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে, যি আছিল বৰ্তমানৰ আলু চিপৰ পূৰ্বসূৰী। ১৮১৫ চনলৈকে উত্তৰ ইউৰোপ আৰু দক্ষিণ আমেৰিকাত আলু জনগণৰ প্ৰধান খাদ্য সামগ্ৰীত পৰিণত হয়। ইউৰোপত সংঘঠিত উদ্যোগ বিপ্লৱে কৃষিভিত্তিক সমাজ ব্যৱস্থাক নগৰীয়া সমাজ ব্যৱস্থালৈ ৰূপান্তৰিত কৰাত আলু কম ঠাইত অধিক উৎপাদন কৰিব পৰা, সুবিধাজনক, সুস্বাদু, শক্তিদায়ক পুষ্টিকৰ আৰু কোনো প্ৰকাৰ জটিলতা নোহোৱাকৈ ৰান্ধিব পৰা খাদ্য সামগ্ৰীত পৰিণত হয়।

ভাৰতবৰ্ষত ১৭৭২-১৭৮৫ চনলৈ ওৱাৰেণ হেষ্টিংচৰ শাসন কালত আলু খেতিৰ প্ৰবৰ্ত্তন কৰিছিল। ওঁঠৰ শতিকাৰ শেষৰ পিনে আৰু উনৈশ শতিকাৰ প্ৰথম ভাগত ভাৰতবৰ্ষৰ সমতল ভূমি আৰু পৰ্বতীয়া সকলো শ্ৰেণীৰ ভূমিতেই আলু খেতিৰ প্ৰচলন হয়। সেই সময়তেই স্থানীয় ভাৱে আলুৰ বেলেগ বেলেগ নাম ফল'ৰা, গোলা, ছাথা ইত্যাদিৰ উৎপত্তি হয়। আমাৰ দেশত ৰন্ধন প্ৰক্ৰিয়াত আলু এক অপৰিহাৰ্য উপকৰণ যদিও আলুৰ উৎপত্তিস্থল ভাৰতবৰ্ষ বা ইউৰোপ নহয়, এণ্ডিছহে।

বিগত ৫০০ বছৰত আলুই বিশ্বত ধুমুহাৰ গতিত বিস্তাৰ লাভ কৰিছে। বৰ্তমান আলু খেতি মাত্ৰ আমেৰিকাতেই কৰা নহয়, চীনৰ বৰফশীতল উচ্চ ভূমি, ভাৰতবৰ্ষৰ গৰম আৰু সেমেকা ক্ৰান্তিয় নিম্নভূমি, এনেকি ইউক্ৰেইনৰ শুষ্ক মৰুভূমিতো আলু খেতি কৰা হয়। বৰ্ত্তমান বিশ্বত প্ৰতিবছৰ ৫০০ নিযুত টন আলু উৎপাদন হয়, যাৰ সুবাদত আলুই খাদ্য হিচাপে চতুৰ্থস্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ৰুছিয়াত এটা সময়ত আলুক ডেভিল্‌ছ এপ'ল বা চয়তানৰ ফল বোলা হৈছিল, যদিও ক্ষুধাই ৰুছিয়ান সকলক আলু খেতি কৰিবলৈ বাধ্য কৰিছিল। বৰ্তমান ৰুছিয়া বিশ্বৰ দ্বিতীয় বৃহৎ আলু উৎপাদনকাৰী ৰাষ্ট্ৰ। আলু উৎপাদনত চীন প্ৰথম স্থানত তাৰ পাছত ৰুছিয়া আৰু ভাৰতবৰ্ষ তৃতীয় স্থানত আছে। চীন আৰু ভাৰতবৰ্ষই বিশ্বত উৎপাদিত মুঠ আলুৰ এক তৃতীয়াংশ উৎপাদন কৰে। আমি আটাইয়েই আলুক পাচলি হিচাপে বিবেচনা কৰো যদিও আলু এবাৰ চপাই লোৱাৰ পাছত মাত্ৰ পাচলি হিচাপেই ব্যৱহাৰ নহয়, বিশ্বত উৎপাদিত মুঠ আলুৰ আধাতকৈ সৰহ ভাগ সতেজ পাচলি হিচাপে ব্যৱহাৰ হয়। বাকী অংশ আলু জাতীয় খাদ্য সামগ্ৰী, গৰু, গাহৰি, হাঁহ, মুৰ্গী আদিৰ খাদ্য, প্ৰক্ৰিয়াকৰণ কৰি শ্বেতসাৰ আৰু পৰৱৰ্ত্তী বছৰ খেতিৰ বীজ হিচাপে ব্যৱহাৰ হয়।

বিশ্ব খাদ্য সংস্থাৰ তথ্যমতে ২০০৫ চনত বিশ্বত উৎপাদিত ৩২০ নিযুত টন আলুৰ এক তৃতীয়াংশ সতেজ পাচলি হিচাপে ব্যৱহাৰ হৈছিল। বৰ্তমান বিশ্বত আলু সতেজ পাচলি হিচাপে ব্যৱহাৰ হোৱাতকৈ প্ৰক্ৰিয়াকৃত আলুৰ উপকৰণ হিচাপে অধিক সমাদৰ লাভ কৰিবলৈ লৈছে। জুম্মি, ফ্ৰেন্স ফ্ৰাই, আলু চিপ আদি আলু প্ৰক্ৰিয়াকৃত কৰি তৈয়াৰ কৰা খাদ্য সামগ্ৰী। বিগত দশক বিলাকত আলু চিপৰ ব্যাপক পৰিৱৰ্তন সাধিত হৈছে, সাধাৰণ নিমখ দিয়া আলু চিপৰ ঠাইত বৰ্তমান সুগোন্ধিযুক্ত





পনিৰ আৰু মাখনযুক্ত আলুচিপ, টমাটো টংগ' বজাৰত ওলাইছে। নিৰ্জলিকৃত আলুৰ আটা বা দানা বহুবিলাক উদ্যোগত ব্যৱহাৰ হয়। আঠামুক্ত অতিমাত্ৰা শৰ্কৰাযুক্ত আলুৰ আটা খাদ্য উদ্যোগত ব্যৱহাৰ হয়। আধুনিক উদ্যোগ কিছুমানত আলু শ্বেতসাৰৰ উৎস হিচাবে ব্যৱহাৰ হয়। শুকান আৰু গুৰি কৰা আলু সিজাই শ্বেতসাৰ প্ৰস্তুত কৰা হয় আৰু এই শ্বেতসাৰৰ কিন্বন ঘটাই এলকহ'ল উৎপাদন কৰা হয়। আঠা তৈয়াৰ কৰিবলৈ, পশু খাদ্য উৎপাদন কৰিবলৈ আৰু ইন্ধনত ব্যৱহাৰ যোগ্য ইথানল উৎপাদনৰ বাবে আলু ব্যৱহাৰ কৰা হয়। ইউৰোপত আলুৰ আন এক মূখ্য ব্যৱহাৰ হ'ল পশু খাদ্য হিচাপে। আলুৰ পৰা আহৰণ কৰা শৰ্কৰা ঔষধ, বস্ত্ৰ উদ্যোগ আৰু কাগজ শিল্পত ব্যৱহাৰ হয়। তেলখননকাৰী উদ্যোগ সমূহে ব'ৰহ'ল ধৌতকৰণৰ বাবে আলু ব্যৱহাৰ কৰে। আলুৰ শ্বেতসাৰ একশ শতাংশই পচনযোগ্য বাবে পলিষ্টাইৰিন আদি প্লাষ্টিক জাতীয় সামগ্ৰী সমূহত পৰিপূৰক হিচাপে ব্যৱহাৰ কৰিব পাৰি। আলুৰ বাকলি আৰু আন আন পেলনীয়া অংশৰ পৰাও শ্বেতসাৰ তৈয়াৰ কৰিব পাৰি আৰু শ্বেতসাৰ এই কিন্বন ঘটাই এলকহ'ল পোৱা যায়।

আলু এবিধ বহুমূখী শৰ্কৰা সমৃদ্ধ খাদ্য শস্য। সদ্য চপোৱা আলুত ৮০ শতাংশ পানী আৰু ২০ শতাংশ শুকান পদাৰ্থ থাকে। গোটা অংশৰ ৪০-৬০ শতাংশ হ'ল শ্বেতসাৰত, শুকান ওজন হিচাপে আলুত প্ৰটিনৰ পৰিমাণ আন আন কন্দজাতীয় পাচলিৰ তুলনাত অধিক, সেইবাবেই উন্নত দেশ বিলাকত আন খাদ্যৰ তুলনাত আলু অধিক পছন্দনীয়। আলুত ভিটামিন আৰু খনিজ লৱণৰ পৰিমাণ যথেষ্ট বেছি থাকে। বাকলিৰ সৈতে খোৱা আলুত প্ৰচুৰ পৰিমাণৰ ভিটামিন চি থাকে, মাধ্যমিয়া আকাৰৰ ১৫০ গ্ৰাম ওজনৰ আলু এটাত থকা ভিটামিন চি-এ প্ৰাপ্ত বয়স্ক লোক এজনৰ প্ৰতিদিন প্ৰয়োজনীয় ভিটামিন চি'ৰ ৪৫ শতাংশ পূৰণ কৰিব পাৰে। আলুত মাধ্যমিয়া পৰিমাণৰ লৌহ পোৱা যায়, যদিও উচ্চমাত্ৰাৰ ভিটামিন চি-এ সেই আটাইখিনিয়েই আত্মীকৰণ হোৱাত সহায় কৰে। ভিটামিন $B_1$, $B_3$,আৰু $B_6$ ৰ এক সমৃদ্ধ উৎস হ'ল আলু। খনিজ লৱন পটাছিয়াম, ফছফৰাছ আৰু মেগনেছিয়াম, পেন্ট'থেনিক এছিড আৰু ৰাইফ্ৰেভিনো আলুৰ পৰা পোৱা যায়। প্ৰতিজাৰক পদাৰ্থৰ বাবে আলুই ৰোগ প্ৰতিৰোধ আৰু বয়স বৃদ্ধি ৰোধ কৰিব পাৰে। আলুত চৰ্বীৰ পৰিমাণ কম থাকে বাবে ডায়বেটিছ ৰোগীৰ বাবে আদৰ্শ খাদ্য। এটা সময়ত আলুৰ পৰা মেদবহুলতা, হৃদৰোগ আৰু টাইপ-II ডায়বেটিছ হয় বুলি মানুহৰ মাজত ভুল ধাৰণা আছিল যদিও বৰ্তমান খাদ্য বিশেষজ্ঞ সকলে গৱেষণাৰ দ্বাৰা দেখুৱাইছে যে, আলু চৰ্বীমুক্ত আৰু আলুৰ ১০০ গ্ৰামৰ পৰা পোৱা কেলৰিৰ পৰিমাণ ২৮০ কিলো কেলৰি তাৰ বিপৰীতে সেই একে পৰিমাণৰ চাউল আৰু আটাৰ কেলৰি মান ক্ৰমে ৩৮০ আৰু ৪০০ কিলো কেলৰি। গতিকে টাইপ-II ডায়বেটিছ ৰোগীয়ে আলু খোৱাত কোনো বাধা থাকিব নোৱাৰে। আলুৰ বৈজ্ঞানিক নাম ছোলানাম টিউবাৰোছাম, ই -তৃণজাতীয় গছ, সপুস্পক, গা-গছ ১০০ ছেঃমিঃলৈ ওখ হয় আৰু এই গছে উৎপন্ন কৰা কন্দই হ'ল আলু। আলু গছৰ জটিল পাতবোৰত সংশ্লেষণ হোৱা শ্বেতসাৰ কন্দবিলাকত জমা হয়। মাটিৰ পৃষ্ঠ ভাগৰ কেইটামান বা বহুবিলাক কাণ্ড শকত হৈ আলুৰ সৃষ্টি হয়। সেয়ে আলু হ'ল ৰূপান্তৰিত কাণ্ড, মাটিত থকা জলীয় বাষ্প আৰু পোষক দ্ৰব্যৰ পৰিমাণৰ ওপৰত কাণ্ডৰ ৰূপান্তৰ অৰ্থাৎ আলুৰ সংখ্যা নিৰ্ভৰ কৰে। আলুবোৰ আকাৰত বিভিন্ন হয়, যদিও গড় হিচাপে প্ৰতিটো আলুৰ ওজন প্ৰায় ৩০০ গ্ৰামমান হয়। কিন্তু কিছুমান অঞ্চলত উৎপন্ন হোৱা আলুৰ ওজন ৮০০-১০০০ গ্ৰামলৈকে হোৱা দেখা যায়।

উৎপাদন ঋতুৰ অন্তত আলু গছৰ মাটিৰ ওপৰৰ অংশ মৰহি যায়। তেতিয়া কন্দবিলাকে গছপুলিৰ বাবে খাদ্যৰ ভৰাল হিচাপে কাম কৰে, যাতে শীতত আলুৰ পুলিবোৰ জীয়াই থাকে আৰু পৰৱৰ্ত্তী পৰ্যায়ত সেইবোৰৰ পৰা গজালি মেলি আলু গছৰ সৃষ্টি হ'ব পাৰে। প্ৰতিটো আলুৰ দেহত সৰ্পিল ভাৱে সজ্জিত দুটাৰ পৰা দহটালৈ মুকুল বা চকু থাকে। এই মুকুল বিলাকৰ পৰা কলি ওলায়। কলি বিলাক উপযুক্ত পৰিৱেশত গছ পুলিলৈ ৰূপান্তৰিত হয়।

ভাৰতবৰ্ষত আলু শীতকালীন শস্য হিচাপে খেতি কৰা হয়। চুটি দিন আৰু দীঘলীয়া ৰাতিৰ নিম্ন উষ্ণতা আলু খেতিৰ বাবে উত্তম পৰিৱেশ, ভাৰতবৰ্ষত গংগা অৱবাহিকা উপক্ৰান্তিয় অঞ্চলত শীতকালতহে এনে পৰিৱেশ পোৱা যায়, সেই বাবে এই অঞ্চলত শীতকালত আলুৰ খেতি কৰা হয়। কিন্তু দেশৰ পাহাৰীয়া অঞ্চল বিলাকত এনেকুৱা পৰিৱেশ গোটেই বছৰ থাকে বাবে বছৰ জুৰি আলু খেতি কৰিব পাৰি।

বিশ্ব খাদ্য আৰু কৃষি সংস্থাৰ মতে আলুই দৰিদ্ৰতা আৰু অপুষ্টিত ভোগা সকলৰ ক্ষুধা আৰু পুষ্টিৰ চাহিদা পূৰণ কৰাৰ ব্যাপক সম্ভাৱনা আছে আৰু এই সম্ভাৱনাক বৰ্তমানলৈ কামত লগোৱা হোৱা নাই। সেয়ে বিশ্বৰ সকলো দেশেই আলু উৎপাদনত গুৰুত্ব আৰোপ কৰা প্ৰয়োজন। বিশ্ব খাদ্য আৰু কৃষি সংস্থাৰ বিষয়া সকলে এই কথাও ব্যক্ত কৰিছে যে, সাধাৰণতে বিশ্বৰ উন্নত দেশ সমূহৰ তুলনাত দৰিদ্ৰ দেশৰ বাসিন্দা সকলে কম পৰিমাণৰ আলু খায়। সেয়ে দুৰ্ভীক্ষ আৰু ক্ষুধা নিবাৰণৰ বাবে আলু প্ৰচলিত খাদ্য শস্যৰ পৰিপূৰক হ'ব পাৰে। কিন্তু বিশ্বৰ সৰ্বত্ৰ আলু খেতি কৰাত প্ৰতিবন্ধকতা আছে। কিছুমান বিশেষ বেমাৰৰ প্ৰতি অতি সংবেদনশীল হোৱা বাবে বিশ্বৰ সকলো ঠাইতেই আলু খেতিৰ প্ৰচলন কৰিব নোৱাৰি। এণ্ডিচত আলু খেতিৰ প্ৰচলন হোৱাৰ আজি প্ৰায় ৮০০০ বছৰত এণ্ডিচ বাসী সকলে যুগে যুগে প্ৰতিকুল পৰিৱেশ আৰু অধিক উৎপাদনক্ষম আলুৰ জাত নিৰ্বাচন কৰিছিল। এই ব্যাপক আৰু যুগান্তৰকাৰী জাত নিৰ্বাচনৰ ফলস্বৰূপে এণ্ডিচবাসী সকলে একে ডৰামাটি একে লগে প্ৰায় দুশ মান জাতৰ আলু খেতি কৰিবলৈ সক্ষম হৈছিল। এণ্ডিচত উৎপাদন কৰা বেছিভাগ আলুই বৰ্তমানৰ মানুহে সাধাৰণ আলু বুলি বিবেচনা কৰা আলুতকৈ পৃথক আছিল। সেইবিলাক আলু উজ্জ্বল ৰং বিশিষ্ট, ডাঠ ছাল থকা আৰু মঙহাল আছিল। কিছুমান উজ্জ্বল হালধীয়া আন কিছুমান গাঢ় নীলা বৰণৰ আছিল। কিছুমানৰ আকৰ্ষণীয় আকৃতি আছিল আৰু নানা তৰহৰ আলুৰ প্ৰত্যেকৰে বিশিষ্ট সুভাস আছিল। সেই আলু বিলাকৰ কিছুমান বিশেষ ৰোগ ব্যধি আৰু শীত প্ৰতিৰোধী আছিল। আলু নিৰ্বাচনৰ ভিত্তি সমূহ আছিল, উৎপাদন, গুণগতমান সঞ্চয় কৰি ৰাখিব পৰা অবধি আৰু শেষত তাৰ উপযোগীতা।

এই প্ৰথাৰ ওপৰত নিৰ্ভৰ কৰি আৰ্ন্তজাতিক আলু কেন্দ্ৰৰ বিশেষজ্ঞ সকলে এই আশা ব্যক্ত কৰিছে যে, তেওঁলোকে বিশ্বৰ বিভিন্ন অঞ্চলৰ স্থানীয় জলবায়ু, মাটিৰ প্ৰকাৰ দিনৰ দৈৰ্ঘ্য আৰু স্থানীয় বেমাৰ সমূহ চিনাক্তকৰণ কৰি সেই অঞ্চলৰ জলবায়ুৰ লগত খাপ খোৱাকৈ আলুৰ জাত উদ্ভাৱন কৰিবলৈ সক্ষম হ'ব।

ভাৰতবৰ্ষৰ শিমলাস্থ কেন্দ্ৰীয় আলু প্ৰতিষ্ঠান আৰু দেশৰ বিভিন্ন অংশত তাৰ অংগ প্ৰতিষ্ঠান সমূহে আলুৰ নতুন জাত, ৰোগ ব্যধি নিয়ন্ত্ৰণ আৰু প্ৰশমন আদি বিভিন্ন কামৰ লগত জড়িতহৈ আছে। আৰ্ন্তজাতিক আলু কেন্দ্ৰৰ মতে আন শস্যৰ তুলনাত আলুৰ আটাইতকৈ সুবিধাজনক দিশটো হ'ল এই যে, ই অতি কম সময় আৰু প্ৰতিকুল বতৰত কম মাটি কালিৰ পৰা প্ৰচুৰ খাদ্য দ্ৰব্য উৎপাগন কৰিব পাৰে। আলু গছৰ প্ৰায় আশী শতাংশ খাদ্য উপযোগী, কিন্তু আন শস্যৰ মাত্ৰ পঞ্চাশ শতাংশহে খোৱাৰ উপযোগী। উন্নয়নশীল দেশ বিলাকত আলু উৎপাদনৰ সম্ভাৱনা যিমান আছে আন শস্য উৎপাদনৰ সিমান সম্ভাৱনা নাই। আন খাদ্য শস্যৰ উৎপাদন সম্ভাৱনাই ইতিমধ্য চৰমসীমা পাইছে, কিন্তু আলু উৎপাদনৰ কোনো সীমাৰেখা এনেকি উন্নত দেশ সমূহতো আলু উৎপাদনত উচ্চ সীমা নিৰ্ণীত হোৱা নাই। তাৰোপৰি উন্নয়নশীল দেশবিলাকত যদি আলু খাদ্য শস্যৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা হয়, খাদ্যত থকা পোষক দ্ৰব্যৰ ফালৰ পৰা বিবেচনা কৰিলে দেখা যায় যে ১০০ গ্ৰাম আলুই শিশুৰ প্ৰয়োজনীয় প্ৰটিনৰ ১০% পূৰণ কৰিব পাৰে। ১০০ গ্ৰাম আলুত থকা পোষকদ্ৰব্যই থায়ামাইন, নাইচিন, ভিটামিন $B_6$ আৰু প্ৰফলিক এছিডে প্ৰাপ্ত বয়স্কলোক এজনৰ ১০% পূৰণ কৰিব পাৰে আৰু ভিটামিন - চিএ ৫০ শতাংশ পূৰণ কৰিব পাৰে। আৰ্ন্তজাতিক আলু কেন্দ্ৰই আৰু লক্ষ্য কৰিছে যে, যিবিলাক দেশত কৃষি ভূমিৰ পৰিমাণ কম আৰু সুলভ শ্ৰমৰ যোগান আছে, সেইবিলাক দেশৰ বাবে আলু খেতি বিশেষ উপযোগী। তৃতীয় বিশ্বৰ দেশ সমূহত ওপৰোক্ত অৱস্থা বিৰাজমান। সেয়ে আলু খেতিয়ে সেই দেশ সমূহত খাদ্য আৰু কৰ্মসংস্থান দুয়োটাৰেই জোৰা মাৰিব পাৰে।

——ঃঃ——





# মৃত্যুদূত এইডছ আৰু ইয়াৰ প্ৰতিষেধক ছিটাৰ আৱিস্কাৰ

ড° মইনুল হক চৌধুৰী
অংশকালীন প্ৰৱক্তা

একবিংশ শতিকাৰ প্ৰাক্ মুহূৰ্ত্তত, মানৱ জাতিয়ে সভ্যতাৰ শিখৰত আৰোহণ আৰু বিজ্ঞানৰ সীমাহীন অগ্ৰগতিৰ পাছতো বিশ্বক কপাই তুলিছে মাত্ৰ এটা শব্দই- এইডছ। চিকিৎসা বিজ্ঞানৰ ভাষাত যাক Acquired Immune Deficiency Syndrome বুলি কোৱা হয়। যাক এই ৰোগৰ ভাইৰাছে আক্ৰমন কৰিছে সেইজনেই অৱধাৰিত মৃত্যুমুখত পৰিছে। কিন্তু অতি সম্প্ৰতি ইয়াল বিশ্ববিদ্যালয় (YALE University) ৰ এদল গৱেষকে এই ৰোগৰ প্ৰতিষেধক ছিটা (Vaccine) আৱিস্কাৰ কৰা বুলি দাবী কৰাৰ লগে লগে মানৱ জাতি লৈ আশাৰ বতৰা কঢ়িয়াই আনে। ১৯৮১ চনত পোন প্ৰথমবাৰৰ বাবে সমকামী (Homo Sex) পুৰুষৰ মাজত আমেৰিকা যুক্তৰাষ্ট্ৰত এই ৰোগ ধৰা পৰে। হলিউডৰ এজন বিখ্যাত চিত্ৰ তাৰকাৰ শৰীৰত পোৱা এবিধ বিশেষ ভাইৰাছে বিজ্ঞানী মহলত বিস্ময়কৰ সূচনা কৰে। বহুতো পৰীক্ষা-নিৰীক্ষাৰ অন্তত এই বীজাণুৰ নামাকৰণ কৰা হয় HIV (Human Intra Virus)। প্ৰায় ছয় বছৰ ধৰি চলা পৰীক্ষাৰ অন্তত ফ্ৰান্সৰ বৈজ্ঞানিক লিউক মাণ্টেনিয়াৰে এই সিদ্ধান্তত উপনীত হয় যে, HIV ( Positive) য়েই হ'ল AIDS ৰোগৰ প্ৰধান কাৰণ। কেনেকৈ এই ৰোগৰ বীজাণু মানুহৰ শৰীৰত প্ৰৱেশ কৰে সেয়াও এক বিজ্ঞান বিস্ময়। বিজ্ঞানীসকলে এইটো ঠাৱৰ কৰিছে যে, আফ্ৰিকাৰ এবিধ বিশেষ প্ৰজাতিৰ বান্দৰৰ শৰীৰত প্ৰায় ৫০ হেজাৰ বছৰ ধৰি AIDS ৰ ভাইৰাছ সুপ্ত অৱস্থাত আছিল। কিন্তু মানুহৰ শৰীৰলৈ ই কেনেদৰে সংক্ৰমিত হ'ল তাৰ সঠিক কাৰণ এতিয়াও ৰহস্য আৱৰ্তত থাকিলেও এইটো নিশ্চিত বাবে প্ৰমাণিত হৈছে যে, অবাধ যৌন সম্ভোগ আৰু নিচা জাতীয় দ্ৰব্যৰ আসক্তি এই ৰোগৰ মুখ্য কাৰণ। এজন HIV আক্ৰান্ত ৰোগীৰ শৰীৰৰ তেজ আন এজনৰ গাত দিলেই ই সংক্ৰমিত হয়। এনে ৰোগীৰ চিকিৎসাত ব্যৱহাৰিত চিৰিঞ্জ আন ৰোগীৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিলেও এই ৰোগ সংক্ৰমিত হয়। তেনেদৰে চেলুনত ব্যৱহাৰ কৰা ব্লেড বা ক্ষুৰ ইত্যাদিৰ জৰিয়তেও AIDS ৰ ভাইৰাছ বিস্তাৰিত হ'ব পাৰে।

উল্লেখযোগ্য যে, ২০০৮ ইং চনৰ অক্টোবৰ মাহত চিকিৎসা বিজ্ঞানৰ নবেল বঁটা যি তিনি গৰাকী বিজ্ঞানীলৈ আগবঢ়োৱা হয় তেওঁলোক হৈছে- AIDS ৰ ভাইৰাছ আৱিস্কাৰক ফৰাচী বিজ্ঞানীদ্বয় লিউক মন্টেনিয়াৰ আৰু ফ্ৰাংকইছ বাৰে-চিনৌচি আৰু ৰোগ সৃষ্টিকাৰী (HIV) ভাইৰাছ আৱিস্কাৰক জাৰ্মান বিজ্ঞানী হেৰল্ড জাৰ হউছেন। AIDS ৰ ভাইৰাচৰ আৱিস্কাৰ AIDS ৰোগৰ প্ৰকৃতি অধ্যয়ন, নিয়ন্ত্ৰণ তথা প্ৰতিৰোধৰ যি গৱেষণা চলি আছে তাক ত্বৰান্বিত কৰিব লগতে চিকিৎসা বিজ্ঞানক এক নতুন মাত্ৰা প্ৰাদান কৰিব।

AIDS ৰ ভয়াবহ দিশটো হ'ল যে, এই ৰোগত আক্ৰান্ত ৰোগীৰ প্ৰতিৰোধক ব্যৱস্থা সম্পূৰ্ণৰূপে ধ্বংস হয়। AIDS ৰোগৰ ভাইৰাছৰ প্ৰধান লক্ষ্য হ'ল- শৰীৰৰ এন্টিবডিবোৰ ধ্বংস কৰা। যাৰ ফলত শৰীৰত বিভিন্ন ৰোগৰ বীজাণুৱে থিতাপি লৈ শৰীৰটোক ৰোগাক্ৰান্ত কৰি ওজন হ্ৰাস কৰে আৰু ৰোগী সহজে ক্লান্ত অনুভৱ কৰে। সমগ্ৰ পৃথিৱীতে AIDS ৰোগে বিস্তাৰ লাভ কৰিছে। বৰ্ত্তমান পৃথিৱীত এই ৰোগ আক্ৰান্ত ৰোগীৰ সংখ্যা প্ৰায় ৩০ নিযুত। ভাৰতবৰ্ষত ৩ নিযুতৰ ওপৰত আৰু অসমতো এই ৰোগৰ সংখ্যা কেইবা হেজাৰ আছে বুলি অনুমান কৰা হৈছে।

পৃথিৱীৰ ডাঙৰ ডাঙৰ চহৰবোৰত পতিতালয়ৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত অবাধ যৌন মিলনৰ সামাজিক বিৰূপ প্ৰতিক্ৰিয়া অথবা সামাজিক ৰীতি পৰম্পৰা সমালোচনা মুক্ত হোৱাত AIDS ৰোগীৰ সংখ্যা বৃদ্ধি পাই আছে। নৈতিকতা স্খলনৰ চৰম পৰিণতি হোৱা সমাজত AIDS ৰোগীৰ সংখ্যা বেছি।

গোটেই বিশ্বৰ লগতে ভাৰতবৰ্ষতো চৰকাৰে ক্ৰমবৰ্দ্ধমান AIDS ৰোগীৰ সংখ্যালৈ লক্ষ্য কৰি ৰাষ্ট্ৰীয় AIDS নিয়ন্ত্ৰণ সংস্থা স্থাপনৰ জড়িয়তে বিভিন্ন বিজ্ঞাপন, আলোচনা চক্ৰ, প্ৰচাৰ কাৰ্য্যৰ জড়িয়তে AIDS ৰ ভয়াবহতা সম্পৰ্কে সজাগতাৰ প্ৰচেষ্টা হাতত লৈছে।

AIDS ৰ প্ৰতিষেধক আৱিস্কাৰৰ বাবে বহু বছৰ আগৰ পৰাই অহৰহ চেষ্টা অব্যাহত আছিল যদিও বৰ্ত্তমান এয়াল বিশ্ববিদ্যালয় (YALE University) ৰ স্কুল অফ মেডিছিনৰ পেথল'জি আৰু ছেলবাইল'জিৰ প্ৰফেচাৰ জন কে, ৰোজৰ নেতৃত্বত এদল গৱেষকে ছয় বছৰ গৱেষণাৰ অন্তত AIDS ৰ প্ৰতিষেধক আৱিস্কাৰৰ কথা ঘোষণা কৰিছে। দলটোৱে প্ৰথমে সাতটা AIDS আক্ৰান্ত বান্দৰক এই প্ৰতিষেধক ছিঁটা প্ৰদান কৰি আঠ নম্বৰ AIDS সংক্ৰমিত প্ৰতিষেধক নিদিয়া বান্দৰটোৰ সৈতে পাঁচমাহ একেলগে থাকিবলৈ দি দেখিলে যে, প্ৰতিষেধক ছিঁটা (Vaccine) দিয়া সাতটা বান্দৰৰ অৱস্থা কিছু উন্নত হৈছে আৰু চৈধ্য মাহৰ ভিতৰত বান্দৰ কেইটা AIDS মুক্ত হৈছে, কিন্তু আঠ নম্বৰ বান্দৰটোৰ অৱস্থাৰ অৱনতি হৈছে। গৱেষক প্ৰধান ৰোজে কৈছে যে, এই প্ৰতিষেধক দুটা পদ্ধতিৰ এটা হ'ল- DNA Vaccine Vector আনটো VSV Vaccine Vector পদ্ধতি। ইয়াৰ DNA Vaccine ইনজেকশ্বনৰ দ্বাৰা দিয়া হয় যদিও ইয়াৰ খৰচ অধিক বাবে সমান ফলপ্ৰসু VSV Vector পদ্ধতিৰে নাকত ড্ৰপ আকাৰে দিয়াই উত্তম বুলি মত প্ৰকাশ কৰিছে। এই সম্পৰ্কে গৱেষক প্ৰধান জন কে, ৰোজে ফিলাডিলফিয়াত অনুষ্ঠিত AIDS নিৰ্মূল Conference ত ব্যক্ত কৰে।

—::—







# যুক্তি-অপযুক্তি

**ওৱাহাব সৰকাৰ**
মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ।
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

বৈচিত্ৰময় জগতৰ অংশ ৰূপেই মানুহৰ বুদ্ধি বৃত্তিৰ বহিঃপ্ৰকাশ চৰম বিচিত্ৰ। বৌদ্ধিক বৈচিত্ৰতাৰ এক বিশেষ দিশ হ'ল মানুহৰ যৌক্তিক প্ৰবৃত্তি। যিহেতু সকলো কিছু বিচিত্ৰ, সেই হেতু মানুহৰ যৌক্তিক চিন্তাও বিচিত্ৰ।

সৰু-ডাঙৰ, শিক্ষিত-অশিক্ষিত, জ্ঞানী-অজ্ঞানী, সভ্য-অসভ্য সকলো শ্ৰেণীৰ সকলো মানুহৰ কম বেছি হলেও যুক্তিৰ ওপৰত নিৰ্ভৰ কৰে। ফুটপাতৰ ভিক্ষাৰীৰ পৰা আৰম্ভ কৰি নবেল বঁটা বিজয়ী বিজ্ঞানী, মৌলবাদীৰ পৰা নিৰিশ্বৰবাদী, সন্ত্ৰাসবাদীৰ পৰা মানৱতাবাদী সকলোৱে জ্ঞাতে-অজ্ঞাতে যুক্তিৰ ভিত্তিত নিজ নিজ কৰ্ম পন্থা নিৰ্ধাৰণ কৰে। গতিকে তেওঁলোকৰ যুক্তিও বিচিত্ৰ হোৱাটো অনিবাৰ্য্য।

চোৰ এজনে তাৰ কৰ্ম পথত প্ৰবৃত্ত হোৱাৰ পূৰ্বে তেওঁৰ চৌৰ্য্য বৃত্তিৰ বৈধতা সম্পৰ্কে নিজৰ অৰ্ন্তদ্বন্দ্বতা দূৰ কৰিহে আগবাঢ়ে। সেইদৰে সহস্ৰজনৰ কেঁচা তেজেৰে হাত ৰাঙলি কৰা ধৰ্মৰ ঠিকাদাৰ মৌলবাদীয়ে আৰু ভাষা-বৰ্ণ, জাতি-গোষ্ঠীৰ নামত মানুহৰ মাজত হিংসাৰ বীজ ৰোপণ কৰি সামাজিক আৰু ৰাষ্ট্ৰীয় শান্তি শৃংখলা ব্যাহত কৰা বিচ্ছিন্নতাবাদী সকলেও যুক্তি প্ৰদৰ্শন কৰিয়েই তথাকথিত লক্ষ্যত উপনীত হবলৈ চেষ্টা কৰে। নাৰীৰ শালীনতা হৰণকাৰীক সুধি চালেও গম পাব তেওঁৰ অপকাণ্ড কিদৰে যুক্তিকৰ। সেইদৰে সহস্ৰজনৰ প্ৰাপ্য ধন অক্টোপাছৰ দৰে শুহি খোৱা দূৰ্নীতিগ্ৰস্ত বিষয়া, কৰ্মচাৰী আৰু ৰাজনীতিকে তেওঁলোকৰ বিভিন্ন স্বৰূপৰ চৌৰ্য্যবৃত্তিৰ বৈধতা যুক্তিৰ সহায়ত প্ৰমান কৰি আত্ম সন্তুষ্টি লভে। মুঠতে, যিকোনো স্বৰূপৰ অপৰাধীৰ পৰা আৰম্ভ কৰি অবৈজ্ঞানিক মনৰ বিজ্ঞানী আৰু নিৰপেক্ষ মানসিকতাৰ মানৱতাবাদী সকলোৱে নিজ নিজ স্থিতিত অটল থাকে কেতবোৰ বৈচিত্ৰময় তথাকথিত যুক্তিৰ আধাৰত। সংক্ষেপে কবলৈ হ'লে মানুহৰ সুকৰ্ম যিদৰে যুক্তিৰ ওপৰত আধাৰিত, সেইদৰে কু-কৰ্মও যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। বিচিত্ৰ মানুহ বিচিত্ৰ যুক্তি। গতিকে, স্বাভাৱিকতে যুক্তিক আমি সু-যুক্তি আৰু কু-যুক্তি বা অপযুক্তি এই দুই ভাগত ভগাব পাৰো। গৰিষ্ঠ সংখ্যক মানুহে নানা বিচিত্ৰময় অপযুক্তিৰ ভিত্তিত তেওঁলোকৰ অপকাণ্ডত লিপ্ত থাকে। সেইদৰে সু-যুক্তিৰ ভিত্তিত অন্তত কিছুসংখ্যক মানুহে মানৱতাৰ গৌৰৱ অক্ষুন্ন ৰাখে।

জাৰ্মান দাৰ্শনিক ইমানুয়েল কান্টে *"মানুহৰ জীৱনক পশুবৃত্তি আৰু বুদ্ধি-বৃত্তিৰ সংগ্ৰাম ক্ষেত্ৰ"* বুলি কৈছিল। এই সংগ্ৰামত কেতিয়াবা বুদ্ধি-বৃত্তিয়ে আধিপত্য দেখুৱায় আৰু কেতিয়াবা পাশৱিক স্বভাৱে প্ৰাধান্য বিস্তাৰ কৰে। কিন্তু মানৱ জাতিৰ বাবে ডাঙৰ ট্ৰেজেডী হ'ল যে পৃথিৱীৰ বেছি সংখ্যক মানুহৰ দূৰ্বল চেতীয়া বুদ্ধি বৃত্তিয়ে পশুবৃত্তিৰ ওপৰত বেছি ভাগ সময়ত বশ্যতা স্বীকাৰ কৰে যাৰ বাবে জগতত অপযুক্তিৰ পয়োভৰ অধিক শক্তিশালী আৰু এই কাৰণেই বিভিন্ন সমাজ অন্ধবিশ্বাস, দূৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ অভিশপ্ত কলা ডাৱৰৰ পৰা আজিও মুক্ত হব পৰা নাই।

অপযুক্তিৰ পয়োভৰে কিদৰে আৰু কিমান ভয়ানক ৰূপে মানৱ সমাজৰ ক্ষতি কৰে তাৰ নিদৰ্শন ৰূপে আমি বিভিন্ন স্বৰূপৰ সন্ত্ৰাসবাদৰ কথা উল্লেখ কৰিব পাৰি। এই ক্ষেত্ৰত ধৰ্মীয় সন্ত্ৰাসৰ এটা উদাহৰণেই যথেষ্ট। আমি জানো প্ৰতিটো ধৰ্মৰ

মূল লক্ষ্য পৰম মূক্তি, আৰু এই লক্ষ্য প্ৰাপ্তিৰ বাবেই প্ৰতিটো ধৰ্মই সাৰ্বজনীন ভ্ৰাতৃত্ববোধ, ঐক্য আৰু শান্তিৰ বাণী মানৱৰ আগত তুলি ধৰিছে- অৰ্থাৎ পৰম্পৰাগত ৰীতি নীতিত পৰস্পৰৰ মাজত পাৰ্থক্য থাকিলেও মূল লক্ষ্যত সকলো এক। মহাত্মা গান্ধীয়ে কৈছিল "Religions are the divergent ways to reach in the same goal"। কিন্তু বাস্তৱত আমি ইয়াৰ ওলোটা দৃশ্যপটহে প্ৰত্যক্ষ কৰো। অতি বেদনাসহ প্ৰত্যক্ষ কৰো চৰম সাম্প্ৰদায়িক অসহিষ্ণুতা। ইয়াৰ মূল কাৰণেই হ'ল একাংশ তথাকথিত মুখাপিন্ধা ধৰ্মীয় নেতাৰ অপযুক্তিৰে পুষ্ট কেতবোৰ তত্ত্বৰ অভিশপ্ত অপব্যাখ্যা। অতি কম বয়সৰ পৰা অপযুক্তিৰ দ্বাৰা প্ৰভাৱিত এনে শিক্ষাৰে শিক্ষিত হোৱা ল'ৰা-ছোৱালীৰ মনত সিহঁতৰ অজানিতে পাৰস্পৰিক সম্প্ৰদায়গত অসহিষ্ণুতাৰ বীজ অঙ্কুৰিত হয়। কলিতে সৃষ্টি হোৱা এনে ভেদাভেদৰ অনুভূতিৰ শিকলিৰ পৰা মুক্ত হোৱা অতি জটিল। এই কাৰণেই দেখা যায় যে ধৰ্মীয় অসহিষ্ণুতাৰ বাবে এই পৃথিৱীত যিমান নিষ্ঠুৰ ঘটনা ঘটিছে, যিমান ৰক্তপাত হৈছে আন কোনো কাৰণত সিমান হোৱা নাই। এই সৰু লিখনিত অপযুক্তিৰ প্ৰভাৱত সৃষ্ট নাৰকীয় ঘটনা সমূহৰ সম্যক চিত্ৰ দাঙি ধৰা উদ্দেশ্য নহয়। মাথো ইয়াকে কব বিচৰা হৈছে যে, অপযুক্তিৰ প্ৰভাৱ মানৱ সন্তানৰ বাবে কিমান ভয়ানক আৰু নিষ্ঠুৰ। গতিকে সৰুতেই যদি সু-যুক্তিৰ দ্বাৰা প্ৰভাৱিত শিক্ষাৰে ল'ৰা-ছোৱালীক শিক্ষিত কৰা নেযায়, তেন্তে তাৰ পৰিণতি গোটেই মানৱ জাতিৰ বাবেই চৰম হানিকৰ। এই কাৰণেই বিশিষ্ট চিন্তাবিদ, দাৰ্শনিক ও সমাজ সংস্কাৰক Karl Marx য়ে কৈছে, " Let not him dely philosophising who is young".

গতিকে মানুহ যিমানেই শিক্ষিত নহওঁক কিয় সমাজত কু-যুক্তি বা অপযুক্তিৰ পয়োভৰ থকালৈকে মানুহ প্ৰকৃত অৰ্থত সভ্য হব নোৱাৰে আৰু মানুহ প্ৰকৃতাৰ্থত সভ্য নোহোৱালৈকে মানৱ সমাজত প্ৰকৃত শান্তি-শৃংখলাও প্ৰতিষ্ঠা হব নোৱাৰে। কাৰণ সামাজিক ঐক্য, শান্তি ও শৃংখলা নিৰ্ভৰ কৰে সু-যুক্তিৰ ভেটিত গঢ়ি উঠা ধ্যান-ধাৰণা আৰু নীতি-নিয়মৰ ওপৰত। গতিকে সকলো স্তৰৰ মানুহক সু-যুক্তিৰ স্বৰূপ, শক্তি আৰু প্ৰয়োজনীয়তা সম্পৰ্কে সচেতন কৰি তোলাটো সময়ৰ আহ্বান। শেষত, বাৰ্ট্ৰাণ্ড ৰাছেলৰ সুৰত সুৰ মিলাই কওঁ আমি এনে এটা জগত বিচাৰো যত শিক্ষাই যুৱ সমাজৰ মনক গোড়ামিৰ কঠোৰ কৰ্মৰে শৃংখলিত কৰি ৰখাৰ পৰিৱৰ্ত্তে সু-শিক্ষাই তেওঁলোকৰ মনত স্বাধীনতাৰ ভাৱ জগাই তুলিব পাৰে। কাৰণ যুক্তিনিষ্ঠ মুক্ত মন আৰু মুক্ত অন্তৰ বৰ্তমান জগতৰ অতি প্ৰয়োজন।

----ঃঃ----

*লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম কিন্তু নিজক পবিত্ৰ কৰাটো তাতকৈ বুদ্ধিমানৰ কাম।*

***—মহাত্মা গান্ধী***





# জীৱ বৈচিত্ৰ আৰু ইয়াৰ সংৰক্ষণ

মোঃ আব্দুল খালেক
সহযোগী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

জীৱ বৈচিত্ৰ হ'ল দুটা শব্দৰ সমিষ্টি- 'জীৱ আৰু বৈচিত্ৰ' জীৱ শব্দই উদ্ভিদ আৰু প্ৰাণী উভয়কে বুজায় আৰু বৈচিত্ৰ বিভিন্ন জীৱৰ সম্ভাৰক বুজায়। গতিকে জীৱ বৈচিত্ৰ হ'ল কোনো এক পৰিৱেশত থকা উদ্ভিদ, প্ৰাণী, অনুজীৱ আদি বিচিত্ৰ জীৱৰ স্থিতি। সহজ ভাষাত কবলৈ হ'লে জীৱ-বৈচিত্ৰ কোনো এক নিৰ্দ্দিষ্ট পৰিৱেশত জীৱাণুৰ পৰা আৰম্ভ কৰি বিভিন্ন উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিৰ বৈচিত্ৰ বা ভিন্নতাক বুজায়। অন্য অৰ্থত কোনো স্থানৰ জীৱ সমূহৰ জিনীয় সম্পদৰ সমাহাৰকে জীৱ বৈচিত্ৰ বোলা হয়। ১৯৮৬ চনত নৰছ নামৰ এজন আমেৰিকান বিজ্ঞানী আৰু তেওঁৰ সহযোগী সকলে জীৱৰ বিভিন্নতা বা জীৱৰ পাৰস্পৰিক পাৰ্থক্য বুজাবলৈ "Bio-diversity" শব্দৰ প্ৰয়োগ কৰে। ভিন্ন পৰিৱেশত জীৱ-বৈচিত্ৰতাৰ অৱস্থা বেলেগ বেলেগ হয়। উদাহৰণ হিচাপে ভাৰতবৰ্ষত 15,000 সপুষ্পক উদ্ভিদ প্ৰজাতি আছে। কিন্তু আমেৰিকাৰ ব্ৰাজীলত 55,000 প্ৰজাতি আছে। এতিয়ালৈকে অনুমান কৰা হৈছে পৃথিৱীত প্ৰায় পাঁচ কোটি বিভিন্ন ধৰণৰ জীৱ আছে আৰু তাৰে ভিতৰত 250,000 ধৰণৰ উদ্ভিদ, 44,000 ধৰণৰ মেৰুদণ্ডী প্ৰাণী, 750,000 ধৰণৰ পতংগ আৰু অমেৰুদণ্ডী আৰু অনুজীৱৰে 14 লক্ষ জীৱক চিনাক্ত কৰা হৈছে। আমাৰ প্ৰয়োজনীয় এই উদ্ভিদ আৰু প্ৰাণীবোৰ লক্ষ লক্ষ বছৰৰ বিৱৰ্তনৰ ফলত বৰ্তমান অৱস্থাত পৰিণত হৈছে আৰু ব্যৱহাৰ কৰি থকা উদ্ভিদ আৰু প্ৰাণী বিলুপ্ত হলেও বিৱৰ্তনৰ ফলত নতুন নতুন ধৰণৰ প্ৰয়োজনীয় জীৱৰ সৃষ্টি হৈ জীৱ-বৈচিত্ৰ বৃদ্ধি হৈ থাকিব।

***জীৱ-বৈচিত্ৰ তিনিটা বিষয়ক ভিত্তি কৰি নিৰূপন কৰা হয়।***

**১। অনুবংশিক বৈচিত্ৰ** (Genetic diversity):- একে বা ভিন্ন প্ৰজাতিৰ উদ্ভিদ বা প্ৰাণীৰ জিনৰ বৈচিত্ৰতাকে বুজায়। প্ৰতিটো জীৱৰ বংশগতিৰ ধাৰা পৰস্পৰৰ ভিন্ন আৰু এই ভিন্নতা জিনৰ আদান প্ৰদান তথা জীৱৰ জীয়াই থকাৰ সংগ্ৰামৰ ফলতে হৈছে। এটা নতুন জীৱ অনেক গুণৰ সংমিশ্ৰণ ই কৃত্ৰিম ভাৱে নাইবা প্ৰকৃতিত আপোনা-আপুনি হোৱাৰ ফলত হয় আৰু এই বাবেই এইখন জগতত ইমান ধৰণৰ ধান, গম, বাঁহ উদ্ভিদ আৰু কুকুৰ, মেকুৰী, বাঘ আদি প্ৰাণী আছে। মুঠতে জীৱ-বৈচিত্ৰৰ মূল হৈছে জিনীয় বৈচিত্ৰ অৰ্থাৎ অনুবংশিক সম্পৰ্কীয় বৈচিত্ৰ যাৰ ফলত জীৱ-বৈচিত্ৰ চহকী।

**২। প্ৰজাতি বৈচিত্ৰ**( Species diversity):- প্ৰজাতিৰ ভিন্নতাক প্ৰজাতিগত বৈচিত্ৰ বোলে। প্ৰজাতিৰ বিভিন্নতা প্ৰকৃতিৰ নিয়ম। সেই বাবে পৃথিৱীত ইমানবোৰ প্ৰজাতি আছে। বিভিন্ন ঠাইত প্ৰজাতি বিভিন্ন হয় আৰু যি অঞ্চলৰ প্ৰজাতি সংখ্যা বেছি সেই অঞ্চলক অইন অঞ্চলতকৈ চহকী বুলি কোৱা হয়। পৃথিৱীৰ মৰুভূমি আৰু মেৰু অঞ্চলত প্ৰজাতিৰ সংখ্যা নিচেই কম আৰু ক্ৰান্তীয় আৰু বিষুৱীয় অঞ্চলত বেছি। আমাৰ ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চল অইন অঞ্চলতকৈ প্ৰজাতিৰ সংখ্যা বেছি হোৱা বাবে চহকী আৰু সেয়েহে জীৱ-বৈচিত্ৰত চহকী।

**৩। আবাসিক বা পৰিৱেশিক বৈচিত্ৰঃ**-এটা পৰিস্থিতি তন্ত্ৰত বিভিন্ন ধৰণৰ জীৱৰ আবাস ভূমিৰ বৈচিত্ৰ আৰু প্ৰতিটো আবাসত নানা ধৰণৰ জীৱ জীয়াই থকাকে বুজায়। পৰিৱেশ তন্ত্ৰ তিনি ধৰণৰ- স্থলত পৰিৱেশ তন্ত্ৰ, জলজ (অলৱনাক্ত) পৰিৱেশতন্ত্ৰ আৰু সামুদ্ৰিক পৰিৱেশ তন্ত্ৰ। ভিন ভিন পৰিৱেশ তন্ত্ৰত জীৱ-বৈচিত্ৰ ভিন ভিন। যেনেঃ- মৰুজ পৰিৱেশ তন্ত্ৰত জীৱ-বৈচিত্ৰ একেবাৰেই কম আৰু বিষুৱীয় তন্ত্ৰ অৰণ্যত জীৱ-বৈচিত্ৰ অধিক। সামুদ্ৰিক পৰিৱেশ তন্ত্ৰ স্থলজ পৰিৱেশ তন্ত্ৰতকৈ অধিক চহকী। জীৱ-বৈচিত্ৰ অধ্যয়নৰ বাবে আমি কেইবাটাও ভাগত ভগাই লও হ'ক। যেনেঃ-

1. স্থলজ জীৱ বৈচিত্ৰ (Tirrestrial biodiversity):- পৃথিৱীৰ ভূ-ভাগত থকা জীৱ-বৈচিত্ৰৰ ভাণ্ডাৰ অতি বিশাল। ইয়াত তিনিটা পৰিৱেশতন্ত্ৰ আছে যেনেঃ— প্ৰাকৃতিক, অৰ্ধ-প্ৰাকৃতিক আৰু মানৱ সৃষ্টি পৰিৱেশতন্ত্ৰ। প্ৰাকৃতিক পৰিৱেশতন্ত্ৰ - উত্তৰ পূৰ্বাঞ্চলৰ চিৰসেউজীয়া আৰু অৰ্ধ সেউজীয়া অৰণ্য আৰু বনভূমিৰ কাষৰীয়া অঞ্চল, পতিত ভূমি, চিৰিয়াখানা উদ্যান আদি অৰ্ধ-প্ৰাকৃতিক পৰিৱেশতন্ত্ৰ।

2. জলজ জীৱ বৈচিত্ৰ (Aquatic biodiversity):- পৃথিৱীত জীৱৰ সৃষ্টি প্ৰথমে জল ভাগতেই হয়। এই জলভাগেই ধাৰণ কৰি আছে জীৱ বৈচিত্ৰৰ বৃহত্তম ভাণ্ডাৰ। অসংখ্য নদ-নদী, জান-জুৰি, পিতনি, পুখুৰী হ্ৰদেৰে ভৰপুৰ আমাৰ ভাৰতবৰ্ষ। অসম নদী মাতৃৰ দেশ। ইয়াত ৩৫০০ মান আদ্ৰভূমি আছে। এই জলাশয়বোৰ প্ৰাণী উদ্ভিদৰ সুবিশাল ভঁৰাল হিচাপে পৰিগণিত হৈ আছে।

3. মানৱ সৃষ্টি পৰিৱেশ তন্ত্ৰত জীৱবৈচিত্ৰ (Bio-diversity in man-made ecosystems):- মানুহে নিজৰ সুবিধা আৰু প্ৰয়োজন অনুসৰি বনৰীয়া শস্য আৰু ফলমূলৰ খেতি কৰিবলৈ লয়। সেইদৰে মাংস, গাখীৰ উৎপাদন আৰু যাতায়ত পৰিবহনৰ উদ্দেশ্যে, বনৰীয়া পশু-পক্ষীক পোহ মনাই ঘৰচীয়া কৰিবলৈ লয়। জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ আৱাসস্থান আৰু কৃষিক্ষেত্ৰৰ সম্প্ৰসাৰণ ঘটে। বৰ্ধিত জনসংখ্যাৰ চাহিদা পুৰাবলৈ বৰ্ণ সংকৰ, বীজৰ উদ্ভাৱন হ'ল। উদ্যোগীকৰণ, খনিজ সম্পদৰ উদঘাটন, কৃষি ক্ষেত্ৰৰ সম্প্ৰসাৰণ আদিয়ে সূচনা কৰিলে এক নতুন পৰিৱেশতন্ত্ৰ যাক মানৱ সৃষ্টি পৰিৱেশ তন্ত্ৰ বুলি কোৱা হয়।

পৃথিৱীৰ চহকী জীৱ-বৈচিত্ৰৰ দেশবোৰৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। পৃথিৱীৰ জীৱ-বৈচিত্ৰৰ ৬ শতাংশ ভাৰতেই নিৰূপন কৰে। প্ৰাপ্ত তথ্যমতে ভাৰতত প্ৰায় ৪৫,০০০ বন্য উদ্ভিদ আৰু ৯৯,০০০ প্ৰাণী আছে। তাৰোপৰি অতিকমেও১৬৬ প্ৰজাতিৰ শস্য আৰু ৩২০ টা প্ৰজাতিৰ বনৰীয়া শস্য আছে। প্ৰাণীৰ ভিতৰত ৩১৭ টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ১১৭৭ টা প্ৰজাতিৰ চৰাই, ২০৬ টা প্ৰজাতিৰ জলচৰ প্ৰাণী এতিয়ালৈকে চিনাক্ত কৰা হৈছে। ইয়াৰে বেছিভাগ অসম তথা উত্তৰ পূৰ ভাৰতত পোৱা যায় বাবে অসম বিশেষভাৱে চহকী।

উত্তৰ পূৰ (অসম) ত ভাৰতবৰ্ষৰ-

| | | |
|---|---|---|
| ১। | সপুষ্পক উদ্ভিদ | ১৫,০০০ ৰ ভিতৰত ৪,০০০ প্ৰজাতি (নগ্নবীজ ৫৪ ৰ ৪৫ প্ৰজাতিধাৰী) |
| ২। | ঢেকীয়া উদ্ভিদ | ১০১২ „ „ ৫০০ প্ৰজাতি |
| ৩। | কপৌ (Orchids) উদ্ভিদ | ১১৪৫ „ „ ৮২৫ „ |
| ৪। | Rhododendrons | ৯০ „ „ ৮০ „ |
| ৫। | বাহঁ (Bamboos) | ১৭০ „ „ ১৩৬ „ |
| ৬। | বেত | ৫৬ „ „ ২৫ „ (পোৱা যায়) |

ঠিক তেনেকৈ প্ৰাণী বৈচিত্ৰৰ ক্ষেত্ৰতো আমাৰ উত্তৰ পূৰাঞ্চল চহকী। এটা সমীক্ষা মতে—

| | | |
|---|---|---|
| ১। | কীট পতংগ (Insects) | ৩,৬২৪ প্ৰজাতি |
| ২। | কুমজেলেকুৱা (Molluses) | ৫০ „ |
| ৩। | মাছ | ২৩৬ „ |
| ৪। | উভচৰ | ৬৪ „ |
| ৫। | সৰিশৃপ (Reptiles) | ১৩০ „ |
| ৬। | চৰাই | ৫৪২ „ আৰু আছে |
| ৭। | স্তন্যপায়ী (Mammalian) | ১৬০ „ |





জৈৱ বৈচিত্ৰৰ সংৰক্ষণ (Conservation of bio-diversity):- জৈৱ বৈচিত্ৰৰ সংৰক্ষণৰ বিজ্ঞান সন্মত কৌশল হিচাপে আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় পৰ্য্যায়ত বিভিন্ন প্ৰচেষ্টা হাতত লোৱা হৈছে। উদাহৰণ হিচাপে ২২ মে'ৰ দিনটো সমগ্ৰ বিশ্বতে 'জৈৱ-বৈচিত্ৰ দিৱস' (Bio-diversity Day) হিচাপে পালন কৰি জীৱ-বৈচিত্ৰ সংৰক্ষণ কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভিতৰত হস্তী প্ৰকল্প, ব্যাঘ্ৰ প্ৰকল্প, নল গাহৰি প্ৰকল্প আদি প্ৰজাতি সংৰক্ষণৰ উপায় কৰা হৈছে। তেনেদৰে ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আৰু সংৰক্ষিত জীৱ মণ্ডল হ'ল পৰিস্থিতি তন্ত্ৰৰ সংৰক্ষণৰ দিশত বলিষ্ঠ পদক্ষেপ। আনহাতে কিছুমান নৃগোষ্ঠীয় গোটসমূহৰ পৰম্পৰাই অনেক প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী সংৰক্ষিত কৰাত সহায় কৰে। ঘাঁহবন আৰু গছক পৱিত্ৰ বুলি মানি অহা পৰম্পৰাই পৰিৱেশতন্ত্ৰক সামাজিক সুৰক্ষা দি আহিছে।

জীৱ বৈচিত্ৰৰ সংকট মানেই মানুহ তথা অন্য জীৱকুল উদ্ভিদ আৰু প্ৰাণীৰ বিপৰ্যয় আৰশ্যম্ভাবী। সেয়েহে আমি জীৱ-বৈচিত্ৰ সম্পৰ্কে চিন্তা কৰাটো সমগ্ৰ জীৱ জগতৰ বাবে অত্যাৱশ্যকীয় হৈ পৰিছে আৰু জীৱ-বৈচিত্ৰ দিৱস পালন কৰাটো তাৎপৰ্য্যপূৰ্ণ। নহলে আমি ভাৰসাম্যহীন, নিয়ন্ত্ৰনহীন পৃথিৱীত বাস কৰিব লগা হব বা বাসৰ উপযোগী স্থানো হেৰাই যাব। সম্প্ৰতি দেখা গৈছে, বিশ্বজুৰি বিজ্ঞান প্ৰযুক্তিৰ উত্তোৰণ ঘটিলেও অন্ধবিশ্বাস আৰু কুসংস্কাৰ আতঁৰ হোৱা নাই। ফলত আজিও বহু সংখ্যক জীৱক অনাহকতে হত্যা তথা মাংসৰ বাবে বহু সময়ত জীৱহত্যাৰ দৰে লোমহৰ্ষক ঘটনা ঘটিছে। ঔষধি গুণ থকা বুলি চলি অহা বিশ্বাস এটাৰ বাবে গড় হত্যা কৰি খড়্গটো কাটি লৈ যোৱা, ছাল বা চৰ্বিৰ বাবে বাঘ, সুন্দৰ ছাল বা মাংসৰ বাবে হৰিণা, জেব্ৰা, সাপ আদিৰ হত্যা চলি আছে। অৰণ্য ধ্বংসৰ ফলত একোটা জীৱ-বৈচিত্ৰত পোৱা অজস্ৰ প্ৰাণীৰ আৰু সহস্ৰাধিক উদ্ভিদৰ প্ৰজাতি হেৰাই যাব ধৰিছে। বন্য প্ৰাণী আৰু উদ্ভিদৰ ধ্বংস কাৰ্য্য বৈধ-অবৈধ ব্যৱসায়, বনভূমি হ্ৰাস, আদ্ৰভূমি কৃষি সম্প্ৰসাৰণ, প্ৰাকৃতিক দূৰ্য্যোগ আদিত জীৱ-বৈচিত্ৰ বিপৰ্য্যয় হৈছে। ইয়াৰ অন্যতম কাৰণ মানৱ সৃষ্টি কৰ্ম-ৰাজি। যাৰ ফলত ২০০৪ চনৰ 'ৰেডলিষ্টত' অন্তৰ্ভূক্ত জৰীপত বিভিন্ন প্ৰাণীৰ প্ৰজাতি আৰু উদ্ভিদ বিপন্ন হৈছে। তলত তাৰে এটি খতিয়ান দাঙি ধৰা হ'ল-

| *প্ৰজাতিৰ নাম* | *আৱিস্কাৰ হৈছে* | *বৰ্তমান আছে* | *বিপন্ন হৈছে* |
|---|---|---|---|
| ১। স্তন্যপায়ী | ৫৪১৬ বিধ | ৪৮৫৩ বিধ | ১১০১ বিধ |
| ২। চৰাই | ৯৯১৭ বিধ | ৮৭০৪ বিধ | ১২১৩ বিধ |
| ৩। সৰীসৃপ | ৮১৬৩ বিধ | ৭৮৫৯ বিধ | ৩০৪ বিধ |
| ৪। উভচৰ | ৫৭৪৩ বিধ | ৩৯৭৩ বিধ | ১৭৭০ বিধ |
| ৫। মৎস্য | ২৮৫০০ বিধ | ১১৭২১ বিধ | ৮০০০ বিধ |
| ৬। উদ্ভিদ | ২৮৭৬৫৫ বিধ % | ১১৮২৪ বিধ | ৮৩২১ বিধ |

ইয়াৰে আমাৰ ভাৰতবৰ্ষৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে স্তন্যপায়ী ৮১, চৰাই ৩৮, উভচৰ ১৮ আৰু সৰীসৃপ ১৮ বিধ বিলুপ্তিৰ গৰাহত পৰিছে। উদ্ভিদৰ ভিতৰত ১০ সপুষ্পক উদ্ভিদ বিপন্ন হৈছে। ব্যাপক বনাঞ্চল ধ্বংস, প্ৰদূষণ অতিমাত্ৰা বৃদ্ধি, বাসস্থানৰ অভাৱ আদিয়ে এই ক্ষেত্ৰত ইন্ধন যোগাইছে বুলি প্ৰতিবেদনত প্ৰকাশ। জীৱ-বৈচিত্ৰ সংকোচনৰ ফলত অদূৰ ভৱিষ্যতে আমি বহুতো সমস্যাৰ সন্মুখীন হব লাগিব। যিহেতু জীৱ-বৈচিত্ৰ এক অমূল্য সম্পদ সেয়েহে ইয়াৰ ৰক্ষণাবেক্ষন তথা সংৰক্ষণ সম্পৰ্কীয় চিন্তা-চৰ্চা আমি সকোলোৱে কৰা উচিত। ইয়াৰ সুৰক্ষা আৰু সংৰক্ষণৰ উদ্দেশ্যে কৌশল উদ্ভাৱনৰ ক্ষেত্ৰত আমি যথাসম্ভৱ অৰিহণা যোগাবলৈ প্ৰস্তুত থকা উচিত।

*********

# একক প্ৰেমৰ যন্ত্ৰনা

ৰকিবুল ইছলাম (ৰকি)
স্নাতক প্ৰথম বৰ্ষ (কলা)

কলেজত নাম ভৰ্ত্তি চলি আছে। বহুতো ছাত্ৰ-ছাত্ৰীৰ সমাগম হৈছে। Conference Hall ত ছাত্ৰ-ছাত্ৰীৰ ভীৰত বৰলে যেনেকৈ গুণ-গুণকৈ গান গাই থাকে ঠিক তেনেকুৱাই এক প্ৰতিচ্ছবি ছাত্ৰ-ছাত্ৰীৰ হুলস্থুলীয়া পৰিৱেশৰ মাজত ভাঁহি উঠিছিল। আকাশেও Admission লোৱাৰ কাৰণে আহিছে। তেওঁ এইখন কলেজৰ পৰাই উচ্চতৰ মাধ্যমিক পাছ কৰিছে সেই কাৰণে Admission লওঁতে কাৰো ওচৰত তেওঁৰ সুধিব নালাগে। শিক্ষা বিভাগত গুৰু বিষয়লৈ স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্ত্তি কৰিলে। ফৰ্ম জমা দি পিছফালে চাই এজনী ছোৱালীক দেখা পালে। তেওঁ এনেকৈ 'ৰ' লাগি চাই থাকিল যে পৃথিৱীত কোনোদিনেই তেনেকুৱা ছোৱালী তেওঁ চকুৰ আগত পৰা নাই। তেওঁৰ অন্তৰ আত্মাই কবলৈ ধৰিলে- "তুমিয়েই মোৰ গোটেই জীৱনৰ লগৰী, তুমিয়েই মোৰ জীৱন মৰণৰ সংগী" আকৌ কবলৈ ধৰিলে- "তুমিয়েই মোৰ অশান্ত মনত শান্তি দিব পাৰিবা" এনে কিছুমান কল্পনা কৰি কৰি তেওঁ বাস্তৱ জগতত আহি দেখিলে যে ছোৱালীজনী তাত নাই। আকাশে বিচাৰি বিচাৰি তাইক আকৌ দেখা পালে আৰু ওচৰত গৈ সুধিলে, Oh হেৰী। ফৰ্ম জমা দিবা? উত্তৰত তাই এই বুলি কলে 'অ' হয়। আকৌ সুধিলে কোন কলেজৰ পৰা আহিছা? কি Major লবা? ইত্যাদি প্ৰশ্নৰ শেষত ছোৱালীজনীয়ে তেওঁক ক'লে can you help me ? (তুমিমোক অলপ সহায় কৰিবানে?) আকাশে কলে, নিশ্চয়। তুমি কোৱা। ইয়াত বহুতো ভীৰ হৈছে মোৰ ফৰ্মটো অলপ জমা দি দিবা? আকাশে ফৰ্মটো জমা দি ক'লে তেন্তে মই এতিয়া আহোঁ বুলি এখোজ দি আকৌ Oh Hello তোমাৰ নামটো জনা নাই কবানে? ছোৱালীজনীয়ে জেৰি বুলি কোৱাত আকাশে bye বুলি তাৰ পৰা আতঁৰি গ'ল।

সিদিনাৰ পৰাই আকাশে জেৰিক অন্তৰত সাঁচিলৈ কল্পনা ৰাজ্যত বাস কৰি আছে । তেওঁৰ অন্তৰত অকল কবলৈ ধৰিলে জেৰি মোৰ, মোৰ বাহিৰে কাৰো হব নোৱাৰে ইত্যাদি চিন্তাই বন্ধৰ দিনবোৰ অতিবাহিত কৰিলে। কলেজ আৰম্ভ হোৱাৰ আগদিনা Uniform ৰ কাপোৰ বিলাক ধুই কলেজত যোৱাৰ বাবে সাজু হৈছে। পিছদিনা ৰাতিপুৱা গা-পা ধুই 8:30 বজাত কলেজ পালে 9:15 বজাত Period আছে। কিন্তু আকাশৰ Period ৰ কথা মনতেই নাই। তেওঁ মাথোন ৰ' লাগি চাই আছে কেতিয়া জেৰি আহে। চাই থাকোতে থাকোতে জেৰি আহি পালে। প্ৰথম দিনাই জেৰিয়ে আকাশৰ ফালে চাই মিচিকীয়া হাঁহি এটা মাৰি কলে- " আকাশ ভালেই আছা" তেতিয়া আকাশৰ কেনে লাগিছিল সেয়া আকাশ আৰু ঈশ্বৰৰ বাহিৰে কোনেও কব নোৱাৰিব। কাৰণ তেওঁৰ মনটো তেতিয়া আনন্দত কঁপি উঠিছিল। আকাশ সহজ সৰল মনৰ ল'ৰা। তেওঁৰ এতিয়ালৈকে কোনো ছোৱালীৰ লগত প্ৰেমৰ সম্পৰ্ক হোৱাই নাই। তেওঁৰ জীৱনত এনে এজনী চকুত পৰিছে যে, তাৰ কথা তেওঁ মনৰ পৰা গুচাব পৰা নাই। আকাশে তাইৰ ৰূপ আৰু গুণত ইমানেই মুগ্ধ হৈছে যে জেৰিক লৈ তেওঁ কবিতা এটি লিখি পেলালে। আকাশে কেৱল মাত্ৰ দিনে-নিশাই জেৰিকলৈয়ে কল্পনা কৰি থাকে।

জেৰিয়ে Major ক্লাচ কৰে, আকাশে তেওঁৰ Major ক্লাচ আৰম্ভ হোৱাৰ আগতে জেৰিয়ে বহি থকা Room ত উপস্থিত হয় আৰু নানা ধৰণৰ কথা-বতৰা পাতে। দুয়ো বেলেগ বেলেগ Major ললেও সিহঁতৰ মাজত এক ভাল সম্পৰ্ক গঢ়ি





উঠিছে। দুয়ো দুয়োৰে Mobile নম্বৰ ললে। মাজে সময়ে আকাশে জেৰিক ফোন কৰে নাইবা Message পঠাই সিহঁতৰ মাজত ভাৱ বিনিময় কৰে। আকাশ কিন্তু এইখিনিতে সন্তুষ্ট নহয় কাৰণ যি কেইদিন Mobile ত কথা পাতিছে ইয়াৰ এদিনতো জেৰিয়ে এটা Call কৰা নাই। তেতিয়া আকাশৰ অলপ বেয়া লাগিছে অভিমান কৰি বহু কেইদিন Call কৰা নাই। জেৰিয়েও Call কৰা নাই। আকাশ বৰ চিন্তিত অৱস্থাত আছে। হঠাতে এদিন জেৰিয়ে Call কৰিছে, ৰিং বাজিছে আকাশে Mobile হাতত তুলিলৈছে। কিন্তু Receive কৰা নাই। আনন্দত তেওঁৰ হৃদয়খন ব্যাকুলহৈ পৰিছে। ৰিং বাজি বাজি Phone কাটি গ'ল। আকাশে Redial কৰিছে জেৰিয়ে Phone Recive কৰি Hello Akash কি খবৰ? কি কৰি আছা? তুমি দেখোন এতিয়া Call য়েই নকৰা। আকাশে মাত্ৰ উত্তৰকেইটাহে দি আছে। কোনো ধৰণৰ প্ৰশ্ন কৰা নাই। আকাশৰ জেৰিৰ প্ৰতি থকা সকলো অভিমান নাইকিয়া হ'ল। তাৰ পিছত তেওঁলোকৰ মাজত ৰাতি পঢ়া-শুনা কৰি টোপনি যোৱাৰ আগত Mobile ত Call অথবা Message পঠাই Good Night bye বুলিহে টোপনিত যোৱা হ'ল।

কিন্তু সকলোতকৈ আচৰিত কথা হ'ল ইমানখিনি সম্বন্ধ হোৱাৰ ফলতো আকাশে কিন্তু তেওঁৰ মনৰ কথা জেৰিৰ ওচৰত কব পৰা নাই কাৰণ আকাশ ছোৱালীহঁতৰ লগত friendship কৰিব পাৰে। কিন্তু প্ৰেমিকা হিচাপে কাকো গঢ় দি তুলিব নোৱাৰে। সেয়া আকাশৰ প্ৰেমৰ ক্ষেত্ৰত এক ডাঙৰ প্ৰত্যাহ্বান। সেই কাৰণে আকাশৰ বহুতো ছোৱালী বান্ধৱী আছে তাৰ ভিতৰত এজনী বান্ধৱী বৰ আপোন সদায় দুয়ো একে লগে থাকে। গতিকে কলেজৰ বহুতো ল'ৰা-ছোৱালীয়ে সিহঁতৰ সম্বন্ধক প্ৰেমৰ সম্বন্ধ হিচাপে কব খোজে।

এতিয়া Akash ৰ এটাই মাথোন চিন্তা জেৰিয়ে যাতে আন কোনো ল'ৰাৰ লগত প্ৰেমত আৱদ্ধ নহয়। আকাশৰ এটা চাকৰি হোৱাৰ সম্ভাৱনাই দেখা দিলে আৰু তেওঁৰ মনত এক বিৰাট প্ৰতিযোগিতাৰ ভাৱ উদয় হ'ল। এনেকৈয়ে তিনি বছৰ পাৰ হ'ল আকাশে 1st Class পাই B.A. পাছ কৰিলে আৰু তাৰ এবছৰৰ ভিতৰত আকাশৰ চাকৰিটো সম্পূৰ্ণ ভাৱে হ'ল। আকাশ এতিয়া হাই স্কুলৰ শিক্ষক। চাকৰি হোৱাৰ ছয়মাহ পিছত আকাশে জেৰিহঁতৰ ঘৰত বিয়াৰ প্ৰস্তাৱ পঠালে। প্ৰস্তাৱমতে জেৰিৰ মাক দেউতাকে সন্মতি দিলে। সেইদিনা ৰাতি জেৰিয়ে কাৰোবাৰ পৰা আকাশৰ নম্বৰটো যোগাৰ কৰি Call কৰি ক'লে আকাশ মোৰ ঘৰত দিয়া বিয়াৰ প্ৰস্তাৱটো তুমি Please উঠাই লোৱা কাৰণ মই অজয়ক ভাল পাওঁ আৰু মই তেওঁকেই বিয়া কৰাম। তুমি আমাৰ মাজত আহি এক প্ৰত্যাহ্বান হিচাপে থিয় নিদিবা Please । এইখিনি কোৱাৰ লগে লগে আকাশৰ অশ্ৰুৰ পৰা বজ্ৰৰ দৰে পানী আহি বৰষুণৰ নিচিনা বই যাব ধৰিলে। Akash য়ে জেৰিক একো কব নোৱাৰিলে। ফোনটো কাটি দিয়েই আকাশ অচেতন হৈ গ'ল। ধৰা ধৰিকৈ ওচৰৰ CHC লৈ অনা হ'ল। ডাক্তৰে Treatment কৰাৰ পিছত আকাশ সুস্থ হ'ল। কিন্তু তেওঁ মাথোন জেৰি জেৰিকৈ চিঞৰি উঠে আকৌ অচেতন হয়। এনেকৈ থাকোতে থাকোতে এদিন বজ্ৰৰ দৰে তেওঁৰ কৰ্ণ গোচৰ হ'ল যে জেৰিৰ বিয়া অজয়ৰ লগত হৈ গৈছে সিদিনাৰ পৰা আকাশ আৰু অচেতন নহয় কিন্তু তেওঁ পাগল হৈ গ'ল কাৰো কথাই তেওঁৰ মগজুত নুবুজা হ'ল। আকাশৰ এতিয়া এজন পাগল হিচাপে পৰিচয় আছে।

পাগলজন এতিয়া ৰাস্তাৰ কাযত বহি থাকে আৰু কোনো বাটৰুৱাক দেখিলে জেৰি জেৰি বুলি চিঞৰি উঠে।

-----ঃঃ-----

# পূৰ্ণিমাৰ ৰাতিৰ অমাবস্যা

ৰফিকুল ইছলাম
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

বাৰিষাৰ প্ৰথম বৰষুণজাক আৰম্ভ হৈছে মাত্ৰ। মূৰৰ ওপৰৰ আকাশখনৰ ৰংবোৰ কাহানিবাই নেদেখা হৈছে। জাকে জাকে নাম নজনা মিহলি ৰঙৰ ডাৱৰে আৱৰি ধৰিছে আকাশখন। গছৰ পাতবিলাক ধুমুহাৰ প্ৰচণ্ড কোব সহ্য কৰিব নোৱাৰি যেনি তেনি সিঁচৰিত হৈ পৰিছে। বাৰিষাৰ এনে ক্লেদাক্ত পৰিৱেশত জানো শৰতৰ নিৰ্মল দিনৰ কল্পনা কৰাটো সহজ? কি যে এই বিচিত্ৰ পৃথিৱী?

ধুমুহাই যেন পৃথিৱীৰ প্ৰেয়সীৰ মন বুজি নাপায়। প্ৰেয়সী প্ৰেয়সী পৃথিৱী। স্বপ্না কাৰোবাৰ প্ৰেয়সী। কোনোবাতো তাইৰ প্ৰেমিক। যাৰ লগত তাই জীৱনৰ কেইবাটাও মধুৰ মূহূৰ্ত্ত পাৰ কৰিছে। ধুমুহাৰ দৰে যিজনে তাইৰ জীৱনত ভুমুকি মাৰিছিল আৰু আঁতৰি গৈছিল।

অতুল।। অতুল কাকতি- যিজন কলেজৰ এজন লেখত ল'ব লগা ছাত্ৰ। মেধাৱী ছাত্ৰ হিচাবে তাৰ নাম উচ্চাৰিত হয়। কলেজৰ তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিক হিচাপে বিবেচিত হৈছে কেইবাবাৰো। দেখাত ধুনীয়া নহলেও তেওঁক আকৰ্ষিত কৰিছে তাৰ ব্যক্তিত্বই।

সেই দিনা আছিল ফাকুৰ ৰঙৰ উৎসৱ-হোলি। কলেজ বন্ধ। স্বপ্নাৰ বান্ধৱী 'বৈশালী' আহিছে সিহঁতৰ ঘৰলৈ। ঘৰৰ ওচৰৰ ল'ৰা-ছোৱালীৰ ওঁঠত গীতৰ কলি, ভৰিত নৃত্যৰ তাল আৰু বুকুত উথলি উঠিছে আনন্দৰ জোৱাৰ। তেনে এটা মূহূৰ্ত্ততে অতুলহতঁৰ দলটো আহিছিল। অতুলে প্ৰথমতে ৰঙ দিবলৈ অলপ সংকোচ কৰিছিল যদিও অলপ পিছতে সেই সংকোচ আঁতৰাই তাইৰ মুখমণ্ডল ৰঙেৰে ভৰ্তি কৰিলে। স্বপ্নালৈ দ্বিতীয়বাৰ সি ঘূৰি চাব পৰা নাই। স্বপ্নাও মূৰ তুলি চাব পৰা নাই। বৈশালীয়ে দূৰৈৰ পৰা হাঁহিছে আৰু ওচৰৰ ল'ৰা-ছোৱালীজাকৰ লগহৈ উৰুলি দিছে। স্বপ্নাই কিবা কব বিচাৰিছে তাক। কিন্তু মুখৰ পৰা কোনো শব্দ ওলোৱা নাই। ডিঙিত কিবা এটাই যেন সোপা মাৰি ধৰিছে। ছোৱালীবোৰৰ প্ৰধান কাম যেন এজন লগৰী বাছি লোৱা। গোটেই জীৱনৰ বাবে নহলেও কলেজত থকা দিনকেইটাৰ বাবেই। তাইৰ এনে লাগিছে যেন হোলিৰ ৰঙ তাইৰ কপালত দিয়া নাই, তাৰ মৰমবোৰহে ৰং হিচাবে সিঁচি দিছে।

অতুল সাংঘাতিক ছিৰিয়াছ। ক্লাচত তন্ময়ে হৈ সকলো শুনি থাকে। স্বপ্না সদায় অস্থিৰ হৈ উঠে তাৰ লগত চিনাকি হৈ মনৰ কথাবিলাক উজাৰি কবলৈ। কিন্তু তাই আগবাঢ়িব নোৱাৰে। সংকোচ কৰে, যদি অতুলে তাইক প্ৰত্যাখান কৰে।

লাহে লাহে দুয়ো দুয়োৰে মাজত চকুৰ চিনাকি হলেও তেতিয়ালৈকে মনৰ ভাৱ বিনিময় হোৱা নাই। ক্ৰমান্বয়ে তাৰ লগত স্বপ্নাৰ অন্তৰংগতা গঢ়লৈ উঠিছে। কিন্তু কোনো দিনেই তাইৰ মনোভাৱ খুলি কব পৰা নাই। অতুলে তাইক লগ পালে প্ৰথমে হাঁহিৰে সঁহাৰি দিয়ে আৰু পঢ়া-শুনাৰ কথা আৰম্ভ কৰে আৰু অলপ সময়ৰ পিছত আঁতৰি যায়। তাই যেন ক্ৰমান্বয়ে ব্যাকুলহৈ পৰিছে। স্বপ্না অতুলক কিতাপ এখন খুজি সিঁহতৰ ঘৰলৈ তাক নিমন্ত্ৰণ দিলে।

অতুল আহিছে। ঘৰত কোনো নাই। আৰম্ভ হৈছে কিনকিনীয়া বৰষুণ। বৰষুণে যেন ধুই নিব সমস্ত আৱৰ্জনা, বাঁহৰ দোঁ খাই যোৱা আগবোৰ নাচি আছে আৰু তাৰ পৰা টোপটোপকৈ পৰি আছে ৰূপালী পানী। কঁচু পাতৰ ওপৰত পৰা পানীবোৰ মুকুতাৰ দৰে জিলিকি উঠিছে। ঘৰৰ ভিতৰত অডিঅ' চিষ্টেমত হিন্দী ৰোমান্টিক গীত। শ্ৰেষ্ঠ তাৰ্কিক অতুল কাকতিৰ নিজৰ ভাষা পাহৰি যোৱাৰ উপক্ৰম হ'ল। সুন্দৰ ধেনুভিৰীয়া ভ্ৰূ-যুগলৰ সৈতে উজ্জ্বল মুখাবয়ৱৰ আকৰ্ষণীয় ধুনীয়া যুৱতী স্বপ্নাৰ সন্মুখত সি ভাষা হেৰুৱাই পেলাইছে। স্বপ্নাৰ প্ৰেমত পৰিছে অতুল। ক্ৰমান্বয়ে বেছিহৈ আহিছে বৰষুণ। অতুলৰ জীৱনৰ বিষয়ে কৈছে তাইক। কাৰ্লমাক্সৰ দৰ্শনৰ দ্বাৰা কেনেকৈ অনুপ্ৰাণিত সেই বিষয়ে জ্ঞাত কৰিছে। এসময়ত অতুল আঁতৰি গ'ল।





ৰৈ গ'ল মাথো স্মৃতি............।

লাহে লাহে দিনবোৰ আগুৱাই গৈ আছে। দুয়ো কলেজত প্ৰায় একে লগে থাকে। লাইব্ৰেৰীতে দিনটো কটায়। দিনান্তৰ সূৰ্য্যৰ ঈষৎ হেঙুলীয়া পোহৰ আহি যেতিয়া লাইব্ৰেৰীৰ ৰিডিং ৰুমটোৰ পশ্চিম ফালৰ খিৰিকিখনত কিছু সময়ৰ বাবে জিৰায়হি, তেতিয়া সেই পোহৰ তাইৰ হাতত পৰি জিলিকি উঠে। কপালৰ ওপৰত উৰি থাকে সুন্দৰ মিহি চুলি। সি তাইৰ মুখলৈ কিছু সময় চাই পুনৰ কিতাপৰ মাজত ডুব যায়।

অতুলে তাইৰ লগত বিপ্লৱৰ বিষয়ে আলোচনা কৰে। অদূৰদৰ্শী ৰাজনৈতিক নেতাৰ বাবে আজিৰ সমাজত শ্ৰেণী বিভাজনৰ সৃষ্টি হ'ল। সি অনুভৱ কৰে, আজিৰ ৰাজনীতিত সৰ্বাত্মক বিপ্লৱৰ প্ৰয়োজন আছে। সমাজৰ পৰা ভেদাভেদ আঁতৰাবলৈ সিহঁতে হাতত মাৰণাস্ত্ৰ তুলি ল'ব।

প্ৰথমে অতুলৰ কথাবিলাক স্বপ্নাই একো বুজিব পৰা নাছিল। মাথো শুনি গৈছিল তাৰ কথা বিলাক। তাই অনুভৱ কৰে তাৰ প্ৰতিটো কথাই যেন তাইৰ অন্তৰত সোমাই থ'ব। লাহে লাহে তাই তাৰ কথাবিলাকত কিবা জটিলতাৰ, লগতে কিবা বিপ্লৱৰ গোন্ধ পাব ধৰিছে। সি বিপ্লৱৰ কথা কৈছিল ৰাষ্ট্ৰৰ বিৰুদ্ধে।

এখন যুদ্ধ হ'ব বুজিছা স্বপ্না। এই যুদ্ধ দৰিদ্ৰ জনগণৰ কল্যাণৰ বাবে। ৰাষ্ট্ৰৰ বিৰুদ্ধে আমি অস্ত্ৰ ধৰিম। শাসনৰ বাঘ জৰীডাললৈ যিবিলাকে দেশ শাসনৰ নামত শোষণ কৰিব ধৰিছে, সেই সকলৰ বিৰুদ্ধে। স্বপ্না একো বুজিব পৰা নাছিল। তাইৰ ভয় লাগে অতুলক হেৰুৱাৰ। নোপোৱাতকৈ পাই হেৰুৱাৰ বেদনা যে বেছি সেই কথা উপলব্ধি কৰে।

এদিন ঘৰৰ পৰা নোহোৱা হৈছিল অতুল। থৈ গৈছিল এটুকুৰা কাগজ, যত লিখা আছিল ......... "স্বপ্না- মোক পাৰিলে ক্ষমা কৰিবা। মই তোমাৰ পৰা বহু দূৰলৈ আঁতৰি গ'লো। তোমাৰ প্ৰেমক সাৰথি কৰি ৰূপান্তৰৰ স্বপ্ন বুকুত বান্ধি ওলালো। ওভতিব পাৰোঁ নে নোৱাৰো, ক'ব নোৱাৰো। মোৰ বাবে অপেক্ষা কৰিব নালাগে..........".

সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী বহুতো তেজাল যুৱকে নিৰ্ভীক ভাৱে জানি শুনিও মৰণৰ মুখলৈ আগবাঢ়িছে। বাতৰি কাকতত ডাঙৰ হৰফেৰে ওলাব "নিৰাপত্তা বাহিনীৰ গুলিত উগ্ৰপন্থীৰ মৃত্যু।" সিহঁতে কোনো ক্ষেত্ৰতে আপোচ নকৰে।

বহুতো প্ৰলোভনেও কিন্তু এচাম আদৰ্শবাদী যুৱকক সিহঁতৰ লক্ষ্য পথৰ পৰা বিচলিত কৰিব পৰা নাই। সিহঁতৰ সংগ্ৰামৰ প্ৰতিজ্ঞাই জ্বলন্ত মৃত্যুৰ ফালে আগবঢ়াই লৈ গৈছে। নোপোৱাটো পাৱৰ বাবে সিহঁত গৰ্জি উঠিছে। খুব কৌশলেৰে হত্যা কৰা হৈছে এজন এজনকৈ।

স্বপ্নাই বাতৰি কাকত পঢ়ি বলৈ পাইছে- "ভলকেনো" নেটৰ দুৰ্ধৰ্ষ সদস্য মেজৰ অতুল কাকতিৰ নেতৃত্বত জিলা আৰক্ষী অধীক্ষকসহ দহজনক বোমাৰে উৰুৱাই দিছে। কোনোবাই হত্যাকাৰীৰ সন্ভেদ দিব পৰিলে ৫০ হাজাৰ টকা দিয়া হ'ব।

স্বপ্নাই অতুলক লগ পোৱা হ'লে, তাই তাক ওভতি অহাৰ কথা কলেহেঁতেন, তাইৰ বাবে, দেশৰ মঙ্গলৰ বাবে। সিহঁতে জীৱন-মৰণৰ খেল খেলি কেতিয়াও শান্তি আনিব নোৱাৰে, কেৱল আনে নিৰাপত্তাহীনতা, অৰ্থনৈতিক অনগ্ৰসৰতা আৰু মৃত্যু। বিপ্লৱ মানেই সন্ত্ৰাস নহয়, বিপ্লৱ শান্তি পথেৰেও হয়। তাই আশা কৰে, সিহঁতৰ বুকুবোৰ এতিয়া ভৰি উঠক প্ৰত্যাশাৰে। নতুন আশাৰ চিকমিকনিৰে জলমলাই উঠক সপোন ভৰা চকু। ঘৃণা-বিদ্বেষৰ, হিংসা-সন্ত্ৰাসৰ কলীয়া ডাৱৰ আঁতৰাই বহাগৰ ধুমুহা সামৰা বুকুৰে মূৰ দাঙি চাওক।

স্বপ্নাৰ চিলমিলকৈ টোপনি আহিছে। সপোনত তাই দেখা পালে অতুলক। সেই আগৰ অতুল। সাৱটি ধৰিছে তাইক। স্বপ্নাৰ চকুত চকু পানী নিগৰিছে।

বাহিৰত এতিয়া ধুমুহা নাই। আকাশখন মুকলি হৈ আছে।

********

# প্ৰেম আৰু বিষন্নতাৰ আলাপ

ৰাবিয়া বসৰী
স্নাতক তৃতীয় বৰ্ষ (ক'লা শাখা)

*ডায়েৰীৰ পৰাঃ-*

2009 চনৰ 1 আগষ্ট। নৰজ্যোতি মহাবিদ্যালয়ত নামভৰ্ত্তি কৰি উচ্চ শিক্ষাৰ জগতত ভৰি থ'লো। স্মৃতিত গাঁৱৰ সেউজীয়া বনানি, বুকুত বিষাদ সংগীত। দুই বছৰ অতিক্ৰমি আমি এতিয়া জেষ্ঠ নৱজ্যোতিয়ান। স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। অথচ অবাধ কোলাহল আমাৰ- যেন নেওঁতা পঢ়িছো আহঁতৰ তলত।

*প্ৰেম এক অনন্য অনুভূতিঃ-*

প্ৰেম, ভালপোৱা জীৱনৰ সঞ্জীৱনী সুধা। কবিয়ে লিখিছেঃ- ভালপোৱা এতিয়াওঁ জীৱনৰ কল্যাণ সংগীত। বস্তুবাদৰ ধামখুমীয়াত প্ৰেম হৈছে এতিয়া এক সহজ নিয়া-দিয়া। তাৰ মাজতো অৱশ্যে আছে কেঁচা মাটিৰ দৰে গন্ধোৱা সঁচা প্ৰেমৰ এক অনন্য জীপাল অনুভূতি। ৰেখা তেনে এক বিস্মৃত ব্যতিক্ৰম। প্ৰেমিক ৰাজৰ সৈতে তেওঁ বান্ধিছে প্ৰেমৰ এখনি ঘৰ। অথচ ৰাজে দেখা নাই ৰেখা কেনেকুৱা। এক অজান বিষাদত তেওঁ লিখে-

পৃথিৱীৰ পোহৰ নেদেখাকৈ প্ৰেমৰ কথা ভৱাটো পাপ।

অথচ ৰেখা। আকাংক্ষী সপোনৰ বলি নহৈ ৰাজৰ বুকুত সিঁচি দিছে ভালপোৱাৰ বীজ। বুকুত হাত দি ক'ব পাৰো এতিয়াও আছে এনে বহু নৰ-নাৰী যাৰ বাবে প্ৰেম সকলোতকৈ ওখ, পাহাৰতকৈয়ো, আকাশতকৈয়ো............।

*বিষাদ মালিতাঃ-*

এদিন বুকুত স্মৃতি বান্ধি গুচি যায়। মহাবিদ্যালয়ৰ শেষান্ত পৰীক্ষা দি অন্বেষণ কৰিম নতুন পথ। গুচি যাব নৱজ্যোতিয়ান হৈ থকা সেউজীয়া দিনবোৰ। সকলো আঁতৰি যাব। অট'গ্ৰাফৰ সেউজীয়া আখৰ- “মোক নাপাহৰিবি” “বিয়াত মাতিবি” "Ambition to be a good teacher"............। দুশ্চিন্তাৰ আকাশ এতিয়াও আঁতৰি যোৱা নাই। তলতো আছে নিকপ-কপীয়া মাটি, অথচ নৱজ্যোতিয়ান পাৰ হ'লেই যে সকলো আহিব। শুহি নিব সোণালী সপোন।

*সুখৰ কোনো স্মৃতি নাথাকেঃ-*

এক একান্ত বিষাদ বোধত মন ভাৰাক্ৰান্ত হ'লেই কবিতা এশাৰী মনত পৰে-

“ সুখৰ কোনো স্মৃতি নাথাকে
স্মৃতি থাকে কেৱল দুখৰ..........।”

কিন্তু প্ৰতিটো ভাল লগা স্মৃতিৰ লগতে নানা তিতা অভিজ্ঞতায়ো আমনি কৰে। পিছে তাৰ মাজতো নৱজ্যাতি মহাবিদ্যালয়ৰ স্মৃতি সদায় মনলৈ আহিব, জোকাই থাকিব। নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতিটো শ্ৰেণী কোঠা, গছবোৰ বিশেষকৈ কৃষ্ণচূড়া স্মৃতিৰ বৰঘৰত সোমাই গৈছে। পাহৰিব নোৱাৰিম কৃষ্ণচূড়া ফুলাৰ সোঁৱৰণি কিম্বা বিদায় বিষাদৰ স্বৰ লিপি। আকৌ যেন এবাৰ নৱজ্যোতিয়ান হ'ম- বছৰে বছৰে............।

********





# ভালপোৱাৰ উপহাৰ গংগা আৰু যমুনা

মকিবুল ইছলাম
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

আমি দুয়ো চিনাকীৰ পিছৰ পৰাই দুয়ো দুয়োৰে কেনেবা যেন আপোন হৈ পৰিছিলো। এদিন নেদেখাকৈ থাকিব নোৱাৰা হৈছিলো। কিয় বাৰু, নাজানো? তাৰ পাছত?? হৃদয়ৰ সৰ্বোত্তম উপলব্ধিত আমি গম নোপোৱাকৈয়ে মনে মনৰ লগত কৰিছিলো অলিখিত চুক্তি SMS ৰ যান্ত্ৰিকতাৰ মাজতেই তুলি দিছিলা হৃদয়ৰ ৰং নীলাৰ পৰা আকাশী নীলালৈ। কবিতাবোৰ পাখিলগা কাঁড়ৰ নিচিনাকৈ উৰি গৈ ভৰি পৰিছিল তোমাৰ Inbox ত। তোমাৰ Mobile য়ে Missed call দিলেই উত্তাল হৈ পৰিছিল মোৰ Mobile, তোমাৰ ব্যস্ততাৰ খবৰ লবলৈ। দূৰত্ব হৈ পৰিছিল আমাৰ বাবে অৰ্থহীন। 9577688....... নম্বৰ ডায়েল কৰিলেই যে হৃদয় দুখন মুখৰহৈ পৰিছিল। হঠাতে এদিন আমাৰ কাঁইট হৈ থিয় দিছিল ক'লা ডাৱৰ। ....... আৰু এদিন লগ পোৱাৰ আশা বুকুত বান্ধি দুচকুত চকুলো লৈ উভতি আহিছিলো তোমাৰ কাষৰ পৰা শেষ বাৰৰ বাবে এজনে আনজনক নেদেখাকৈ, এবাৰ মাত এষাৰ মাতি অহাৰ সুবিধা নোপোৱাকৈ। মান-অভিমানে ধুৱাই গৈছিল মনবোৰ। স্থান লবলৈ সুযোগ পাইছিল অবিশ্বাস, বিৰক্তি হেৰাই গৈছিল মধুৰতাৰ, আত্মীয়তাৰ, হৃদয়তাৰ। শান্তিৰ নামত অশান্তিতৰ বীজ মুঠিয়ে মুঠিয়ে সিঁচিছিলো এজনে আনজনলৈ। উজাগৰী ৰাতিৰ চকু পানীয়ে ধুৱাই নিছিল SMS ৰ Inbox বোৰ অথচ ভৰা নাছিল তোমাৰ হৃদয়খন জীৱনত আজি তোমাৰ সাতৰঙী ৰামধেনুৰ জাত জাত উৰুলিৰ ধ্বনি। মাহ হালধিৰ গোন্ধেৰে কাৰোবাৰ মন প্ৰাণ জয় কৰিছিলা কিজানি। হয়তো প্ৰতি নিশাই মৰম বিচাৰি থিৰাং হ'বা। প্ৰতিদিনে হৃদয়ক সমাধি দি দি নিঃশেষ হবা। কাৰণ-

*মই যে মম হৈ গলি গলি পোহৰ দি থাকিম*
*তৰা হৈ আকাশত ধিমিক-ধামাককৈ জ্বলি থাকিম*
*ৰামধেনুৰ ৰঙহৈ বিয়পি পৰিম,*
*নঙঠা গছৰ মৰা পাত এখিলাৰ দৰে*
*চুই দিলে সৰি পৰিম,*
*কুৰুকি কুৰুকি তোমাৰ বুকুত সোমাই থাকিম*
*তেজ ৰঙা এটি জীৱন্ত কবিতা হৈ।*
*দুহাত মেলি দিছো, চোৱাচোন*
*একো অনা নাই তোমাৰ পৰা*
*আনিছো মাথো নয়নৰ দুখনি নদী*
*গঙ্গা আৰু যমুনা যিয়ে বৈয়েই থাকিব।।*



----::----

# প্ৰেমিক-প্ৰেমিকাৰ বাবে দু-এষাৰ

মোঃ নাজিমূল হক (ৰহিত)
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

যৌৱনৰ ৰঙীণ সপোনবোৰ কঢ়িয়াই আনে প্ৰেমে। জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ প্ৰেম। প্ৰেমে আৱৰা পৃথিৱীখনত আমি পাওঁ প্ৰেমৰ মাদকতা। ফাগুনৰ পলাশে দিয়ে আমাৰ হৃদয়ত প্ৰেমৰ বতৰা। প্ৰেমে দিয়ে মাথো আমাৰ হৃদয়ত আনন্দৰ ঢৌ। কিন্তু এই প্ৰেমৰ মাজতে থাকিব লাগিব বিশ্বাস। বিশ্বাস কৰিলেহে প্ৰেমত সফল হব পাৰি। প্ৰেমত নাৰাখিবা সন্দেহ, ৰাখিবা সদায় ইজনে সিজনে বিশ্বাস।

জীৱনটোৰ কাৰণে কৃষ্ণচূড়াডালৰ নিচিনাকৈ মুখত হাঁহি বিৰিঙাই ৰাখিবা। জেদ ভাৱ গুচাই প্ৰেমত ৰাখিবা মধুৰ ভাব। প্ৰেমিকজনে বা প্ৰেমিকাই যি বিচাৰে তাকে কৰিবা। জীৱনটো হাঁহি হাঁহি কটাব পাৰিবা তেতিয়া। দুয়োৰে মাজত থাকিব লাগিব বিশ্বাস। ইয়াত কোনো সন্দেহ ভাৱ থাকিব নালাগিব। তেতিয়াহে প্ৰেমত সফল হব পাৰিবা। সাধাৰণ বা সৰু-সুৰা কথাত কাজিয়া নকৰিবা।

প্ৰেমৰ নামত এচাম যুৱক-যুৱতীয়ে অভিনয় কৰা দেখা যায়। কিন্তু প্ৰেমত বেছিকৈ অভিনয় কৰিলে তাৰ মাজত সোমাব পাৰে বিষাদ। তাৰ ফলস্বৰূপে বিষাদে আৱৰি ধৰি সেই প্ৰেমত মাথো আনি দিয়ে অমানিশা। সেই প্ৰেমত মাথো প্ৰেমিক-প্ৰেমিকাই পায় বেদনা। বেদনাৰ আঁৰত যেন হৃদয়ত বাজি উঠে কান্দোনৰ ৰোল।

বহুতো ক্ষেত্ৰত দেখা যায় যে বিবাহৰ পিছতো প্ৰেমত ধুমুহা বলে। কিন্তু এই ধুমুহাখিনি ক'ৰ পৰা আহে জানেনে ? মাথো আহে সন্দেহ আৰু অবিশ্বাসৰ পৰা। গতিকে সন্দেহ নকৰিবা মাথো কৰিবা বিশ্বাস। প্ৰেম হৈছে প্ৰেমিক-প্ৰেমিকাৰ কাৰণে পৱিত্ৰ বস্তু কিন্তু তাক আমি অপৱিত্ৰ কৰিব নেলাগে। তাক আমি প্ৰতাৰিত কৰিব নালাগে। মাথো ৰাখিব লাগে বিশ্বাস।







# প্ৰতি কথাত হাঁহি

খুৰশেদ আলম
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

***ৰোগীঃ*** ডাক্তৰ বাবু, চশমা পিন্ধিলে মই ভালদৰে পঢ়িব পাৰিমনে ?
***ডাক্তৰঃ*** অৱশ্যে পাৰিবা।
***ৰোগীঃ*** তেতিয়া হ'লে আপুনি আজিয়েই মোক এযোৰ চশমা দিয়ক, কাৰণ মই পঢ়িব নাজানো।

যিমানেই পঢ়িম, সিমানেই জানিম।
যিমানেই জানিম, সিমানেই পাহৰিম।
যিমানেই পাহৰিম, সিমানেই কম জানিম।
যিমানেই কম জানিম, সিমানেই কমকৈ পাহৰিম।
যিমানেই কমকৈ জানিম, সিমানেই কমকৈ পাহৰিম।
যিমানেই কমকৈ পাহৰিম, সিমানেই আমি বেছিকৈ জানিম।
গতিকে পঢ়িব লাগে কিয় ?



## শান্তিৰ কপৌজাক বিচাৰি

হাছিনা খাতুন
স্নাতক তৃতীয় বৰ্ষ (কলা)

শান্তিৰ কপৌজাক, ক'লৈ উৰি গ'লা
হিংসা, দানৱতা, নিষ্ঠুৰতা উপহাৰ দি,
নিখিল স্ৰষ্টাৰ কোন মুলুকত
বিচাৰি ফুৰিম বাৰু-
ক'লৈ গ'লে লগ পাম শান্তিৰ বাৰ্তাবাহক
মানৱৰ হৃদয়ত নাই যে মানৱ প্ৰেম
আছে মাথোন দানৱতা-
হে মোৰ হৃদয়ৰ কপৌজাক।
ক'লৈ গ'লে লগ পাম বাৰু তোমাৰ সান্নিধ্য
নীলিম আকাশৰ বুকুত,
নে হিমালয়ৰ সুউচ্চ শৃংগমালাত নে
সাগৰৰ তীৰত,
বিশ্ব শ্ৰেষ্ঠ পামিৰ মালভূমিত নে
প্ৰকৃত মানৱৰ কোমল হৃদয়ত?
হেৰা শান্তিৰ কপৌজাক
তুমি যতেই নাথাকা কিয়
মাথোঁ এবাৰ আহিবা শান্তিৰ বতৰালৈ
হেজাৰ নিশা উজাগৰে থাকিম
তোমাৰ প্ৰতীক্ষাত;
হৃদয়ত মনুষ্যত্বৰ মালা গাঁথিম
তোমাৰেই অপেক্ষাত।
তুমি নিশ্চয় আহিবা
অশান্ত পৃথিৱীৰ
হৃদয়হীন মানুহক মানৱতাৰ বতৰা দিবলৈ
নিষ্ঠুৰ মানুহৰ কঠোৰ হৃদয়ত
মানৱ প্ৰেমৰ দীক্ষা দিবলৈ।। ****

## বৰষা, তোমাৰ অপেক্ষাত

ৰিজৱানুজ জামান চৌধুৰী
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

কৃষ্ণচূড়া ফুলিছে বুকুত,
বুকুৰ মাজত এবুকু
ঢাকি ৰাখিছো তোমাৰ বাবে
গোপনে, ......................

অপেক্ষাৰ পদূলিত
ৰৈ ৰৈ গৈ আছে সময়
দিন মাহ আৰু বছৰ............
গৈ গৈ ৰৈ আছো মই
প্ৰতিটো দিন,
প্ৰতিটো নিশা।

বৰষা..................

কৃষ্ণচূড়া ফুলিছে বুকুত
বৰ হেপাহেৰে সাঁচি থৈছোঁ
আলফুলীয়া আশাবোৰ
উটি ভাঁহি যাবলৈ নিদিবা
উতনুৱা ফাগুনত...............।
শেৱালীৰ পাহিবোৰ মৰহি যাব
কাইটীয়া গোলাপৰ অভিমানী...........
হাঁহিত...........। ****





## জীৱনটো দুখৰ বাবেই সুখৰ বাবেও

ৰুহুল আমিন
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

"তোমাক সুখী কৰিব নোৱাৰাৰ দুখত,
দিনক দিনেময়ো অসুখী হৈ পৰিছো,
তুমি জানা মোৰ নিয়তি নিচেই সৰু,
তথাপি তোমাক ভালপাওঁ আৰু কওঁ,
জীৱনটো কেৱল হাঁহিৰ বাবেই নহয়,
কেৱল কান্দিবৰ বাবেও নহয়,
জীৱনটো পূৰ্ণ নহয়, নহয় শূণ্যও
জীৱনটোক জীৱনেৰে চোৱা
জীৱনটোক জীৱনেৰে জোখা
মই জানো আৰু স্বীকাৰ কৰো,
তোমাৰ বুকুৰ আৰু চকুৰ অভাৱ,
মই পূৰ কৰিব পৰা নাই।।
মোকলৈ তুমি সুখী হ'ব পৰা নাই
পৰা নাই অসুখী হ'বও
মোৰ বাবেই বাঢ়িছে তোমাৰ অশান্তি
বাঢ়িছে খং, বাঢ়িছে অভিমান
আক্ষেপ-অনুতাপ, শোক-সন্তাপ।
অথচ, তুমিওতো নজনাকৈ থকা নাই
মোৰ যে নাই সোণৰ গছ,
য'ত লমালমে লাগি থাকিব সোণৰ ফল।
মোৰ যে নাই ৰূপৰ পানীৰ পুখুৰী,
ৰূপালী কণী পৰা হাঁহ, মাছ-কাছ
তথাপিও মই নিতৌ তোমাকেই
সুখী কৰাৰ আপ্ৰাণ চেষ্টা কৰো,
নৈ- পাৰত গান এটা গুণ গুণাও
আৰু তোমাক শুনাব খোজো তাৰ সুৰ
সেই সুৰেৰে বুজাব খোজো তোমাক
জীৱনটো দুখৰ বাবেই সুখৰ বাবেও।। ****

## মৌচুমী

ৰফিকুল ইছলাম
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

সঁচাকৈয়ে তোমাক
ভাল পাইছিলো
মনে-প্ৰাণে মই,
কিন্তু, তুমি কিয়?
এৰি গ'লা মোক
অকলশৰীয়া কৰি থৈ !
কৰিলো হাঁহি-ফুৰ্তি
সদায় তোমাৰেই
লগত থাকি,
তুমিয়েই শেষ কৰি
দিলা মোৰ জীৱন
নাই যে একো বাকী।
নিঠুৰবা মন তোমাৰ
নাই জনা আগত
কেনে ললাট মোৰ
পৰিছিলো.............
তোমাৰেই ভাগত
মোক এৰিলেও তুমি
লাহে লাহে এৰি দিবা
Instantly, কেতিয়াও তুমি
মোক নামাৰিবা।। ****

# মৰম

পিয়াৰা বেগম
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

তোমাৰ মৰম, তেজৰূপে
বিয়পে মোৰ অঙ্গে অঙ্গে
তোমাক বিচাৰি ফুৰোঁ
অহৰহ আকাশত;
জোন, বেলি, তৰাক সুধিছো
তুমি থাকা ক'ত?
অকলশৰীয়া হে পাতো কথা নিৰৱে
যেন আছা মোৰ কাষত
থাকা যদিও দূৰত।
মই তোমাৰ হৃদয়ৰ
তুমি মোৰ নয়নৰ
দূৰত গ'লেও কাষত ৰবা
জীয়াই থাকিলে এনাজৰী মৰমৰ।
নিমিষ নয়নেৰে চাও হৃদয়ত
স্মৃতিৰ চাকিও জ্বলাইছো মনত
সেয়ে কৰিছো কাকুতি
মোৰ মৰম, নাযাবা পাহৰি
অশেষ কষ্টৰ মাজতো পোৱা যায়
জীয়াই থকাৰ প্ৰেৰণা
যদি থাকে মৰম ভৰা হৃদয়। ****



# সকলো দোষ এই ভালপোৱা

মাহমুদা খাতুন
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা শাখা)

বনৰ চৰাইবোৰৰনো কি দোষ
সিহঁতৰ বুকুতেই যে ইমান গান,
ইমান সপোন সহোনো কেনেকৈ
বান্ধ ভাঙিলেও দোষ নাই নদীৰ-
ভৰ বাৰিষাৰ;
ফুলবোৰেহে পোনতে মিচিকিয়াই হাঁহে
চকু টিপিয়ালে দোষ কি তৰাৰ,
ফাগুনৰো দোষ নাই একো
দোষ পছোৱাৰ;
নিয়ৰৰনো কি দোষ,
দোষ ঘাঁহনিৰ কোমলতাৰ
আৰু মইয়ে-
তোমাৰেই ভালপোৱাৰ ওপচা ঢৌ হলোঁ
মোৰনো কি দোষ,
সকলো এই ভালপোৱাৰ। ****







# শেৱালী

ফাৰহান হুছাইন
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

মোৰ কলিজাৰ,
তুমি আকাশৰ জোন হৈ
নিলাভ নয়নীৰ স্বপ্নীল চাৱনিৰে
অঙ্কুৰিত প্ৰেমৰ হাত বুলাই দিয়া..........।
জিৰ্ জিৰকৈ বৈ যায়
মৰমী এটি মাতাল হৈ
য'ত স্নান কৰো মই
নিযুত আশাৰ সতে..........।
আশাবোৰ গোটা মাৰি
শিল হৈ ৰয়
তীব্ৰ দ্ৰুত প্ৰাণ গতিৰ বাংময়তাৰ অভিমানত..........
কালজয়ী মোৰ স্বপ্ন
মৃত্যুহীন মোৰ দৃঢ়তা
জীৱন-প্ৰেম-বাস্তৱ
তোমাৰ পদূলীৰ
যেন তলসৰা শেৱালী......। ******



# তুমি ফুলি থকা এপাহি ফুল

গোলাম মোস্তফা কামাল
স্নাতক তৃতীয় বৰ্ষ (ক'লা শাখা)

সঁচাকৈয়ে, তুমি ফুলি থকা এপাহি ফুল,
তোমাৰ মাজতে বিচাৰি পাওঁ মই সকলো
বিচাৰি পাওঁ মোৰ এখন ৰঙীন পৃথিৱী।
য'ত থাকে মোৰ অযুত সপোন।
তুমি মোৰ মনৰ মাজত আছা বাবেই-
মই জুখিব বিচাৰো সাগৰৰ গভীৰতাক।
দুখ যন্ত্ৰণা বিলাকো
বিলীন হ'বলৈ দিব পাৰো তোমাৰ বাবে।
নাজানো তুমি মোক ভাল পোৱা নে ?
নোপোৱা, হয়তো তুমি বিচাৰি
ল'লা চাগে তোমাৰ মনৰ প্ৰিয়তমাক।
তথাপি মই সপোন দেখো তোমাকলৈ।
মন যায় মোৰ মৰমৰ মাজত তোমাক
চিৰ দিনলৈ বন্দী কৰি ৰাখিবলৈ।
কিন্তু তুমি বুজিব পাৰিবা জানো
মোৰ এই ভালপোৱাৰ গভীৰতা।
কেৱল তোমাৰ বাবেই সজাই ৰাখিছো
আলফুলে মোৰ হৃদয়ৰ দুৱাৰ
তুমি আহিবা বুলি।।
আন্ধাৰ ৰাতি আকাশৰ তলত বহি
তোমাৰ কথাই ভাবো।
তোমাক লৈ বেছি কল্পনা কৰাটো
মোৰ ভুল বুলিও মই জানো।
কিন্তু, কি কৰিম কোৱা-
ভালপোৱাৰ বাবেই যে এনেকুৱা;
নিশাৰ জোনাকে যেতিয়া তোমালৈ
মনত পেলায় তেতিয়াই খিৰিকী
মেলি বিচাৰি থাকো সেই ফুলপাহিক,
কাৰণ, তুমি যে মোৰ বাবে-
ফুলি থকা নপাহি ফুল। ******

# কিদৰে ৰচো এক নতুন কাহিনী

ছবনম ফিৰদাউচী
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

এনেই আপোনজনৰ পৰা আতৰাই
লুকাই ক'তনো বহি আছে খোদা !
এনেকৈয়ে আছো জীয়াই
যেন সৈন্যহীন পানীপথত
মই একমাত্ৰ যোদ্ধা।।

মোৰ অজ্ঞাতে এদিন, হয়
মই অকলশৰীয়া হৈ গ'লো
আজি স্বয়ং মোৰ পথে,
মোক সোধে মোৰ ঠিকনা।
আহি আত্মজীৱনীয়ে সোধে
জীৱনৰ য'ত বিৰহ, য'ত যাতনা।।

হৃদয়খনি দেখো ইয়াতে
স্পন্দন থকা-নথকাৰ ভয়।
বুকুখনিও উঠিছে নামিছে
জীৱিত কিয় মই নহয় !

এবাৰ লিখাইছিলা যদিও
কালৰ সোঁতত ল'লা বোৱাই।
মোৰ তকদীৰ, শত বিচাৰিও
আজি নোৱাৰে আহিব দুনাই।।
কিদৰে ৰচো আকৌ
জীৱনৰ এক নতুন কাহিনী !
বিচাৰি ক'তনো যাও;
ক'তনো বিকে বিষাদৰ চিয়াহি !

কিনো ভুলত মোৰ,
দিলা এনে শাস্তি জীয়াই থকাৰ।
বীণো নাই বজাবৰ,
নাই সাহসো আয়ুস গৰকাৰ।।

অচিনা সুৰত মত্ত পথ যি
নিৰুদ্দেশ আজি নিজতে;
বিচৰা যদি মোক,
থাকো মই তাতে
পৰি যাও প্ৰতিটো খোজতে।। ****







# পাহৰি গ'লা নেকি তুমি মোক ?

ৰাশিদুল আহমেদ
উঃ মাঃ দ্বিতীয় বৰ্ষ(বিজ্ঞান শাখা)

সচাঁকৈ, পাহৰি গ'লা নেকি,
মোক আজি-
মচি পেলালা নেকি-
হিয়া দাপোনৰ পৰা মোৰ নামটি।
হয়তো, দিয়া নাছিলো
তুমি বিচৰা একশ শতাংশই মৰম,
যদিও মই সাঁচি ৰাখিছিলোঁ
তোমাৰ কাৰণেই ..............।
সচাঁকৈ পাহৰি গ'লা নেকি
মোক আজি................।
কিন্তু ক'ধানে মোক সচাঁকৈ
কেনেকৈ পাহৰো তোমাক,
কেনেকৈ পাহৰো তোমাৰ সৈতে কটোৱা
সেই ল'ৰালিৰ স্মৃতিবোৰ,
কেনেকৈ পাহৰো তোমাৰ সতে
সেই স্কুলীয়া জীৱন।
কিমান যে ধেমালি কৰিছিলো
আজিও মনত পৰে ক'ব নোৱাৰাকৈ,
কোৱানা তুমিয়েই .............।
কেনেকৈ পাহৰো তোমাক,
সঁচাকৈ তুমি মোক,
পাহৰি গ'লা নেকি? আজি
চাব খুজিও চাব নোৱাৰো
কিয়নো গ'লা আতৰি আজি বহু দূৰলৈ।
সঁচাকৈ পাহৰি গ'লা নেকি-
তুমি মোক আজি ...........। ****

# মানৱী জনম নাহিব দুনাই

মাহমুদা খাতুন
স্নাতক তৃতীয় বৰ্ষ(কলা শাখা)

বিশাল বিশ্বমঞ্চ এটি নাটঘৰ-
আমি মাথো ভাওঁৰীয়া-
মানৱী জনম নাহিব দুনাই
আহে মাথোঁ এবাৰেই
দুদিনৰ অতিথি আমি
ধৰাৰ বুকুলৈ আহি
মিছা মায়াত আৱদ্ধ হৈ
স্ৰষ্টাক পাহৰি গ'লো।
মানৱ জাতিক সৃজিলে স্ৰষ্টাই
সৰ্বশ্ৰেষ্ঠ জীৱ ৰূপে,
চকু দুটা মেলিয়েই আমি হ'লো মহাজ্ঞানী
স্ৰষ্টাৰ বিধান গ'লো পাহৰি।
জীৱনৰ বাটত পংকিলময় পথক
ল'লো পাথেয় বুলি,
জ্ঞানৰ বৰ্ত্তি ৰূপে
অজ্ঞানতাৰ অন্ধকাৰক
শিৰোধাৰ্যকৰি ল'লো সাৱটি।
প্ৰতিহিংসাৰ দাবানল বুকুত জ্বলাই
আনক কৰিছো ভস্মীভূত
পাহৰি মানৱ জীৱনৰ প্ৰকৃত উদ্দেশ্য
প্ৰতিশোধৰ অনলত অগ্নিদগ্ধহৈ
নিজকেই কৰিছো নিঃশেষ।। ****

# ভাল পোৱাৰ আন নাম যন্ত্ৰনা

মকিবুল ইছলাম
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

মোৰ বুকুত এখন অৰ্ধনমিত পতাকা
তুমিয়েই তৰি দিছিলা,
গৈ থকা ৰাস্তাটোত
তুমিয়েই আগবঢ়াই দিছিলা
সহায়ৰ হাত মোৰ।
ৰাতিৰ এন্ধাৰত আঙুলিবোৰৰ মাজত
জ্বলি আছিল তৰাবোৰ
কুলু কুলু বতাহ জাকে কৈছিল,
এয়া যেন প্ৰেম, ভালপোৱা
মাথো হৃদয়ে হৃদয়ৰ মিলন।
ই নামানে জাতি ধৰ্ম-বৰ্ণ
যিয়ে বিচাৰে স্বাধীন ধৰ্ম।।
গগন ফাটি নামি আহিল
এজাক ৰিম জিম বৰষুণ,
ই যেন আমাৰ আৰ্শীবাদ
বৰষুণ জাকে কিন্তু মোক তিয়াই যোৱা নাছিল
ই এক দৃঢ় বান্ধোনৰ সৃষ্টি কৰিছিল
মাথো হৃদয়ে হৃদয়ৰ।।
দুখ মানেই স্মৃতি
স্মৃতি মানেই বিস্মৃতি
তথাপি ভাল লাগে সুঁৱৰি।
ভুলতে হেৰাইছিলো বাট
তোমাৰ ব্যস্ততাৰ খবৰ লবলৈ
তেজ ৰঙা জীৱন্ত কবিতা হে

ই নহয় মৰুভূমিৰ বালিঘৰ,
যেন গড়িম আৰু ভাঙিম
কিন্তু এতিয়া চোৰা উভতিছো
তোমাৰ মিছা ছলনাত
হাতত ভিক্ষাৰ পত্ৰ থকা,
চকু গাতত পৰা, কামিহাড় ওলাই থকা
পথৰ ভিক্ষাৰীৰ দৰে
হাতত এ-বটল নিষিদ্ধ বস্তুলৈ।
জিও উৰি যাওঁ যাওঁ অৱস্থা
কোনেও উভতি চোৱা নাই
মাথো শিশুৰ বাদে, তথাপি হাঁহি হাঁহি
কাতৰে অনুৰোধ তোমাক
কাকো নকৰিবা ছলনা
যেন মোৰ দৰে
এয়া চোৱা উভতিছো মই
ভালপোৱাৰ কলং নৈৰ পাৰৰ পৰা
কলিজা পোৱা এমুঠি ছাই হাতত লৈ.........।। ****







# জীৱন

আশান আলী
স্নাতক প্ৰথম বৰ্ষ (ক'লা শাখা)

আকাশ মেঘে ভৰা এন্ধাৰ
জীৱন দুখেৰে ভৰা
ৰাতিৰ এন্ধৰ নিশব্দ নিশা
লাগিছে ভাল গভীৰ এন্ধাৰ
সুখ বিচাৰি ঘুৰি ফুৰে
মায়া মোহৰ মাজত
পোহৰ নাহে তাৰ জীৱনত
হাতত নাথাকে যাৰ ধন
সুখ নাহে তাৰ জীৱনত
যাৰ নাথাকে হিয়া ভৰা মৰম
আকাশৰ তৰা জিলিকাই আছে
এন্ধাৰে তাক মাতিছে
ভাবিব নোৱাৰো তোমাক
কল্পনা নকৰো ৰাতি
নাজানো তুমি কোন?
আহিছা সপোনত ভাঙিছা টোপনি
কাকো নকবা মনৰ ব্যাথা
তুমি নুবুজা যাক
বন্ধুৰ ঠাই দিবা মনৰ মাজত
তুমি চিনি পোৱা যাক
জীৱন যদি চিঞৰি উঠে
তাক শান্তনা দিব লাগে চকুৰ পানীৰে
জীৱন যেন অনন্ত বেদনাদায়ক
জীৱনৰ বাট অতি কঠিনদায়ক
নদীৰ সোঁত যেনেকৈ বৈ যায়
মানৰ জীৱন তেনেকৈ পাৰহৈ যায়
নাজানো জীৱন কি?
এয়া জানো ভগৱানৰ সৃষ্টি। ****

# এপাহি ফুল

আজাদুল ইছলাম
স্নাতক প্ৰথম বৰ্ষ (ক'লা শাখা)

পাতৰ আৰত থকা ফুলনিৰ ফুলপাহি;
আজি দেখোন হাঁহিছে উলমি উলমি।
কাইটময় ঠাৰিৰে ভৰা যদিওঁ
দেখি জুৰ পৰিছে মোৰ হিয়াখনি।।

তোমাৰ সেই কোপলিয়া ওঁঠ যেন,
কপিছে বৈ অহা বতাহৰ কোৱনিত।
তোমাৰ সেই মিঠা হাঁহি যেন,
বৈছে নিজৰাৰ ধাৰনিত।।

চাৰনিত তোমাৰ সেই;
মুক্ত হৈছে যেন প্ৰাকৃতিক জগত।
পুজাৰি হৈয়ো মগ্ন হৈছো;
আজিয়ো তোমাৰ প্ৰেমত।। ****



## নিষ্ঠুৰ তুমি

সঞ্জীবুল হক চৌধুৰী
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা শাখা)

কেনে হেন নিষ্ঠুৰ তুমি বুজিব পৰা নাই
যুৱতীৰ দৰে থাকি কিহৰ দৰে কৰা অভিনয়
দিন-ৰাতিৰ দৰে ওলট-পালট কৰা যেন পাই
জীৱন মোৰ গ'ল তোমাৰ ভাজত হেৰাই।
নষ্টৰ দৰে কষ্ট কৰিবলৈ দিলা মোক
তুমি কিন্তু পোৱা নাই অকনো দুঃখ
সুখ বিচাৰি মোক দিলা প্ৰচণ্ড আঘাত।
য'ত মোক কৰিবলৈ দিয়া নাই কোনো প্ৰতিবাদ
মোক এৰি থৈ গ'লা বহু দূৰত
কিজানি জীৱন তোমাৰ হব অতি সুখৰ।
কেৱল মাত্ৰ ৰাখি গ'লা মোক নিম্নস্তৰত
য'ত কেৱল দুঃখময় ভৰা জগত
কেনে হেন তুমি নিষ্ঠুৰ যুৱতী।
অকনো কি তোমাৰ মায়া নাই
হৃদয়ক খণ্ড কৰি কি হেন পাইছা
গভীৰ সাগৰৰ মাজত মোক ডুবাইছা
আনে দিয়া সুখত তুমি হবানে সুখী
মোৰ দৰে সঁচা প্ৰেমিকক কিয় হেন দিলা ফাঁকি।।

****

## "এডাল ৰচি থকা হ'লে"

ছাইদুৰ ৰহমান
কৰ্মচাৰী (বিজ্ঞান শাখা)

দিনবোৰ পাৰ হ'ব নোখোজে
গৈ আছে অতি মন্থৰ গতিত
বুঢ়া হ'বলৈ এতিয়াও বহুদিন বাকী
হতাশা, হুমনিয়া, আৰ্তনাদ আৰু ক্ৰন্দনে
উপচি পৰিছে আকাশ, বতাহ, অৰণ্য
শ্ৰোতা যাক উদ্দেশ্য কৰি কন্দাকটা
তেওঁৰ কিন্তু কোনা কাণসাৰ নাই
সময় নাই, অৱকাশো নাই।
এতিয়া আমি অভ্যস্থ
নহলে ইমান দিনে
চীপজৰি লব লগা হলহেঁতেন।
অভ্যাস এটা আচৰিত বস্তু
তাৰেই জীয়াই আছো আমি
চীপজৰিৰ কথা ভাবো চীপজৰি লগাবলৈ
কিন্তু ৰচীডালনো ক'ত ?
ৰচী বুলিবলৈ ককালত ঘেৰি থকা
সুতা এডালহে আছে।
তাকে খুলি পৰীক্ষা কৰি চাওঁতেই
সি চিগি দুটুকুৰা হৈ থাকিল।
নালাগে কোনো শান্তনা আৰু ভৰসাৰ প্ৰতিশ্ৰুতি
আগলৈ আহিলে শকত
ৰচী এডাল লগত লৈ আহিম
তাৰে নিজৰ লগতে আনৰো কাম
চলাই যাব পাৰিম।। ****





## ফুল আৰু পখিলা

নুৰী শামছুদ্দিন আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

ক'ৰ জানো পখিলাটি
মোত চোতালৰ ফুলপাহিৰ ওপৰত
জাপ মাৰি পৰি
নিৰবে মৌ পান কৰিছে,
তাক যে একোৱে নকয়
মোৰ যে সহ্যয়েই নহয়।
সঁচাকৈয়ে যদি মই
তাৰ দৰে পখিলা হৈ
উৰি উৰি তাইৰ ওপৰত
জাপ মাৰি পৰোগৈ
মোকো হেনো একোৱে নকবনে ?
নাই নাই, মোৰ যে সাহসেই নহয়,
মোৰ যে বিশ্বাসেই নহয়।
চোৰাচোন পখিলাটি
কেনেকৈ উৰিছে,
ফুলে ফুলে পৰি সি
ফুলৰ মৌ চুহিছে,
মৌ লৈ তাৰ হেনো
হয়নে একাধিকাৰ ?
একাধিকাৰ নহয় তাৰ
মোৰো আছে অধিকাৰ।
পখিলাৰনো ফুলৰ লগত
কিহৰ ইমান সম্পৰ্ক,
নব পখিলাৰ মাজত মই
দিব খোজো তৰ্ক,
তেওঁ আহিব ঢেউদি
মই যাম খোজ দি
লাহে লাহে গৈ মই
পাতৰ আৰত লুকাম
থাপ মাৰি ধৰি তাক
গচকি পেলাম। ****

## মোবাইলত তোমাৰ মাত

ৰহিমা খাতুন
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

মোবাইলৰ সিপাৰে তুমি
মোৰ দুচকুত তোমাৰ ছবি
বাঁহীৰ সুৰ হৈ
কিয় ? কপোৱা ৰাতি ৰাতি
মোৰ এই বুকুখনি
মোবাইলত তোমাৰ মাত
তোমাৰ মৌ-মিঠা মাত
উদুলি-মুদুলি কৰে
মোৰ নিজান মনৰ বাট। ****

## ভুল নুবুজিবা

**আব্দুল কায়ুম**
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

কুলি চৰাই মাতাল হয়
বহাগ আহিল বুলি।
মানুহ কেতিয়াবা মাতাল হয়
সৃষ্টিকৰ্তাৰ সৃষ্টি দেখি।
মইয়ো যে মাতাল হওঁ কেতিয়াবা
তোমাৰ সেমেকা মুখখনি দেখি।
মই ভাৱো মই কোনো ভুল নকৰো
তোমাৰ মুখলৈ চাই।
কিন্তু তাতেই তুমি মোক বেয়া পোৱা
অজানত আৰু ভুল বুজি পোৱা।
কুলিয়ে কব নোৱাৰে
বহাগক তেওঁ কিমান ভাল পায়।
কিন্তু কুলিয়ে এইটো কথা ভাৱে
বহাগ আহিলে মই থাকিম
সদায় তোমাৰ লগত
কিয় নাজানো কবওঁ নোৱাৰো
কিন্তু তুমি ভুল নুবুজিবা মোক।

****

## "আশা"

**সফিকুল ইছলাম** (সফিক)
লাইব্ৰেৰী বিয়েৰাৰ
নৱজ্যোতি মহাবিদ্যালয়।

আশা জীৱনত কিয় দিলা দেখা
সেউজীয়া কৰিলা অন্তৰৰ ৰেখা।।
মোৰ প্ৰাণ মোৰ নাই
সদায় যায় তোমালৈ হেৰাই।।
তুমি কিবা মানুহ নে পৰী
ল'বানে মোক আপোন কৰি।।
তোমাকলৈ দেখিছো কতো সপোন
হবানে তুমি মোৰ জীৱনৰ দাপোন।।
নিদিবা থাকি দূৰলৈ হাঁহি
দিয়াহি মৰম ওচৰলৈ আহি।।

****





সম্পাদনা সমিতি - বাওঁফালৰ পৰা ক্ৰমে - ড° শ্বাহাজামাল শ্বেইক (সদস্য), আব্দুল ওৱাহাব সৰকাৰ (সদস্য), যোগেন্দ্ৰ ঝা (সদস্য), সাহাব উদ্দিন খান (তত্বাৱধায়ক), মিৰ্জা আব্দুল হামিদ (তত্বাৱধায়ক), আশান আলী (ভাৰপ্ৰাপ্ত সম্পাদক)।



Multi Gym

# NABAJYOTI COLLEGE MAGAZINE

## ENGLISH SECTION

## ISSUE 2010-11

# *REDEFINING ADMINISTRATION* **IN INSTITUTIONS OF HIGHER EDUCATION** IN THE DIGITAL ERA

**B.K. Samal**
*HOD, English*
Nabajyoti College Kalgachia

In this age of globalization and multiculturalism, the existence of an Educational Institution largely depends on a global mind-set, quick adaptability to changing trends and an efficient administration with strategic management policies. But unfortunately, in most of the institutions of Higher Education in our country, today the administrator is a passive onlooker who is either in the habit of watching the system working on its own or is satisfied with the working of the system and believes in improving it only when the situation demands. However, it is only in those institutions where the administrative approach is based on vision, mission and objectivity that progress becomes inevitable through pragmatic reform. 'Vision' can be defined as what the institution wishes to be or who it wishes to serve and how it plans to reach there. It is a combination of self and external quality evaluation, promotion and sustenance initiatives. 'Mission' is the guiding force and the purpose for institutional existence and it should focus on what the institution is engaged in and how it achieves its ends. The task is multifaceted and it can be attained by creating academic environment for promotion of the quality of teaching-learning, by encouraging self-evaluation, accountability, autonomy and by collaborating with other stakeholders of Higher Education Objectives state near what needs to be achieved and when. The policy of an institution is the guideline for decision making in matters of implementing designed strategies where functional autonomy in accountability, inclusiveness and administrative audit occupy the core areas. For effective implementation of the institutional plan, it is utmost essential that the administrator should be a capable person to communicate and facilitate development through proper consultation with the well defined hierarchy of central committee, sub committees and the departmental heads. The institutional head must understand that the





aim of consultation is to bring out consensus of opinion. It is the process of seeking others opinions and advices in order to understand a situation or a problem better. Consultation is an effective tool for creating unity of thought and vision and in finding the best available solution to any given problem. Decision making through consultation is one of the distinguishing features of any effective and progressive institution.

It would be worthwhile to mention here that, any errant technique, along with use of pressure-tatics, lobbying, secret diplomacy or scheming will, in the end create resentment among the staff and make them less co-operative. In order to become a team-builder and a team-leader, the administrator must whole heartedly believe in the benefits of consulatation and use it widely and genuinely, but simultaneously he needs to have the purity of motive, humility and patience to prevent himself from the deadliest of all sins that of back-biting and fault-finding. An institutional head with positive thinking becomes the winner if he recognises his limitations and focuses on his strength. A visionary only can be a task-achiever.

Now, the IQAC or the central committee of an institution whose primary task is the internalization and institutionalization of quality enhancement needs to be constituted with strategic thinkers and planners not on the basis of their compatibility with the institutional head but on the basis of their strengths and their ability to contribute in a team. The IQAC should be heated by a person with the spirit of 'Belbin Team Role', i.e. he should be imbued with original, radical thinking, analytical ideas, networking capabilities, organizing ability, communication competence, integrity and credibility. The IQAC should evolve mechanisims for evaluation, monitoring, framing academic calender, resource-generation, finalization of annual quality assurance reports, optinization and integration of modern methods of teaching-learning research sharing and progressive performance of the academic and the administrative tasks.

The institutional head should remember that policies conceptualised by administration are meant for benefiting the learners, therefore, that should have input from the learners too who could be made to feel that they also count in decision-making. The institution needs to have an advisory which, if necessary, may include off-campus

members with expertise in their fields. Since faculty development is a continuous process, faculty needs to be encouraged to participate in academic interactions at seminars and symposia. Positive attitude by all functionaries only can bring about a healthy culture in the institution.

As regards the much talked professional ethics of teachers, we do not have ethical professionals to teach us professional ethics or any set parameters to evaluate them. It is by recognising self-regulation as the means of setting standards of excellence, by justifying our moral decisions , by caring for each other's well-being and by maintaining explicitness, transparency and joint democratic decision-making that ethical integrity in this noble profession can be maintained. It should not be forgotten that the academics and administration are the two faces of the same coin, any lapse by one is sure to affect the other. Only a dynamic and efficient administrator can understand the winds of global change in Higher Education, and for that matter he should be a visionary, but simply staying held by the apron strings of intertia and playing it safe by traditional ways will only result in the derailment and decay of the system and may be the Darwinian extinction of the Institution. ******


<u>*References:-*</u>

1. *Farzam Arbab, Fundaec, (2002) Team Building Series.*
2. *Foundation for Advancement of Science.*
   *Training Manual*
3. *University News Nov/09, Aug/09 issue.*








# A College Magazine is a Mirror of the College life


**Dr. M. H. Choudhury**

Part-time Lecturer,

*Nabajyoti College, Kalgachia.*


A College Magazine is a mirror of the college life. It reflects the literary, educational and sports activities going on in the college. It projects the important events celebrated in the college during a certain month or year. It also contains news about the college.

A layman can judge the standard of the education of a college just by going through the college magazine. The magazine is a periodical publication and is often published once in a year. It shows the activities of students in the filled of their extra curricular enthusiasm as well as in their academic ventures. That is why every student looks forward for its publication and contributes to it. The magazine is received by the students very enthusiastically.

The magazine prepares students for their future. It gives them training in concentration of thoughts and ideas and in discipline. It can educate and prepare students for their different roles in society which they will certainly play in the near future. Students can benefit a lot by the friendly guidance of a college magazine.

The college magazine has an editorial board which consists of senior students of the college. These students' editiors make preparations for the magazine under the friendly supervision of the college senior professors. The Principal of the college is the patron-in- chief of the magazine. The students' editors are thus guided by the professors and they receive their first trainig in how to publish a magazine.

The young writers and poets get an excellent opportunity for displaying their talent. Essays, short stories, poems, informative articles are written by students and published in the magazine. This cultivates a fine literary taste among the students. In this way the college magazine helps boost new talent. The young budding authors and poets

are encouraged a lot when their works are published in the magazine. Obviously, it is a rare pleasure to see one's work printed in the college magazine.

The sports and cultural secretaries publish their reports on sports events and cultural activities like dramas, music, debates and seminars. Thus we learn a great deal about the manifold educational, literacy and sports activities of the college. We learn how many students have performed extraordinarily and won distinctions in the examinations. Such students bring credit to the name of the college.

A college magazine or newspaper is an essential part of college life. It lets you to know what is happening on campus from fun recreational activities to serious issues with program funding and student elections. Another benefit of these periodicals is that it gives an opportunity to the student to write and publish content. This also serves as good experience. Most of college magazines are fully student run and that could mean a lot of opportunities for business, advertising and journalism students. And aside from experience for those students, this means that the magazine will be relevant and from the point of view of students. This is why college magazines are a vital part of college life and can usually be seen in hands of every student as you walk around campus.

Does the college you attend have a magazine or newspaper that is available for the students to view ? If so, have you taken a look at it or wondered about its usefulness ? This is something special that can provide numerous benefits. You will learn the importance of a college publication. It helps to prevent you from missing something that appeals to you. It can give you an alert on what is coming. You are able to learn about events on and off campus that are coming up.

A college magazine is a vital source for expressing students ideas. Further, it gives students the ability to comment on their faculty and administrative policy of their University. Moreover, a college magazine is a great way to display the accomplishments of student. In addition, students have a forum to debate about the important issues facing their generation. At last, college magazines provide great ways for future Journalism majors to practice their skills. A college magazine is the glue that keeps students informed and together.

In addition, college magazines are a great way to acquaint students with their peers' accomplishments. College magazines can help students learn about new research





projects taking place on campus by students. It also can show the achievements of sports teams from personal interviews with the players. Furthermore, it can list winners of essay and scholarship contests. For example, Mr. X always reads the college magazine to find out the results of the latest debate content. College magazines are a great way to focus information and news particular to that college.

Moreover, students have a chance to feel like their opinions are being heard by publishing it in a college magazine. College students are the future leaders of the world and should be given the opportunity to express their ideas on important issues in colllege magazines.

Journalism majors can also benefit from having a college magazine. For example, Mr. Y who is a Journalism major can learn how to find good sources by working for the college magazine. He can also learn how to decide what parts of his data should be printed in his limited column. It is a great means to learn about the newspaper business and the job of reporter. College magazines are the blood line of a University keeping students together. It is a great way for student to express their creativity.

The college magazine is a comprehensive magazine as it contains valuable articles form the students about their interesting experiences. It plays an important role in the life of college students. For old students, it revives their memories.



# THE APPREHENSIVE TRAVALIS OF MODERN MEDICINES

**Amirul Islam Khan**
TDC (Science)

Discovery of Penicillin braught about a revolution in the treatment of diseases. Since then modern medicine has never looked back and a large number of antibiotics and other drugs have been discovered and patented. Just like Penicillin many of the modern day medicines were first studied and isolated from plants. Most pharmaceuticals are compounds identified in plants as active ingredients beneficial for a health problem. However, the patent plant's individual ingredients after a long painstaking process of isolated active ingredients and developing the chemical route for manufacturing these ingedients claiming to have "discovered" the natural ingredients, which were always there. This system of chemical bulk production is profitable for drug companies, but many times the isolated active ingredients might not work as well as the entire plant.

The context in which medical research is done has changed. Earlier, medical research was fundamentally academic, done mainly in the universities and research institutes. However, now most medical researches worldwide is financed by pharmaceutical companies who are constantly looking for new drugs, they can produce and sell. Since drug companies predominantly fund the medical researches, scientists have to keep in mind not only the effectiveness of treatment, but also most importantly the profits, that is, the economics of production. Most of the time pharmaceutical companies are busy proving how beneficial a drug is and not bringing out sufficiently its mamy side effects.

